## ভিতৰৰ পৃষ্ঠাত

বিকাশৰ গতি-সাংস্কৃতিক... পৃষ্ঠা ৪
বহিঃৰাজ্যৰ সামগ্ৰীৰ... পৃষ্ঠা ৫
মাঘ বিহু বা পুষণা... পৃষ্ঠা ৭
নীল আকাশৰ অন্তৰতজ্ঞ পৃষ্ঠা ৮
প্ৰান্তিকৰ জন্ম দাতা... পৃষ্ঠা ১০



RNI No. ASSASS/2014/56974
Postal Registration No. GH-164/2021-2023
www.asombhumi.com ত উপলব্ধ


# অসম ভূমি

জাতীয় স্বাৰ্থত দায়বদ্ধ


■ Vol:13 ■ Issue: 24 ■ Guwahati ■ Wednesday ■ 28 January, 2026 ■ Rs. 5 ■ বছৰ- ১৩ ■ সংখ্যা- ২৪ ■ গুৱাহাটী ■ বুধবাৰ ■ ১৪ মাঘ, ১৯৪৭ শক ■ মূল্য ঃ ৫ টকা


### অসম চৰকাৰৰ কেবিনেট বৈঠকত গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ

## আৰোগ্য যোজনাৰ অন্তৰ্ভুক্ত হ'ব পঞ্চায়ত প্ৰতিনিধি



**ষ্টাফ ৰিপ'ৰ্টাৰ ঃ** মুখ্যমন্ত্ৰীৰ লোকসেৱা আৰোগ্য যোজনাৰ অন্তৰ্ভুক্ত হ'ব অসমৰ পঞ্চায়তৰ নিৰ্বাচিত প্ৰতিনিধিসকল। যোৱা মঙলবাৰে দিছপুৰত অনুষ্ঠিত অসম চৰকাৰৰ কেবিনেট বৈঠকত এই গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত কেবিনেট বৈঠকত আন কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। ইয়াৰে ভিতৰত কেবিনেটে চুতীয়া জনগোষ্ঠীৰ আৰ্থ-সামাজিক উন্নয়নৰ বাবে অ'বিচি কোটাৰ ভিতৰত অসম অসামৰিক সেৱাৰ জুনিয়ৰ গ্ৰেডৰ এটা পদ আৰু অসম আৰক্ষী সেৱাৰ জুনিয়ৰ গ্ৰেডৰ এটা পদ চুতীয়া জনগোষ্ঠীৰ বাবে সংৰক্ষণ কৰাৰ প্ৰস্তাৱত অনুমোদন দিয়ে। ৰাজ্যিক কেবিনেটে অৰুণাচল প্ৰদেশত বসবাস কৰা মৰাণ সম্প্ৰদায়ৰ লোকসকলক, যিসকলৰ ওচৰত অসম চৰকাৰৰ দ্বাৰা ■ *১৫ পৃষ্ঠাত*

### তামুলপুৰত প্ৰমোদ বড়োৰ মন্তব্য

## বিধানসভাত ১৫ সমষ্টিত নিৰ্বাচন খেলিব ইউপিপিএলে

**অসম ভূমি সেৱা, কুমাৰীকাটা ঃ** বিটিআৰ চুক্তিৰ সফল ৰূপায়ণৰ দাবী আৰু শান্তি-সম্প্ৰীতিৰ বাণী লৈ মঙলবাৰে তামুলপুৰত ইউপিপিএল (ইউনাইটেড পিপলছ পাৰ্টি লিবাৰেল) দলে বিটিআৰ চুক্তি দিৱস পালন কৰে। এই উপলক্ষে তামুলপুৰ জিলা ইউ পি পি এলৰ সভাপতি তথা বিধায়ক জলেন দৈমাৰীৰ সভাপতিত্বত এখন সভা অনুষ্ঠিত হয়। সভাত বিটিআৰৰ প্ৰাক্তন কাৰ্যবাহী সদস্য ৰঞ্জিত বসুমতাৰীয়ে বিটিআৰ চুক্তি ওপৰত বক্তব্য ৰাখে। প্ৰাক্তন উপ-মুখ্য কাৰ্যবাহী সদস্য গোবিন্দ বসুমতাৰীয়ে নিজৰ ভাষণত কয় যে সমাজত চলি থকা অশান্তি আঁতৰাইসকলো জাতি-জনগোষ্ঠীৰ মাজত সদায় শান্তি আৰু ভ্ৰাতৃত্ববোধ অটুট ৰাখিব লাগিব। বিটিআৰৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে নিজৰ ভাষণত বড়ো জনগোষ্ঠীৰ অবিৰত সংগ্ৰামৰ ফলশ্ৰুতিত বিএচি বিটিচি আৰু বিটিআৰ শান্তি ■ *১৫ পৃষ্ঠাত*

### নিৰ্বাচন আয়োগলৈ ছাত্ৰ সন্থাৰ দাবী পত্ৰ

## অবৈধ বাংলাদেশীৰ নাম কৰ্তন কৰক

**গুৱাহাটী ঃ** সদৌ অসম ছাত্ৰ সন্থাই যোৱা মঙলবাৰে অসমৰ মুখ্য নিৰ্বাচনী বিষয়ালৈ এখন দাবী পত্ৰ প্ৰেৰণ কৰি ভোটাৰ তালিকাৰ বিশেষ সংশোধনীৰ পোষকতাৰে কয় যে ছাত্ৰ সন্থাই অসমত ভোটাৰ তালিকাৰ বিশেষ সংশোধন বিচাৰিছে। কিন্তু খিলঞ্জীয়া মুছলমান মানুহ সমস্যাৰ সন্মুখীন হ'ব নালাগে। ছাত্ৰ সন্থাব স্পষ্ট মত-অবৈধ বাংলাদেশীৰ নাম ভোটাৰ তালিকাৰপৰা কৰ্তন হ'বই লাগিব। ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মা আৰু সাধাৰণ সম্পাদক সমীৰণ ফুকনে এই সন্দৰ্ভত সদৰি কৰি কয় যে অসম অবৈধ বাংলাদেশীৰ অনুপ্ৰবেশৰ সমস্যাৰে ■ *১৫ পৃষ্ঠাত*

### বঙাইগাঁৱত কংগ্ৰেছৰ মাণ্ডলিক অভিৱৰ্তনত গৌৰৱ গগৈ

## কংগ্ৰেছৰ নেতৃত্বত হ'ব অসমত চৰকাৰ

**অসম ভূমি সেৱা, বঙাইগাঁও ঃ** অসমৰ ৰাজনৈতিক ইতিহাসত আটাইতকৈ ভয়াতুৰ মানুহজনেই হ'ল ড° হিমন্ত বিশ্ব শৰ্মা। তেওঁ গৃহ বিভাগৰ জৰিয়তে আৰক্ষী প্ৰশাসনৰ সাহসত ৰাজনীতি কৰি আহিছে। সেই বাবে ক্ষমতাহীন হৈ পৰে বুলি ড° হিমন্ত বিশ্ব শৰ্মা সদায় শংকিত হৈ থাকে। বিজেপিৰ বেয়া দিন আহিলে হিমন্ত বিশ্ব শৰ্মা বিজেপিত নাথাকিব। বঙাইগাঁৱৰ অভয়াপুৰীত মাণ্ডলিক অভিৱৰ্তন মঙলবাৰে অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি গৌৰৱ গগৈয়ে এইদৰে কয়। অসমৰ মুখ্যমন্ত্ৰীৰ শেহতীয়া কাম-কাজক চোকা ভাষাৰে সমালোচনা কৰি গগৈয়ে কয় যে তেওঁ ■ *দুই পৃষ্ঠাত*



## ৰাহুল গান্ধীয়ে বিৰোধী দলৰ দলপতিৰ মৰ্যাদা অক্ষুণ্ণ ৰখাত ব্যৰ্থ হৈছে ঃ বিজেপি

**গুৱাহাটী ঃ** কংগ্ৰেছৰ ৰাজপুত্ৰ ৰাহুল গান্ধীৰ ভাৰত মাতৃৰ সন্তান হোৱাৰ কোনো যোগ্যতাই নাই। বিদেশী সভ্যতা-সংস্কৃতিৰে লালিত পালিত হোৱা ৰাজপুত্ৰজনৰ দেশৰ সংস্কৃতি, ৰীতি-নীতি, পৰম্পৰা, ভৌগলিক পৰিধি সম্পৰ্কত নূন্যতম জ্ঞান নাই। ৰাহুল গান্ধীক উদ্দেশ্যি এই তীৰ্যক মন্তব্য ৰাজ্যিক বিজেপিৰ মুখপাত্ৰ কল্যাণ গগৈৰ। উল্লেখ্য যে ৰাষ্ট্ৰপতি মহোদয়াই যোৱা ২৬ জানুৱাৰীত দেশৰ গণৰাজ্য দিৱসৰ লগত সংগতি ৰাখি আয়োজন কৰা অভ্যৰ্থনা অনুষ্ঠান আয়োজন কৰিছিল আৰু এই অনুষ্ঠানৰ মূল বিষয় (থীম) আছিল উত্তৰ-পূৰ্বাঞ্চল। এই অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীকে ধৰি সকলো অতিথিক এখন 'গলবস্ত্ৰ' বা পাটকা দ্বাৰা আদৰণি জনাইছিলে। ৰাহুল গান্ধীয়ে উত্তৰ-পূৰ্বাঞ্চলৰ সমৃদ্ধ সাংস্কৃতিক ঐতিহ্যৰ প্ৰতীক পৰম্পৰাগত পাটকা অৰ্থাৎ 'গলবস্ত্ৰ' পৰিধান কৰিবলৈ অস্বীকাৰ কৰিছিল। অনুষ্ঠানত ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীৰ পৰা আৰম্ভ কৰি বিদেশী অতিথিসকলৈকে ■ *দুই পৃষ্ঠাত*

### অসমত পুনৰ গঠন হ'ব মিত্ৰজোঁটৰ চৰকাৰ ঃ ৰমেন্দ্ৰ নাৰায়ণ কলিতা

## মধ্য গুৱাহাটীত পাঁচ শতাধিকৰ অগপ দলত যোগদান



**অসম ভূমি সেৱা, আজাৰা ঃ** অসম বিধানসভাৰ আগত সাধাৰণ নিৰ্বাচনৰ দিন-বাৰ ঘোষণা কৰা হোৱা নাই যদিও মাত্ৰ তিনি মাহৰ ভিতৰত অনুষ্ঠিত হ'বলগীয়া নিৰ্বাচন উপলক্ষে ৰাজনৈতিক দল আৰু নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব বিচৰা প্ৰাৰ্থীসকলে আন সমষ্টিৰ দৰে নৱগঠিত মধ্য গুৱাহাটী সমষ্টিতো ৰাজনৈতিক তৎপৰতা আৰম্ভ কৰা পৰিলক্ষিত হৈছে। এইক্ষেত্ৰত সমষ্টিটোত সৰ্বাধিক তৎপৰ হৈ আছে এইপৰ্যন্ত অগপ দলৰ হৈ পূৰ্বৰ পশ্চিম গুৱাহাটী বিধানসভা সমষ্টিত ছবাৰকৈ বিধায়ক হৈ বৰ্তমান অসম বিধানসভাত জ্যেষ্ঠ বিধায়ক হিচাপে স্বীকৃতি লাভ কৰা ৰমেন্দ্ৰ নাৰায়ণ কলিতাই। পূৰ্বৰ পশ্চিম গুৱাহাটী বিধানসভা সমষ্টিটো বিলুপ্ত হ'লেও সমষ্টিটোৰ নগৰাঞ্চলৰ এক বৃহৎ অংশক নৱগঠিত মধ্য গুৱাহাটী বিধানসভা সমষ্টিত অন্তৰ্ভুক্ত হোৱাৰ সূত্ৰেই স্বাভাৱিকভাৱে অগপ দলৰ হৈ ৰমেন্দ্ৰ নাৰায়ণ কলিতাই আন প্ৰাৰ্থীতকৈ ৰাজনৈতিক সভা-সমিতি অনুষ্ঠিত কৰি অহাৰ ■ *দুই পৃষ্ঠাত*

প্ৰথম পৃষ্ঠাৰ পৰা ঃ —

# মধ্য গুৱাহাটীত পাঁচ শতাধিকৰ

লগতে বিগত প্ৰায় এটা বৰ্ষত কেইবাটাও যোগদান কাৰ্যসূচী সম্পন্ন কৰিছে। য'ত কংগ্ৰেছকে ধৰি আন ৰাজনৈতিক দল-সংগঠনৰ এইপৰ্যন্ত প্ৰায় তিনি হাজাৰ লোকে আঞ্চলিকতাবাদত বিশ্বাস ৰাখি অগপত যোগদান কৰিছে। এই ধাৰা অক্ষুণ্ণ ৰাখি যোৱা ২১ জানুৱাৰীৰ দিনা সন্ধিয়াৰ ভাগত অগপৰ মধ্য গুৱাহাটী বিধান পৰিষদৰ উদ্যোগত আৰু ২৭ নং ৱাৰ্ড সমিতিৰ সহযোগত বিৰুবাৰী কলেৰা হাস্পতাল চৌহদত আয়োজিত এক যোগদান কাৰ্যসূচীত ৰমেন্দ্ৰ নাৰায়ণ কলিতাৰ উপস্থিতিত কংগ্ৰেছৰ লগতে বিভিন্ন দল-সংগঠনৰ পাঁচ শতাধিক কৰ্মী-সমৰ্থকে অগপত যোগদান কৰে। মধ্য গুৱাহাটী বিধান পৰিষদৰ সমিতিৰ সভাপতি হেমেন ডেকাৰ সভাপতিত্বত অনুষ্ঠিত যোগদান কাৰ্যসূচীত দলত যোগদান কৰাসকলক দলীয় প্ৰতীক চিহ্ন সম্বলিত টুপী পৰিধান কৰোৱায় বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাই। আনহাতে, ২৭ নং ৱাৰ্ডৰ সম্পাদক কমল মেধিৰ উদ্দেশ্য ব্যাখ্যাৰে আৰম্ভ হোৱা অনুষ্ঠানৰ আঁত ধৰে ২৭ নং ৱাৰ্ডৰ সভাপতি মইনুল হক চৌধুৰীয়ে। অনুষ্ঠানত মধ্য গুৱাহাটী বিধান পৰিষদৰ সম্পাদক ক্ৰমে ভুপেন ঠাকুৰীয়া, ১৩ নং ৱাৰ্ডৰ সভাপতি জ্যোতি পাঠক, ১২ নং ৱাৰ্ডৰ পৰিষদ দীপাংকৰ বৈশ্য, ১৩ নং ৱাৰ্ডৰ পৰিষদ তথা অসম মহিলা পৰিষদৰ সভানেত্ৰী পূৰবী তালুকদাৰ, অসম যুৱ পৰিষদৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক সুশান্ত দেৱচৌধুৰী, মধ্য গুৱাহাটী মহিলা পৰিষদৰ সম্পাদিকা গীতা নেওগ, অগপৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য পিজু ডেকা, বিকাশ ভট্টাচাৰ্য, দিলীপ তালুকদাৰ, দেৱেন কলিতা, ২৯ নং ৱাৰ্ডৰ সভাপতি খগেন নাথ, সম্পাদক চেলিম আলী, নীলোৎপল দাস, অঞ্জনা দাস, ইন্দ্ৰজিৎ গোস্বামী, ৰাজেশ চক্ৰৱৰ্তী, সুনীল দাস, দিবাকৰ ৰাজবংশী, অগপৰ জ্যেষ্ঠ কৰ্মী তথা যুৱ পৰিষদৰ সদস্য, মহিলা পৰিষদৰ বিষয়ববীয়াসকল উপস্থিত থাকে। উল্লেখ্য যে অগপত যোগদান কৰাসকলৰ ভিতৰত কংগ্ৰেছৰ জ্যেষ্ঠ কৰ্মী ক্ৰমে— বীণাপাণি বৰ্মন, মহম্মদ চাদুলা, জোৱাদ হুছেইন, ৰজদেও শ্বাহ, মুন্না সিং, দেৱজানী দেৱী, গীতি তালুকদাৰকে ধৰি বিভিন্ন দল-সংগঠনৰ কেইবাগৰাকীও জ্যেষ্ঠ কৰ্মী আছিল। ইফালে, ভাষণ প্ৰসংগত ৰমেন্দ্ৰ নাৰায়ণ কলিতাই দলত যোগদান কৰা সকলোকে আদৰণি জনাই কয় যে আগত অসম বিধানসভাৰ নিৰ্বাচনটো এটা আনুষ্ঠানিকতাহে মাত্ৰ। কিয়নো তৃতীয়বাৰৰ বাবে অগপ-বিজেপি মিত্ৰজোঁটে কমেও ১০০ খন আসন লাভ কৰি দিছপুৰত পুনৰ চৰকাৰ গঠন কৰিব।

# ৰাহুল গান্ধীয়ে বিৰোধী দলৰ দলপতিৰ মৰ্যাদা অক্ষুণ্ণ

সকলোৰে সন্মান আৰু গৌৰৱেৰে সৈতে পাটকা পৰিধান কৰিছিল; কিন্তু একমাত্ৰ ৰাহুল গান্ধীয়ে অকলে পৰিধান কৰাৰ পৰা বিৰত আছিল। এই ক্ষেত্ৰত ৰাজ্যিক বিজেপিৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি মুখপাত্ৰগৰাকীয়ে কয়, একমাত্ৰ 'গান্ধী' উপাধিক সাৰথি কৰি ৰাহুল গান্ধীয়ে লোকসভা বিৰোধী দলৰ দলপতিৰ দৰে সন্মানীয় আসনখন লাভ কৰিলেও ইয়াৰ মৰ্যদা তথা গৰিমা অক্ষুণ্ণ ৰখাত চূড়ান্তভাৱে ব্যৰ্থ। শেহতীয়া গণৰাজ্য দিৱসৰ উপলক্ষে ৰাষ্ট্ৰপতি ভৱনৰ এক অভ্যৰ্থনা অনুষ্ঠানত ৰাহুল গান্ধীয়ে ৰাষ্ট্ৰপতি মহোদয়াৰ উত্তৰ-পূবৰ পাটকা অথবা গামোচা পৰিধান কৰিবলৈ অনুৰোধ প্ৰত্যাখান কৰি দেশৰ সংবিধান প্ৰদত্ত সৰ্বোচ্চ পদবীক অমান্য কৰাৰ লগতে উত্তৰ-পূৰ্বাঞ্চলকো অপমান কৰিলে। এই দুষ্কাৰ্যৰ বাবে ৰাহুল গান্ধীয়ে অতি শীঘ্ৰেই উত্তৰ পূৰ্বাঞ্চলৰ জনতাৰ ওচৰত ৰাজহুৱাকৈ ক্ষমা খোজাৰ প্ৰয়োজন। গগৈয়ে কয়, ৰাহুল গান্ধীৰ শৰীৰত যিহেতু বিদেশী তেজ আছে সেয়ে তেওঁ বাৰে বাৰে ভাৰতৰ পৰম্পৰা, ঐতিহ্য আৰু একতাক অপমান কৰি আহিছে। ইয়াৰ পূৰ্বতে ২০২২ চনত ৰাহুল গান্ধীয়ে ভাৰতৰ সীমা গুজৰাটৰ পৰা পশ্চিম বংগলৈ বুলি টুইট কৰি উত্তৰ-পূৰ্বাঞ্চলক অৱমাননা কৰিছিল। কংগ্ৰেছৰ যুৱৰাজে সঘনাই কৰি অহা এনে কাণ্ডই তেওঁলোকৰ মনত উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰতি থকা বিদ্বেষৰ মনোভাৱক প্ৰতিফলিত কৰে। অৱশ্যে এয়া তেওঁলোকৰ বংশগত স্বভাৱ। ইয়াৰ পূৰ্বে তেওঁৰ পূৰ্বপুৰুষে অসমক চীনৰ হাতত গতাই দিবলৈ কুণ্ঠাবোধ কৰা নাছিল। আনহাতে মুখপাত্ৰগৰাকীয়ে পুনৰাই কয় যে প্ৰদেশ কংগ্ৰেছৰ সভাপতি তথা বিৰোধী দলৰ উপ-দলপতি গৌৰৱ গগৈয়ে গণৰাজ্য দিৱস হিচাপে ৰাজহুৱাকৈ কোনো অনুষ্ঠানত উপস্থিত নথকাটো ৰাজ্যৰ সচেতন মহলৰ লগতে আমাৰো দৃষ্টিগোচৰ হৈছে। শতিকা পুৰণি ৰাজনৈতিক দল এটাৰ ৰাজ্যিক সভাপতি তথা যোৰহাটৰ দৰে এটা ঐতিহ্যমণ্ডিত লোকসভা সমষ্টিৰ সাংসদ হৈয়ো দেশৰ গণৰাজ্য দিৱসৰ কোনো অনুষ্ঠানত উপস্থিত নথকা ঘটনাই গৌৰৱ গগৈৰ দায়িত্ববোধ আৰু দেশমাতৃৰ প্ৰতি থকা শ্ৰদ্ধা সম্পৰ্কত সন্দেহৰ ভাৱ জাগ্ৰত কৰিছে। কল্যাণ গগৈয়ে কয় যে ভাৰতৰ মাটি-পানীৰ লগত কোনো সম্পৰ্ক নথকা আৰু পেৰাচ্যুট লেণ্ডিং কৰি সাংসদ হোৱা ৰাহুল গান্ধী, গৌৰৱ গগৈৰ দৰে নেতাৰদ্বাৰা এনেকুৱা দায়িত্বজ্ঞানহীন ঘটনা সংঘটিত হোৱাটো স্বাভাৱিক।

# কংগ্ৰেছৰ নেতৃত্বত হ'ব অসমত চৰকাৰ

কেৱল নিজৰ স্বাৰ্থৰ বাবে ক্ষমতাৰ ৰাজনীতি কৰে। অভয়াপুৰীত হাজাৰ হাজাৰ কংগ্ৰেছ কৰ্মী আৰু সাধাৰণ ৰাইজৰ উপস্থিতিত অনুষ্ঠিত এই মাণ্ডলিক অভিৱৰ্তনখনত নিখিল ভাৰত কংগ্ৰেছৰ পৰ্যবেক্ষক বন্ধু তিৰ্কী, সম্পাদক পৃথ্বিৰাজ সাথে, সাংসদ ৰকিবুল হুছেইন, বিৰোধী দলৰ নেতা দেৱব্ৰত শইকীয়া, প্ৰাক্তন সাংসদ আব্দুল খালেক আৰু কেইবাজনো বিধায়ক উপস্থিত থাকে। নিজৰ উদাত্ত ভাষণত অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে কয়, 'আজিৰ সভাৰ পৰা এটাই বাৰ্তা যাব লাগে। সেই বাৰ্তাটো হৈছে কংগ্ৰেছৰ নেতৃত্বত অসমত পৰৱৰ্তী চৰকাৰ গঠন হ'ব। সভাৰ পৰা গৈ সকলোৱে এটাই কথা ক'ব যে কংগ্ৰেছৰ চৰকাৰ আহি আছে। হাওৰাঘাট, মৰাণ, বিহপুৰীয়া, ৰঙিয়ালৈ আমি গৈছো, য'ত শ শ মানুহ গোট খালে। পাহাৰ, উত্তৰ অসম, নামনি অসমত যদি এনেদৰে মানুহ গোট খাইছে তেন্তে জানিব আমাৰ চৰকাৰ অহাটো নিশ্চিত। এই শক্তি দেখি বিজেপিয়ে কিছুমান আসন এৰি দিছে।' বিজেপিয়ে ইতিমধ্যে উজনি অসম আৰু উত্তৰ অসম এৰি দিছে বুলিও কয় গগৈয়ে। তেওঁ কয় যে যোৱা লোকসভা নিৰ্বাচনত গোটেই কেবিনেট, মুখ্যমন্ত্ৰী যোৰহাটলৈ বাৰম্বাৰ আহিল, প্ৰধানমন্ত্ৰী মোডী আহিছে, যথেষ্ট টকা বিতৰণ কৰিলে, বৰ বৰ কথাৰে ভাষণ দিলে। তিনি লাখ ভোটৰ ব্যৱধানত জিকিব বুলি ক'লে। কিন্তু অসমৰ ৰাইজে স্বাভিমান, আবেগ দেখুৱাই আমাক জয়ী কৰি আনিলে। যোৰহাটৰ পিছতে, ডিব্ৰুগড়, কাজিৰঙা, কাৰ্বি আংলং, লখিমপুৰতো কংগ্ৰেছৰ ফলাফল ভাল হ'ব। গগৈয়ে কয় যে উজনি অসমৰ পৰা কংগ্ৰেছৰ ছুনামি আহিব, তেতিয়া নামনি অসমক পাৰ কৰি লৈ যাব। এইবাৰ অসমত কংগ্ৰেছ চৰকাৰ হ'ব। হিমন্ত বিশ্ব শৰ্মাই নিজকে কেনেকৈ সুৰক্ষা দিব তাক লৈ চিন্তিত।

গগৈয়ে কয় যে বিজেপিৰ চৰকাৰ গ'লে বিজেপি দল ত্যাগ কৰা প্ৰথম মানুহজনেই হ'ব ড° হিমন্ত বিশ্ব শৰ্মা। যদি ইমানেই শক্তিশালী বিৰোধী দলত থাকি নিৰ্ভয়ে থাকিব নোৱাৰিলা কিয়। চিৰদিন কংগ্ৰেছত কিয় থাকিব নোৱাৰিলা। এতিয়াও এবাৰো কোৱা নাই যে বিজেপিত চিৰদিন থাকিম। ড° হিমন্ত বিশ্ব শৰ্মাক প্ৰত্যাহ্বান জনাই গগৈয়ে কয় যে তুমি মাত্ৰ কৈ দিয়া যে বিজেপি শাসনত থাকক বা নাথাকক মই চিৰদিন বিজেপিত থাকিম। গৌৰৱ গগৈয়ে লগতে সাংবাদিকৰ জৰিয়তে ড° হিমন্ত বিশ্ব শৰ্মাক প্ৰশ্ন কৰে যে মই কংগ্ৰেছৰ ভাল আৰু বেয়া দিনত কংগ্ৰেছতে থাকিম। ড° হিমন্ত বিশ্ব শৰ্মাই কওক মই ভাল আৰু বেয়া দিনত বিজেপিতে থাকিম। এই প্ৰশ্ন সাংবাদিকে কৰিলে ফালৰি কাটি যাব। তেওঁ হিন্দু নেতাও নহয়, তেওঁ শক্তিশালী নেতাও নহয়। তেওঁ এটাই কাম কৰিছে আৰু সেয়া হৈছে নিজকে ধনী কৰিছে। গগৈয়ে কয়, 'মই এটা বাতৰি দেখিছো। অসমত সকলোতকৈ বেছি শক্তিশালী ড° হিমন্ত বিশ্ব শৰ্মা আৰু আনগৰাকী শক্তিশালী হৈছে মুখ্যমন্ত্ৰীৰ পত্নী ৰিণিকি ভূঞা শৰ্মা। এনে এখন চৰকাৰ দেখিছে নেকি যিখন চৰকাৰত মুখ্যমন্ত্ৰীৰ লগতে মুখ্যমন্ত্ৰীৰ পত্নীও সমানে শক্তিশালী। মোৰ পিতৃ ১৫ বছৰ মুখ্যমন্ত্ৰী আছিল। মোৰ মাতৃক কিন্তু ৰাজহুৱা মঞ্চত থাকি ৰাজনৈতিক ভূমিকাত দেখা নাছিল। মোৰ প্ৰয়াত পিতৃয়ে মোৰ মাৰ নামত নিউজ চেনেল খোলা নাছিল, মাটি লোৱা নাছিল। তেওঁ নিজৰ স্বামীৰ যতন লৈছিল, ঘৰ চম্ভালিছিল, অসুস্থ সময়ত তেওঁ দৰৱ খাইছিল নে নাই সেয়া চাইছিল। কিন্তু মুখ্যমন্ত্ৰী আৰু মুখ্যমন্ত্ৰীৰ পত্নীৰ এনে এক চুক্তি চলিছে যে অসম চৰকাৰৰ টকা পত্নীৰ কোম্পানীক দি পত্নীক ধনী কৰিছে। মই নব প্ৰজন্মক সুধিব বিচাৰো যে এনে এখন চৰকাৰ থাকিলে তোমালোকে চাকৰি পাবা নে? এনে এখন চৰকাৰ থাকিলে থলুৱা উদ্যোগ কেনেকৈ হ'ব, স্থানীয় ঠিকাদাৰে ঠিকা কেনেকৈ পাব বুলিও গগৈয়ে প্ৰশ্ন কৰে।

গগৈয়ে কয় যে তেওঁ চৰকাৰৰ টকা পত্নী আৰু পুত্ৰৰ ১৮টা কোম্পানীক বিতৰণ কৰিব। চৰকাৰী স্কুল বন্ধ, সাধাৰণ নাগৰিকৰ নিৰাপত্তা নোহোৱা হৈছে, উচ্ছেদ-এছআৰৰ নামত প্ৰহাৰ কৰা হৈছে। মানুহক উপলুঙা কৰে। মুখ্যমন্ত্ৰীয়ে গাঁৱত কেৱল মদৰ দোকান খুলিছে। নিজে ৰাজনীতিলৈ অহা প্ৰসংগ উল্লেখ কৰি গগৈয়ে কয়, 'মই যেতিয়া বিদেশত আছিলো, তেতিয়া মোৰ প্ৰয়াত পিতৃয়ে কৈছিল যে তুমি ৰাজনীতিলৈ আহা। তেতিয়া মই কৈছিলো মই নিজৰ এটা ৰাস্তা ল'ব খোজো। পিছত মই এটা উদ্দেশ্যতে ৰাজনীতিত ভৰি দিছো। মোৰ পিতৃয়ে কোৱাৰ দৰে ৰাজনীতি হ'ল ৰাইজক সেৱা কৰা কাম। সেই উদ্দেশ্য লৈয়ে মই ৰাজনীতিলৈ আহিছো। আমাৰ অহংকাৰ নাই।' তেওঁ আৰু কয় যে যোৱা লোকসভা নিৰ্বাচনত কোচ-ৰাজবংশী ছাত্ৰই দাবী কৰিলে যে আমাক জনজাতিকৰণ লাগে। বঙাইগাঁৱত জনজাতিকৰণ বিচাৰি অহা লোকক মাৰ-পিট কৰালে। ড° হিমন্ত বিশ্ব শৰ্মাৰ ইমানে অহংকাৰ যে তেওঁ কৈ দিলে যে বিধানসভাৰ নিৰ্বাচনৰ আগত ছাত্ৰ সংগঠনবোৰে জনজাতিকৰণ বিচৰা নাই। কোচ ৰাজবংশীক উজনি আৰু নামনি বুলি ভাগ কৰি এছটি-পি, এছটি ভি কৰি দিলে।

অসম গণ পৰিষদ দলকো আক্ৰমণ কৰি গৌৰৱ গগৈয়ে কয় যে মই বহুত দলৰ বিষয়ে অধ্যয়ন কৰিছো। কিন্তু অসম গণ পৰিষদৰ দৰে দল দেখা নাই, যিয়ে ক্ষমতাত থকাৰ সময়তো দুৰ্বল হৈছে। ক্ষমতাত থকাৰ সময়ত দল শক্তিশালী, সবল আৰু পৰিসৰ বৃদ্ধি হয়। কিন্তু অসম গণ পৰিষদ দলে ড° হিমন্ত বিশ্ব শৰ্মাৰ সৈতে মিত্ৰতা কৰি দলটোৰে মাথোঁ দুই-তিনিজন নেতাৰ কথা চিন্তা কৰি গোটেই দলটোক ধ্বংস কৰিলে। কংগ্ৰেছৰ সৈতে মিত্ৰতা কৰিলে অগপ দল শক্তিশালী হৈ থাকিলহেঁতেন। ড° হিমন্ত বিশ্ব শৰ্মাৰ সৈতে মিত্ৰতা কৰি আঠুকাঢ়ি দিয়াৰ পিছত ক্ষমতাত থাকিও দুৰ্বল হৈছে। অগপ দলৰ নেতৃত্বক চাই দুখ লাগে। অসমৰ ৰাজনৈতিক ইতিহাসত অসমৰ ভূমিকা আছে, কিন্তু কিছুলোকে অসম চুক্তিক নস্যাৎ কৰা বিজেপি দলক সমৰ্থন দিছে। এয়া লজ্জাজনক। আনহাতে, নিজৰ ভাষণত নিৰ্বাচনী পৰ্যবেক্ষক বন্ধু তিৰ্কীয়ে কয় যে এইবাৰৰ নিৰ্বাচনত অসমৰ ৰাইজে বিজেপিৰ ভ্ৰষ্টাচাৰ আৰু ছিণ্ডিকেটৰাজৰ পৰা নিজকে মুক্ত কৰিবলৈ সংকল্প গ্ৰহণ কৰিব লাগিব। তেওঁ কয় যে ঝাৰখণ্ডত নিৰ্বাচনৰ পূৰ্বে আমাৰ মুখ্যমন্ত্ৰী হেমন্ত ছোৰেনক বিজেপিয়ে ভুৱা গোচৰ জাপি দি জেললৈ পঠিয়াইছিল। তেতিয়াই ঝাৰখণ্ডবাসীয়ে ঠিৰাং কৰিছিল যে ঝাৰখণ্ডত কোনো কাৰণতে বিজেপিক খোপনি পুতিবলৈ দিয়া নহ'ব। আৰু নিৰ্বাচনত ঝাৰখণ্ডবাসীয়ে ঘৃণাৰ ৰাজনীতি কৰা বিজেপিক ভালকৈ এসেকা দিলে। তিৰ্কীয়ে আৰু কয় যে নিৰ্বাচনৰ সময়ত বিজেপিয়ে ঝাৰখণ্ডৰ য'লৈকে যায় তাতেই অনুপ্ৰৱেশকাৰী দেখিছিল। এতিয়া নিৰ্বাচন নাই বাবে অনুপ্ৰৱেশকাৰীৰ কথা পাহৰি গ'ল। নিৰ্বাচন আহিলেই বিজেপিৰ অনুপ্ৰৱেশকাৰীলৈ মনত পৰে বুলিও কয় কংগ্ৰেছ নেতাগৰাকীয়ে। অসমত নিৰ্বাচন আহিছে বাবে অসমতো বিজেপিয়ে অনুপ্ৰৱেশকাৰীৰ কথা কৈ ফুৰিছে। যোৱা ১০ বছৰত নিজৰ চৰকাৰ থাকোতে আজিও কিয় অনুপ্ৰৱেশকাৰী খেদিম বুলি কৈ বিজেপিয়ে ভোট বিচাৰিবলগীয়া হ'ল বুলিও তিৰ্কীয়ে প্ৰশ্ন কৰে। বিজেপিৰ এনে আভুৱা ভৰা কথাত ৰাইজক ভোল নাযাবলৈকো আহ্বান জনায় বন্ধু তিৰ্কীয়ে। আনহাতে, সাংসদ ৰকিবুল হুছেইনে কয় যে হামৰেণ, বিহপুৰীয়া, ৰঙিয়াৰ পিছত আজিৰ সভাখনতো হিলদল ভাঙি মানুহ অহা দেখি শংকিত হৈ পৰিছে। তেওঁ কয় যে বিজেপিৰ সভালৈ এনেকৈ মানুহ আনিবলৈ হ'লে আগতীয়াকৈ গাড়ী ঠিক কৰিবলগীয়া হয়, পইছা বিলাবলগীয়া হয়। কিন্তু কংগ্ৰেছৰ সভালৈ স্বতঃস্ফূৰ্তভাৱে সকলো ঠাইতে মানুহৰ সোঁত বৈছে। বিজেপিয়ে কংগ্ৰেছৰ সভালৈ আহিলে অৰুণোদয় নিদিব বুলি ভয়-ভাবুকি দিলেও মানুহে দৌৰি দৌৰি আহিছে। সেয়ে ৰাতি ৰাতি মুখ্যমন্ত্ৰীৰ টোপনি নাইকিয়া হৈ পৰিছে বুলিও কয় ৰকিবুল হুছেইনে। সভাত বিধায়ক জাকিৰ হুছেইন শিকদাৰ, প্ৰদীপ সৰকাৰ, ৰাজেদ আলী চৌধুৰী, এ কে ৰশ্বিদ, আছিফ নজৰ, আফতাবুদ্দিন মোল্লা, আব্দুল বাতেন, ৰশ্বিদ মণ্ডলকে ধৰি কংগ্ৰেছৰ বহুসংখ্যক জ্যেষ্ঠ নেতা-কৰ্মী উপস্থিত থাকে।


# পাঠশালাত পথ সুৰক্ষাৰ সজাগতামূলক কাৰ্যসূচী



**অসম ভূমি সেৱা, পাঠশালা ঃ** সঘনাই হৈ থকা দূৰ্ঘটনা ৰোধ কৰাৰ বাবে এজাক মুকাভিনয় শিল্পীৰ ভিন্ন অংগী ভংগীৰে পাঠশালাত যোৱা ২৪ জানুৱাৰীত এক ব্যতিক্ৰমী পথ সজাগতা সভা অনুষ্ঠিত হয়। বজালী আৰক্ষীৰ উদ্যোগত আৰু ভট্টদেৱ বিশ্ববিদ্যালয়ৰ সহযোগত পাঠশালাৰ ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ উৰণীয়া সেতুৰ তলত নৃত্যশিল্পী, অভিনেত্ৰী বৰষা শৰ্মাৰ ৰচনা আৰু পৰিচালনাৰে মুকাভিনয়ৰে পথ সুৰক্ষাৰ বাবে বিভিন্ন সজাগতামূলক অংগী-ভংগী প্ৰদৰ্শন কৰি নিজৰ সুৰক্ষাৰ লগতে আনকো সজাগ হবলৈ আহ্বান জনায়। মুকাভিনয় শিল্পীসকলে গানৰ তালে তালে অভিনয়ৰ জৰিয়তে পথ সজাগতাৰ বাবে— 'ছিটবেল্ট পৰিধান কৰি গাড়ী চলাব', 'সুৰাপান কৰি গাড়ী নচলাব', 'তীব্ৰবেগ পৰিহাৰ কৰক দূৰ্ঘটনা এৰাই চলক', 'ভুল দিশেৰে বাহন নচলাব নিজৰ বিপদ চপাই নল'ব' আদি বেনাৰ হাতে হাতে লৈ শিল্পীসকলে ভিন্ন ভংগীমাৰে দূৰ্ঘটনা ৰোধ কৰি নিজৰ লগতে আনৰো জীৱন বচাবলৈ আহ্বান জনোৱা দৃশ্যই উপস্থিত সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হয়। অনুষ্ঠানত বজালী জিলা সদৰ অতিৰিক্ত আৰক্ষী অধীক্ষক ত্ৰিনয়ন ভূঞাই কয় যে চৰকাৰে পথ দূৰ্ঘটনা প্ৰতিৰোধ কৰাৰ ক্ষেত্ৰত নতুন-নতুন আইন বা নীতি নিৰ্দেশনা জাৰি কৰিছে যদিও কমসংখ্যক মানুহেহে এই নীতি-নিয়ম মানি চলা দেখা যায়। এনে এক প্ৰেক্ষাপটতে যোৱা পহিলা জানুৱাৰীৰ পৰা ৩১ জানুৱাৰীলৈ সমগ্ৰ ৰাজ্যতে ৰাষ্ট্ৰীয় পথ সুৰক্ষা মাহ পালন কৰা হৈছে। এই ৰাষ্ট্ৰীয় পথ সুৰক্ষা মাহৰ কাৰ্যসূচী হিচাপে আজি বজালী আৰক্ষীয়ে মুকাভিনয়ৰে ৰাইজক সজাগ কৰিবলৈ প্ৰয়াস কৰিছে বুলি উল্লেখ কৰি নীতি নিয়ম মানি বাহন চলাবলৈ আহ্বান জনাই সকলোকে সজাগ হোৱাৰ লগতে সুৰক্ষিত হৈ থকাৰ কামনা কৰে। অনুষ্ঠানত বজালী জিলা অতিৰিক্ত আৰক্ষী অধীক্ষক ড° নৱমিতা দাস, ভট্টদেৱ বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° পৰাগ বৰ্মন, অধিবক্তা গিৰিধৰ চৌধুৰী, অৱসৰপ্ৰাপ্ত শিক্ষক হিৰণ্য তালুকদাৰকে ধৰি ৰিক্সাচালক, গাড়ীচালক সন্থাৰ সদস্যসকল, আৰক্ষীৰ লোকসকল উপস্থিত থাকে।

## বজালী জিলা বিজেপি যুৱ মৰ্চাৰ সভা

**অসম ভূমি সেৱা, পাঠশালা ঃ** আগন্তুক নিৰ্বাচনক লক্ষ্য কৰি ভাৰতীয় জনতা যুৱ মৰ্চা বজালী জিলাৰ সমিতিৰ উদ্যোগত যোৱা দেওবাৰে পাঠশালাস্থিত বজালী জিলা বিজেপি কাৰ্যালয়ত এখন নিৰ্বাচনী প্ৰস্তুতি সভা অনুষ্ঠিত হয়। সভাত বিজেপি যুৱ মৰ্চাৰ জিলা আৰু মণ্ডল পৰ্যায়ৰ বিষয়ববীয়া, কাৰ্যকৰ্তা তথা সদস্যসকলে অংশগ্ৰহণ কৰে। সভাত আগন্তুক নিৰ্বাচনত দলৰ নীতি-আদৰ্শ জনসাধাৰণৰ মাজলৈ লৈ যোৱা, বুথ পৰ্যায়ত সংগঠন শক্তিশালী কৰা আৰু যুৱ সমাজক অধিক সক্ৰিয়ভাৱে সংযোগ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। সভাত বক্তব্য প্ৰদান কৰি বজালী জিলা যুব মৰ্চাৰ সভাপতি কৌশিক বৰুৱাই কয় যে বিজেপি চৰকাৰৰ উন্নয়নমূলক আঁচনি আৰু সফলতাসমূহ জনসাধাৰণৰ আগত সঠিকভাৱে উপস্থাপন কৰাটো যুৱ মৰ্চাৰ প্ৰধান দায়িত্ব, সেয়েহে আমি সকলো কৰ্মকৰ্তাক ঐক্যবদ্ধভাৱে কাম কৰিবলৈ আহ্বান জনাইছো। সভাৰ অন্তত আগন্তুক দিনসমূহৰ কাৰ্যসূচী সন্দৰ্ভত আলোচনা কৰা হয় আৰু নিৰ্বাচনী প্ৰস্তুতি অধিক গতিশীল কৰাৰ সংকল্প লোৱা হয়।সভাত বজালী জিলা যুৱ মৰ্চাৰ প্ৰভাৰী ভাস্কৰ দাস, ভাৰতীয় জনতা পাৰ্টি বজালী জিলাৰ উপ-সভাপতি সুৰজিৎ পাটগিৰী, যুৱ মৰ্চা বজালী জিলাৰ সাধাৰণ সম্পাদক মৃণাল চৌধুৰী, পাঠশালা মণ্ডলৰ প্ৰভাৰী মানস চৌধুৰী, সহ-প্ৰভাৰী মৃন্ময় পাঠক, পাকা মণ্ডলৰ প্ৰভাৰী অৰ্ণৱ অধিকাৰী, সহ-প্ৰভাৰী নয়ন কাকতি, কাৰ্যালয় সম্পাদক বিশাল ভৰদ্বাজ, পাটাছাৰকুছি মণ্ডলৰ প্ৰভাৰী ৰাজদ্বীপ শৰ্মা, বজালী মণ্ডলৰ প্ৰভাৰী হিমাংশু কলিতা উপস্থিত থাকে।



অসম ভূমি ■ ২৮ জানুৱাৰী, ২০২৬ ■

সম্পাদকৰ মেজৰ পৰা...

# জল সংৰক্ষণৰ প্ৰয়োজনীয়তা

পৃথিৱীত জীৱকুলৰ অস্তিত্ব ৰক্ষাৰ বাবে পানীৰ প্ৰয়োজন। পানীবৰ্জিত পৃথিৱী এখন কল্পনা কৰা কঠিন। প্ৰকৃতিৰ উৎসৰ পৰাই পানী আহৰণ কৰা হয় আৰু জীৱ সৃষ্টিৰ দিনৰে পৰা সেই পানী নানা কামত ব্যৱহাৰ হৈ আহিছে। মানুহৰ অস্তিত্ব ৰক্ষাৰ বাবে অত্যাৱশ্যকীয় পানী নানা প্ৰকাৰে প্ৰদূষণৰ প্ৰভাৱত পৰি ব্যৱহাৰৰ অনুপযোগী হৈ পৰা দেখা যায়। পানী প্ৰদূষিত হোৱাৰ কেতবোৰ প্ৰাকৃতিক কাৰণ থাকিলেও মানুহৰ অত্যাচাৰেই পানী প্ৰদূষণৰ মূল কাৰকৰূপে চিহ্নিত হৈছে। কল-কাৰখানাৰ সংখ্যা বৃদ্ধি পানী প্ৰদূষণৰ অন্যতম কাৰক। এনে অনেক উদ্যোগ আছে, যিবোৰ চলাবলৈ প্ৰচুৰ পৰিমাণে বিশুদ্ধ পানীৰ প্ৰয়োজন। নদীৰ দৰে প্ৰৱহমান প্ৰাকৃতিক উৎসৰ পৰাই উদ্যোগবোৰে আৱশ্যকীয় পানী আহৰণ কৰে আৰু উদ্যোগত ব্যৱহাৰৰ পিছত বৰ্জ্য পদাৰ্থ হিচাপে পুনৰ নদীত এৰি দিয়ে। ফলত ভাটীৰ ফালে নদীৰ পানী প্ৰদূষিত হৈ পৰে আৰু জনস্বাস্থ্যৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰে। সেইবাবেই প্ৰদূষিত পানী শোধন কৰিহে পুনৰ জলপ্ৰবাহত নিক্ষেপ কৰাটো বাধ্যতামূলক কৰা হৈছে। বিশুদ্ধ আৰু মানুহৰ ব্যৱহাৰৰ উপযোগী পানীৰ চাহিদা বৃদ্ধিৰ পৰিপ্ৰেক্ষিতত সভ্য দেশৰ চৰকাৰসমূহে এনে সময়োপযোগী পদক্ষেপ গ্ৰহণ কৰিছে। মন কৰিবলগা কথা যে পৃথিৱীৰ চাৰিভাগৰ তিনিভাগ পানীৰে আবৰি থকাৰ পাছতো ব্যৱহাৰৰ উপযোগী পানী বিচাৰি মানুহে হাহাকাৰ কৰিব লগা হৈছে। মানুহৰ শৰীৰৰ ৬০ শতাংশ পানীৰে গঢ়া। মানুহৰ উপৰি সকলো প্ৰজাতিৰ উদ্ভিদ, জলচৰ, উভচৰ আদি প্ৰাণী, ক্ষুদ্ৰাতিক্ষুদ্ৰ বেক্টেৰিয়াৰ পৰা অতিকায় প্ৰাণীলৈকে সকলোৰে সৃষ্টি আৰু বৰ্তি থকাৰ বাবে পানীৰ ওপৰত নিৰ্ভৰ কৰে। আদিম যুগৰে পৰা মানৱ জাতিয়ে বাসস্থানৰ স্থান বাছনি কৰোতে পানীৰ উপলব্ধতাৰ ওপৰত গুৰুত্ব দি আহিছে। প্ৰস্তৰ যুগৰ মানুহে যেতিয়া খাদ্য উৎপাদনৰ পদ্ধতি নাজানিছিল আৰু চিকাৰ কৰি উদৰ পূৰণ কৰিছিল, সেই সময়তো জলৰ উৎসৰ ওচৰৰ গুহাতহে বসতি কৰিছিল। সেইবাবেই আটাইবোৰ প্ৰাচীন সভ্যতা গঢ় উঠিছিল নদীক কেন্দ্ৰ কৰি। প্ৰকৃতিয়ে যদিও প্ৰাণী জগতৰ বাবে অফুৰন্ত পানীৰ ভাণ্ডাৰ সৃষ্টি কৰিছে তাৰ মাত্ৰ তিনি শতাংশ পানীহে মানুহে ব্যৱহাৰ কৰিব পাৰে। সেইখিনি পানীৰেই মানুহে খোৱাৰ উপৰি দৈনন্দিন সকলো কাম-কাজ সম্পন্ন কৰিব লাগে। কিন্তু পৰিতাপৰ কথা পানীৰ অপচয় ৰোধ কৰাৰ আমাৰ সমাজত যথেষ্ট সজাগতাৰ সৃষ্টি হোৱা নাই। আনহাতে, বিশ্বৰ কিছুমান দেশত প্ৰাকৃতিক উৎসৰ পৰাই মানুহৰ প্ৰয়োজনীয় পৰিমাণৰ পানী উপলব্ধ হয় আৰু আন কেতবোৰ দেশত কোনো নৈ, নিজৰা বা আন প্ৰাকৃতিক উৎস নাই। বৰষুণৰ পানী সংৰক্ষণ কৰিয়েই সেইবোৰ দেশত পানীৰ অভাৱৰ জোৰা মৰা হয়। এই অৱস্থাৰ পৰিপ্ৰেক্ষিতত জল সংৰক্ষণৰ প্ৰতি বিশ্ব সম্প্ৰদায়ৰ দৃষ্টি আকৰ্ষিত হৈছে। মানৱসৃষ্ট কাৰণত প্ৰাকৃতিক উৎসত উপলব্ধ পানী যাতে দূষিত হৈ মানুহৰ ব্যৱহাৰৰ অনুপযোগী হৈ নপৰে, তাৰ বাবে আন্তৰ্জাতিক পৰ্যায়ত চেষ্টা আৰম্ভ হৈছে। পানীৰ অপচয় ৰোধ আৰু পানীৰ উৎসসমূহ প্ৰদূষণমুক্ত কৰি ৰখাৰ প্ৰতি প্ৰতিগৰাকী নাগৰিক সজাগ হয়, তাৰ বাবে প্ৰচাৰ চলাবলৈ প্ৰতি বছৰে ২২ মাৰ্চত জল সংৰক্ষণ দিৱস পালন কৰা হৈ আহিছে। জল সংৰক্ষণ দিৱস পালন কৰাটোৱে যথেষ্ট নহয়। জল সংৰক্ষণক এক বছৰজোৰা অভিযান হিচাপে গ্ৰহণ কৰি প্ৰতিজন নাগৰিকক ইয়াৰ সৈতে যুক্ত কৰিব লাগিব। বিশেষকৈ মহিলাসকলক জল সংৰক্ষণৰ প্ৰয়োজনীয়তাৰ বিষয়ে সজাগ কৰিব লাগিব।

*সাংস্কৃতিক ক্ষেত্ৰতো ২০২৫ চনত এক গুৰুত্বপূৰ্ণ প্ৰকল্পৰ আৰম্ভণি হৈছে। সেয়া হৈছে বটদ্ৰৱা সাংস্কৃতিক প্ৰকল্প। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান নগাঁও জিলাৰ বৰদোৱাত এই বিশাল প্ৰকল্পৰ কাম আৰম্ভ হৈছে। প্ৰায় ৫০০ কোটি টকাৰ এই প্ৰকল্পত এক আধুনিক সংগ্ৰহালয়, থিয়েটাৰ, গ্ৰন্থাগাৰ, অতিথিশালা আৰু সাংস্কৃতিক প্ৰদৰ্শনী কেন্দ্ৰ নিৰ্মাণ কৰা হ'ব। বটদ্ৰৱা থানক বিশ্বমানৰ তীৰ্থস্থান হিচাপে গঢ়ি তোলাৰ লক্ষ্যৰে এই প্ৰকল্পই অসমৰ বৈষ্ণৱ সংস্কৃতি আৰু শংকৰদেৱৰ দৰ্শনক বিশ্বৰ আগত প্ৰচাৰ কৰিব। উক্ত প্ৰকল্পই পৰ্যটনকো উৎসাহিত কৰিব আৰু স্থানীয় লোকৰ বাবে নতুন কৰ্মসংস্থানৰ সৃষ্টি কৰিব। শংকৰদেৱৰ নামঘৰ, সত্ৰ পৰম্পৰা আৰু অংকীয়া ভাওনাৰ ঐতিহ্যক সংৰক্ষণ কৰি এই কেন্দ্ৰই অসমৰ সাংস্কৃতিক পৰিচয়ক নতুন প্ৰজন্মৰ আগত জীৱন্ত কৰি ৰাখিব।*

# বিকাশৰ গতি-সাংস্কৃতিক শূন্যতা

সত্যব্ৰত বৰা

২০২৫ চনটো অসমৰ বিকাশৰ যাত্ৰাৰ এক গুৰুত্বপূৰ্ণ বৰ্ষ হিচাপে চিহ্নিত হৈ ৰ'ব। এই বৰ্ষটোত ৰাজ্যখনে সংযোগ ব্যৱস্থাৰ উন্নয়ন, অৰ্থনৈতিক বৃদ্ধি, পৰ্যটনৰ প্ৰসাৰ আৰু সাংস্কৃতিক কাৰ্যকলাপৰ ক্ষেত্ৰত উল্লেখযোগ্য অগ্ৰগতি লাভ কৰিছে। যদিও বৰ্ষটোৰ শেষৰ ফালে কেইগৰাকীমান প্ৰিয় ব্যক্তিৰ মৃত্যুৱে গভীৰ শোকৰ ছাঁ পেলাইছে, তথাপি অসমে স্থিৰ গতিৰে আগবাঢ়ি গৈছে আৰু নতুন আত্মবিশ্বাসেৰে ভৱিষ্যতৰ দিশে চাইছে। ২০২৫ চনটোৱে অসমক উত্তৰ-পূবৰ দুৱাৰমুখ হিচাপে অধিক শক্তিশালী কৰি তুলিছে আৰু ভাৰতৰ বিকশিত ৰাষ্ট্ৰৰ সপোনত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিবলৈ সাজু কৰিছে।

বৰ্ষটোৰ আৰম্ভণিতে ফেব্ৰুৱাৰী মাহত অনুষ্ঠিত 'এডভাণ্টেজ আছাম ২.০' বিনিয়োগ আৰু সংযোগ শৃংখলা সন্মিলনে ৰাজ্যখনৰ অৰ্থনীতিক নতুন গতি প্ৰদান কৰিছে। প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে উদ্বোধন কৰা এই সন্মিলনত প্ৰায় ৪.৯১ লাখ কোটি টকাৰ বিনিয়োগ প্ৰস্তাৱ স্বাক্ষৰিত হৈছে। চাহ, পৰ্যটন আৰু বাণিজ্যৰ লগতে সংযোগ ব্যৱস্থা, উদ্যোগ আৰু বিনিয়োগৰ ওপৰত গুৰুত্ব দি এই সন্মিলনে অসমক দক্ষিণ-পূব এছিয়াৰ সৈতে সংযোগ কৰাৰ নতুন পথ মুকলি কৰিছে। টাটা, আদানি আৰু অন্যান্য ডাঙৰ কোম্পানীৰ প্ৰতিশ্ৰুতিয়ে অসমৰ উদ্যোগীকৰণক ত্বৰান্বিত কৰিছে। এই বিনিয়োগে নতুন কৰ্মসংস্থানৰ সৃষ্টি কৰি যুৱশক্তিক নতুন সম্ভাৱনা প্ৰদান কৰিব আৰু ৰাজ্যৰ অৰ্থনীতিক দ্বিগুণ কৰাৰ লক্ষ্যত অৰিহণা আগবঢ়াব।

সংযোগ ব্যৱস্থাৰ উন্নয়ন ২০২৫ চনৰ অন্যতম গুৰুত্বপূৰ্ণ দিশ আছিল। ডিচেম্বৰ মাহত প্ৰধান মন্ত্ৰীয়ে উদ্বোধন কৰা গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমানবন্দৰৰ নতুন টাৰ্মিনেল ভৱনটোৱে অসমৰ সংযোগক নতুন মাত্ৰা দিছে। বাঁহ আৰু কপৌ ফুলৰ পৰা প্ৰেৰণা লৈ নিৰ্মিত এই আধুনিক টাৰ্মিনেলে বছৰি ১.৩ কোটি যাত্ৰীক সেৱা আগবঢ়াব পৰা ক্ষমতাৰে অসমক আন্তৰ্জাতিক পৰ্যায়ত স্থাপিত কৰিব। উক্ত টাৰ্মিনেলে কেৱল যাতায়াত সহজ কৰাই নহয়, পৰ্যটন আৰু বাণিজ্যকো উৎসাহিত কৰিছে। লগতে ব্ৰহ্মপুত্ৰ নদীত নতুন ঘাট আৰু টাৰ্মিনেলৰ উন্নয়নে নদীপথৰ সম্ভাৱনাক জাগ্ৰত কৰিছে। হাজাৰ হাজাৰ কিলোমিটাৰ নতুন ৰাস্তা আৰু দলং নিৰ্মাণে গ্ৰাম্য অঞ্চলক নগৰৰ সৈতে সংযোগ কৰিছে। ফলত সামগ্ৰীৰ পৰিবহণ সহজ হ'ব আৰু অৰ্থনৈতিক কাৰ্যকলাপ বৃদ্ধি পাব।



পৰ্যটন খণ্ডই ২০২৫ চনত অভূতপূৰ্ব বৃদ্ধি লাভ কৰিছে। নিউয়ৰ্ক টাইমছৰ শ্ৰেষ্ঠ গন্তব্যস্থানৰ তালিকাত অসমে উল্লেখযোগ্য স্থান লাভ কৰিছে। কাজিৰঙা, মানস আৰু মাজুলীৰ দৰে স্থানত পৰ্যটকৰ সংখ্যা বৃদ্ধি পোৱাৰ লগতে ইক' ৰিজৰ্ট আৰু লাক্সাৰী হোটেলৰ উন্নয়নে অসমক বিশ্ব পৰ্যটন মানচিত্ৰত স্থান দিছে। চাহ পৰ্যটন আৰু সাংস্কৃতিক উৎসৱৰ প্ৰচাৰে স্থানীয় অৰ্থনীতিক শক্তিশালী কৰিছে। পৰ্যটন বৃদ্ধিয়ে কেৱল ৰাজহ বৃদ্ধি কৰাই নহয়, অসমৰ ঐতিহ্য আৰু প্ৰকৃতিৰ সৌন্দৰ্যক বিশ্বৰ আগত প্ৰকাশ কৰিছে।

সাংস্কৃতিক ক্ষেত্ৰতো ২০২৫ চনত এক গুৰুত্বপূৰ্ণ প্ৰকল্পৰ আৰম্ভণি হৈছে। সেয়া হৈছে বটদ্ৰৱা সাংস্কৃতিক প্ৰকল্প। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান নগাঁও জিলাৰ বৰদোৱাত এই বিশাল প্ৰকল্পৰ কাম আৰম্ভ হৈছে। প্ৰায় ৫০০ কোটি টকাৰ এই প্ৰকল্পত এক আধুনিক সংগ্ৰহালয়, থিয়েটাৰ, গ্ৰন্থাগাৰ, অতিথিশালা আৰু সাংস্কৃতিক প্ৰদৰ্শনী কেন্দ্ৰ নিৰ্মাণ কৰা হ'ব। বটদ্ৰৱা থানক বিশ্বমানৰ তীৰ্থস্থান হিচাপে গঢ়ি তোলাৰ লক্ষ্যৰে এই প্ৰকল্পই অসমৰ বৈষ্ণৱ সংস্কৃতি আৰু শংকৰদেৱৰ দৰ্শনক বিশ্বৰ আগত প্ৰচাৰ কৰিব। উক্ত প্ৰকল্পই পৰ্যটনকো উৎসাহিত কৰিব আৰু স্থানীয় লোকৰ বাবে নতুন কৰ্মসংস্থানৰ সৃষ্টি কৰিব। শংকৰদেৱৰ নামঘৰ, সত্ৰ পৰম্পৰা আৰু অংকীয়া ভাওনাৰ ঐতিহ্যক সংৰক্ষণ কৰি এই কেন্দ্ৰই অসমৰ সাংস্কৃতিক পৰিচয়ক নতুন প্ৰজন্মৰ আগত জীৱন্ত কৰি ৰাখিব।

শিক্ষা আৰু স্বাস্থ্যৰ ক্ষেত্ৰতো ধাৰাবাহিক অগ্ৰগতি হৈছে। নতুন চিকিৎসা মহাবিদ্যালয় আৰু জিলা চিকিৎসালয়ৰ সম্প্ৰসাৰণে গ্ৰাম্য অঞ্চলত স্বাস্থ্যসেৱা উন্নত কৰিছে। ডিজিটেল শাসন আৰু দক্ষতা বিকাশৰ কাৰ্যসূচীয়ে যুৱশক্তিক সবল কৰিছে। পৰিৱেশ সংৰক্ষণৰ দিশতো সচেতন পদক্ষেপ লোৱা হৈছে, যেনে সৌৰ শক্তিৰ প্ৰকল্প আৰু জলবায়ু পৰিৱৰ্তনৰ প্ৰভাৱ হ্ৰাসৰ কাৰ্যক্ৰম।

কিন্তু এই উন্নয়নৰ মাজতো ২০২৫ চনটো অসমৰ বাবে গভীৰ শোকৰ বৰ্ষ হৈ পৰিছে। সাংস্কৃতিক জগতৰ কেইগৰাকীমান মহান ব্যক্তিৰ মৃত্যুৱে ৰাজ্যখনক শোক সাগৰত ডুবাইছে। ছেপ্টেম্বৰ মাহত ছিংগাপুৰত অতি ৰহস্যজনকভাৱে মৃত্যু হোৱা জুবিন গাৰ্গৰ ঘটনাই সমগ্ৰ অসমক স্তব্ধ কৰি তুলিছে।

■ ১২ পৃষ্ঠাত

*অসমৰ মাটি আৰু জলবায়ু পৃথিৱীৰ ভিতৰতে অন্যতম শ্ৰেষ্ঠ কৃষি উপযোগী হোৱা সত্ত্বেও আমাৰ বজাৰবোৰ বহিঃৰাজ্যৰ চালানী মাছ, কণী, ব্ৰইলাৰ মাংস আৰু ৰাসায়নিক সাৰযুক্ত শাক-পাচলিৰে ভৰি থাকে। অন্ধ্ৰপ্ৰদেশৰ পৰা অহা ফৰ্মেলিনযুক্ত মাছ, কানপুৰ বা বিহাৰৰ পৰা অহা আলু-পিঁয়াজ আৰু পশ্চিমবংগৰ পৰা অহা কণীৰ ওপৰত নিৰ্ভৰ কৰি জীয়াই থকাটো আমাৰ বাবে এক নিয়মীয়া অভ্যাসলৈ পৰিণত হৈছে। এই পৰিঘটনাই কেৱল আমাৰ এলাহ বা অকৰ্মণ্যতাকে সূচায় তেনে নহয়, ই আমাৰ কৃষি পৰিকল্পনাৰ চৰম ব্যৰ্থতাৰো পৰিচায়ক। আমাৰ কৃষকসকলে এতিয়াও কেৱল নিজৰ পৰিয়ালৰ প্ৰয়োজন পূৰাব পৰাকৈহে খেতি কৰে বা পুৰণি পদ্ধতিৰে খেতি কৰে আৰু বজাৰৰ বিশাল চাহিদা অনুধাৱন কৰি ব্যৱসায়িক ভিত্তিত উৎপাদন কৰাত ব্যৰ্থ হৈছে। যেতিয়া আমি আমাৰ নিজৰ পথাৰত শস্য উৎপাদন কৰিব নোৱাৰো।*



# বহিঃৰাজ্যৰ সামগ্ৰীৰ ওপৰত অসমৰ নিৰ্ভৰশীলতা

হিমাংশু ৰঞ্জন ভূঞা

অসমৰ অৰ্থনৈতিক বুনিয়াদৰ বৰ্তমানৰ স্বৰূপটো চালি-জাৰি চালে এক অত্যন্ত উদ্বেগজনক আৰু ভয়াৱহ বাস্তৱ আমাৰ চকুত পৰে, যিটো হ'ল ৰাজ্যখনৰ দৈনন্দিন জীৱন ধাৰণৰ বাবে প্ৰয়োজনীয় প্ৰায় ৯০ শতাংশ সামগ্ৰীৰ ক্ষেত্ৰতে বহিঃৰাজ্যৰ ওপৰত আমাৰ চৰম আৰু অসহায় নিৰ্ভৰশীলতা। এই নিৰ্ভৰশীলতা কেৱল বজাৰৰ সাধাৰণ বেচা-কিনাৰ মাজতে আবদ্ধ হৈ থকা নাই; বৰঞ্চ ই অসমীয়া জাতিৰ স্বাভিমান আৰু অৰ্থনৈতিক মেৰুদণ্ডত ঘুণে ধৰাৰ দৰে ক্ৰমান্বয়ে ফোঁপোলা কৰি পেলাইছে। ৰাতিপুৱা টোপনিৰ পৰা সাৰ পোৱাৰ মুহূৰ্তটোৰ পৰা আৰম্ভ কৰি ৰাতি পুনৰ বিছনাত পৰালৈকে এজন অসমীয়া মানুহে যিবোৰ সামগ্ৰী ব্যৱহাৰ কৰে, তাৰ তালিকাখন প্ৰস্তুত কৰিলে দেখা যায় যে আমাৰ নিজৰ বুলিবলৈ তাত প্ৰায় একোৱেই নাই। দাঁত ঘঁহা মাজন, গা ধোৱা চাবোন, গাত সনা তেল, পিন্ধা কাপোৰ, জোতা, চাউল-দাইল, শাক-পাচলি, ঘৰ সজা সামগ্ৰী, আনকি ধৰ্মীয় কামত ব্যৱহাৰ কৰা ধূপকাঠী আৰু মূৰ্তিলৈকে সকলোবোৰেই আহে হাজাৰ হাজাৰ মাইল দূৰৈৰ পৰা। এই পৰিস্থিতিয়ে কেৱল যে আমাৰ ৰাজ্যৰ ধনৰ ভঁৰাল উদং কৰিছে তেনে নহয়, ই আমাৰ নিজস্ব উৎপাদন ক্ষমতা, উদ্ভাৱনী শক্তি আৰু কৰ্মস্পৃহাকো তিল তিলকৈ হত্যা কৰিছে। এখন ৰাজ্য যি প্ৰাকৃতিক সম্পদত চহকী, য'ত উৰ্বৰ মাটি আৰু পৰ্যাপ্ত পানী আছে, তেনে এখন ৰাজ্যই যদি নিজৰ প্ৰয়োজনীয় সামান্য সামগ্ৰীখিনিৰ বাবেও আনৰ মুখলৈ চাই থাকিবলগীয়া হয়, তেন্তে সেই জাতিৰ অৰ্থনৈতিক ভৱিষ্যৎ যে অন্ধকাৰাচ্ছন্ন, সেয়া সহজেই অনুমেয়। আমি আচলতে এতিয়া কেৱল এটা উপভোক্তা বা গ্ৰাহক সমাজলৈ পৰিণত হৈছো, য'ত আমাৰ ভূমিকা কেৱল আনৰ দ্বাৰা উৎপাদিত সামগ্ৰী কিনি ব্যৱহাৰ কৰা; কিন্তু সৃষ্টি কৰা নহয়। এই 'কিনি খোৱা' মানসিকতাই আমাক এনে এক পৰ্যায়লৈ লৈ গৈছে য'ত আমি আমাৰ অৰ্থনৈতিক পৰাধীনতাক স্বাভাৱিক বুলি মানি ল'বলৈ আৰম্ভ কৰিছো আৰু ইয়েই আমাৰ জাতীয় জীৱনৰ আটাইতকৈ ডাঙৰ বিড়ম্বনা।

অসমৰ মাটি আৰু জলবায়ু পৃথিৱীৰ ভিতৰতে অন্যতম শ্ৰেষ্ঠ কৃষি উপযোগী হোৱা সত্ত্বেও আমাৰ বজাৰবোৰ বহিঃৰাজ্যৰ চালানী মাছ, কণী, ব্ৰইলাৰ মাংস আৰু ৰাসায়নিক সাৰযুক্ত শাক-পাচলিৰে ভৰি থাকে। অন্ধ্ৰপ্ৰদেশৰ পৰা অহা ফৰ্মেলিনযুক্ত মাছ, কানপুৰ বা বিহাৰৰ পৰা অহা আলু-পিঁয়াজ আৰু পশ্চিমবংগৰ পৰা অহা কণীৰ ওপৰত নিৰ্ভৰ কৰি জীয়াই থকাটো আমাৰ বাবে এক নিয়মীয়া অভ্যাসলৈ পৰিণত হৈছে। এই পৰিঘটনাই কেৱল আমাৰ এলাহ বা অকৰ্মণ্যতাকে সূচায় তেনে নহয়, ই আমাৰ কৃষি পৰিকল্পনাৰ চৰম ব্যৰ্থতাৰো পৰিচায়ক। আমাৰ কৃষকসকলে এতিয়াও কেৱল নিজৰ পৰিয়ালৰ প্ৰয়োজন পূৰাব পৰাকৈহে খেতি কৰে বা পুৰণি পদ্ধতিৰে খেতি কৰে আৰু বজাৰৰ বিশাল চাহিদা অনুধাৱন কৰি ব্যৱসায়িক ভিত্তিত উৎপাদন কৰাত ব্যৰ্থ হৈছে। যেতিয়া আমি আমাৰ নিজৰ পথাৰত শস্য উৎপাদন কৰিব নোৱাৰো, তেতিয়া আমি আমাৰ খাদ্য সুৰক্ষাৰ চাবিকাঠীটো আনৰ হাতত তুলি দিওঁ। বহিঃৰাজ্যৰ পৰা অহা খাদ্য-সামগ্ৰীত সংৰক্ষণৰ বাবে ব্যৱহাৰ কৰা মাৰাত্মক ৰাসায়নিক দ্ৰব্যই আমাৰ জনস্বাস্থ্যৰ প্ৰতি ভাবুকি কঢ়িয়াই অনাৰ লগতে সেইবোৰ ক্ৰয় কৰিবলৈ আমি খৰচ কৰা হাজাৰ হাজাৰ কোটি টকা প্ৰতি বছৰে ৰাজ্যৰ বাহিৰলৈ গুচি যায়। এই ধনেৰে যদি আমি আমাৰ কৃষি আন্তঃগাঁথনি আৰু শীতাতপ নিয়ন্ত্ৰিত ভঁৰাল গঢ়ি তোলো, তেন্তে আমি কেৱল আত্মনিৰ্ভৰশীল হোৱাই নহয়, বৰঞ্চ খাদ্য ৰপ্তানি কৰিব পৰা অৱস্থাতো উপনীত হ'ব পাৰিলোহেঁতেন। কিন্তু দুৰ্ভাগ্যৰ বিষয় যে চৰকাৰী আঁচনি আৰু ব্যক্তিগত প্ৰচেষ্টাৰ অভাৱত আমাৰ উৰ্বৰ পথাৰবোৰ শীতকালত ছন পৰি থাকে আৰু সেই একে সময়তে বজাৰত বহিঃৰাজ্যৰ শাক-পাচলিৰ পয়োভৰ ঘটে, যিটো আমাৰ অৰ্থনীতিৰ বাবে এক চৰম লজ্জাজনক কথা।

ঔদ্যোগিক খণ্ডত অসমৰ অৱস্থা আৰু অধিক শোচনীয় আৰু চিন্তনীয়, য'ত উৎপাদনমুখী উদ্যোগৰ পৰিৱৰ্তে আমি কেৱল এখন বিশাল বজাৰ বা ট্ৰেডিং হাব হিচাপেহে জীয়াই আছো। আমাৰ ইয়াত যিখিনি উদ্যোগ আছে, তাৰ সৰহভাগেই হৈছে চাহ আৰু তেলৰ দৰে প্ৰাকৃতিক সম্পদৰ আহৰণভিত্তিক, কিন্তু উপভোক্তা সামগ্ৰী বা মানুহে সচৰাচৰ ব্যৱহাৰ কৰা বস্তুৰ উৎপাদনৰ ক্ষেত্ৰত আমি শূন্যৰ কোঠাত আছো। আমি কেঁচামাল উৎপাদন কৰো, কিন্তু সেই কেঁচামাল ব্যৱহাৰ কৰি ব্যৱহাৰযোগ্য সামগ্ৰী বা 'ফিনিছড প্ৰডাক্ট' প্ৰস্তুত কৰাৰ ক্ষমতা আমাৰ নাই। ইয়াৰ ফলত সৃষ্টি হোৱা পৰিস্থিতিটো বৰ বিচিত্ৰ। আমি আমাৰ চাহপাত বা আন কেঁচামাল নামমাত্ৰ মূল্যত বাহিৰলৈ পঠিয়াব লাগে আৰু তাৰ পৰা প্ৰস্তুত কৰা পেকেটত ভৰোৱা সুদৃশ্য সামগ্ৰীবোৰ দহগুণ বেছি দামত পুনৰ কিনিব লাগে। কাপোৰৰ কল, প্লাষ্টিক উদ্যোগ, খাদ্য প্ৰক্ৰিয়াকৰণ, বৈদ্যুতিক সঁজুলি নিৰ্মাণ আদি খণ্ডত স্থানীয় উদ্যোগ গঢ়ি নুঠা বাবে আমাৰ যুৱচামে কৰ্মসংস্থাপন হেৰুৱাইছে। যিহেতু উৎপাদন আমাৰ হাতত নাই, সেয়েহে সামগ্ৰীৰ দাম নিৰ্ধাৰণ কৰাৰ ক্ষমতাও আমাৰ হাতত নাথাকে। আমি কেৱল

■ ১৩ পৃষ্ঠাত





# মোৰ নিৰুদ্দেশৰ খবৰ

**কৰবী দত্ত**


সমাগমে ঢুকি নোপোৱা একাকীত্বই
নিশাবোৰ চেপি চেপি
কঙাল কৰিছে মোৰ প্ৰতিটো সূৰ্যোদয়ৰ উৎসৱ।

মই মোক ক'ত বিচাৰি পাম?
ৰ'দমুৱা হাঁহিবোৰত,
বৰষুণত তিতা কোনোবাটো উদাস সন্ধিয়াত,
ভাটিবেলাৰ পথিকৰ শুকান চকুবোৰত,
মোৰ নিষিদ্ধ ডায়েৰীৰ
দৈনন্দিন আঁক-বাঁক পৃষ্ঠাবোৰত...
নে সদ্যবিধৱা গাভৰুৰ ৰঙা ফোঁটটোৰ বিদ্ৰোহত?

মই যে মোক হেৰুৱাই আহিলো ক'ৰবাত
য'ত মোৰ হেৰুৱাৰ কোনো স্বত্ব নাছিল।
ঠিক সজাৰ চৰাইটোৰ দৰে,
যি ক্ৰমে পাহৰি পেলাইছে আকাশৰ ঠিকনা;
কাষ চাপিব খুজিও
ক্ৰমশঃ মই মোৰ পৰা আঁতৰি আহিছো।

আইনাৰ ঘৰৰ ৰঙীন কংক্ৰিটত
বাধ্যবাধকতাৰে উশাহ সলোৱা
নিৰ্দোষী মাছকেইটাৰ দৰে—
বাধ্যবাধকতাৰ শিকলিয়ে ধৰি ধৰি
এতিয়া মোক খোজ কঢ়ায়
স্বাৰ্থপৰ মানুহৰ পৃথিৱীত।

এতিয়া সেই নিৰ্দোষী হাঁহিবোৰে
মোক কটাক্ষ কৰে,
যিবোৰৰ গৰাকী এদিন ময়ো আছিলো।



# হেঁপাহেৰে তোমালৈ

**মেৰী বৰদলৈ**

সেই যে
আবতৰীয়া পছোৱাজাকে
দি যোৱা এমুঠি মিঠা অনুৰাগ
তোমাৰ পৰা মোৰ
হৃদয়লৈ...
এটি শ্ৰেষ্ঠতম উপহাৰ
জানানে জান
আজি তাকেই লিখি
অসম ভূমি কাকতলৈ
প্ৰেৰণ কৰিছো...।

ফাগুন মোৰ বৰ প্ৰিয় জানা
মোৰ জন্ম ফাগুনতেই
মোৰ বুকুতো সংগোপনে আহি
থিতাপি লৈছিলা ফাগুনতে
তুমিয়েই
মোৰ সহস্ৰ আৱেগ-অনুভূতিবোৰ
উজাৰি দিব পৰাকৈ
এখনি বিশাল হৃদয় দিছিল ফাগুনে
আৰু! আৰু...
সেই বিশালতাৰ গৰাকীয়েই
হ'লা তুমিজনী
নাম তোমাৰ ৰূপালী
মোৰ হিয়াৰ লগৰী,
জানানে জান...
আজি হেঁপাহেৰে তোমালৈ বুলি
অসম ভূমি কাকতলৈ
এটি কবিতা প্ৰেৰণ কৰিছো
নাজানো আদৰি
লয় নে নলয়
হৃদয়ত মাথোঁ বিশ্বাস অযুত
বিশ্বাস অযুত!



# জ্ঞানৰ মুকলি পথাৰ

**আয়শা ছিদ্দিকা**

সৌ খালী পথাৰৰ মাজেৰে
বজাৰ এখনত গৈছিলো
বজাৰখন আছিল জ্ঞানৰ বজাৰ।

সন্মান বুটলি শ্ৰদ্ধা নিগৰাইছে
মৰমৰ টোপোলাৰে সমৃদ্ধ
ভিন্ন ৰঙৰ জ্ঞানৰ টোপাল
বিক্ৰী কৰি আছিল।

সুধিলো এটোপাল জ্ঞানৰ
মূল্য বাৰু কিমান...?
উত্তৰ স্বৰূপ আহিল
কিঞ্চিৎ সময়ৰ মূল্যৰে
ক্ৰয় কৰিব পাৰা এই জ্ঞান।

ৰং বিৰঙৰ সজ্জা পৰিহিত
ভিন্ন সুৰৰ ঝংকাৰে যেন
বজাৰখন আৰু আকৰ্ষণীয় ৰূপত
উপস্থাপন কৰি তুলিছে পথাৰখনত।

তাতে আকৌ ক্ষণিকতে প্ৰয়াত
হাৰ্টথ্ৰ'বৰ সোঁৱৰণী মঞ্চখনত
তাৰে ভিন্ন ভাষাৰ গীত গাই
তেখেতৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

তেখেতৰ ৰহস্যজনক মৃত্যুৰ
ন্যায় পোৱাৰ আশাৰ ৰেঙনি স্পষ্ট হয়
অসমৰ এক আজীৱন অক্ষত
প্ৰচ্ছন্ন অভেদ্য যন্ত্ৰণা।



# স্বাগতম জনালো তোমাক ২০২৬

**ৰাজ্জাক আলী**

আকৌ নতুনকৈ চুমহি তোমাক,
নতুন আশা আৰু ভাৰসা লৈ...

বিগত বৰ্ষত প্ৰাপ্তি সামান্য,
হেৰুৱালো  কিন্তু অজস্ৰ...
বৰ্ষটো অতিকৈ বিষাদৰ আছিল আমাৰ বাবে...

নতুন বৰ্ষত
চৌদিশে  সততাৰ সুবাস প্ৰবাহিত হওঁক
মন আৰু হৃদয় কিছুমানত থকা
প্ৰদূষণবোৰ পৰিষ্কাৰ হৈ ফৰকাল ৰূপ লওক...
আমি প্ৰতিটো খোজতে নিজৰ পঞ্চইন্দ্ৰিয়
অন্যৰ অধীন হোৱাৰ পৰা সাৱধান হ'ব লাগিব...

নতুন বৰ্ষত কেৱল মাথোঁ
সুগন্ধি চিন্তাধাৰেৰে উপচি পৰক মানৱ জীৱন
লগতে প্ৰকৃতি চৌপাশে সৌন্দৰ্যশালী হৈ পৰক...


হে ২০২৬ বৰ্ষত খোজ দিয়া ইংৰাজী নৱবৰ্ষ
তোমাৰ পৰা মাথোঁ শুদ্ধতা, মানৱতা,
ভালপোৱা তথা ইতিবাচক সময় আৰু দিনবোৰ
বিচাৰো...




# প্ৰেম অতি সুন্দৰ বস্তু... যদি সঠিক ব্যক্তিৰ সৈতে হয়

**চিমি বৰুৱা**

প্ৰেম সঁচাকৈয়ে বৰ আচৰিত, নহয়নে?
এক অবুজ অথচ এক অনন্য সুন্দৰ অনুভৱ।
ইয়াৰ কোনো সংজ্ঞা নাই, নাই কোনো ধাৱিত গতি,
মাথোঁ আছে এক গভীৰ প্ৰশান্তি।
কেতিয়াবা এনেকুৱা লাগে
প্ৰেম মানে কেৱল কাষত থকাটোৱেই নহয়,
প্ৰেম মানে হ'ল কাৰোবাৰ উপস্থিতিত নিজকে বিচাৰি পোৱা।
যেতিয়া সঠিক মানুহজনৰ সৈতে কথা পাতো,
চকুৰ পলকতে যেন সময়বোৰ থমকি ৰয়,
আৰু চাৰিওফালৰ পৃথিৱীখন হঠাতে পোহৰ হৈ পৰে।
সঠিক মানুহজনৰ সৈতে হ'লে,
মৌনতাবোৰো আমনিদায়ক নহয়, বৰঞ্চ আপোন যেন লাগে।
হৃদয়ৰ ধপধপনিবোৰে এক সুৰ বিচাৰি পায়,
আৰু প্ৰতিটো উশাহতে যেন এক নতুন বিশ্বাসে জন্ম লয়।
সঁচাকৈ, সঠিক এজন সংগীয়ে
জীৱনৰ কঠিন বাটবোৰকো সহজ কৰি তোলে।
সেই অনুভৱটোৱেই যেন আটাইতকৈ ডাঙৰ আশীৰ্বাদ
য'ত কোনো অভিনয় নাই,
মাথোঁ আছে এজাক নিৰ্ভেজাল মৰম আৰু এক বুজাবুজিৰ পৃথিৱী।





নাছিৰ আহমেদ

# অবিভক্ত গোৱালপাৰা জিলাৰ দেশী জনগোষ্ঠীৰ

# মাঘ বিহু বা পুষণা উদ্‌যাপন পদ্ধতি

বিহু অসমৰ জাতীয় উৎসৱ। জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে অসমৰ সকলো জনগোষ্ঠীৰ মানুহে বিহুৰ বিনন্দীয়া ৰূপত বিভোৰ হৈ নানা ৰং-ৰহইচত মতলীয়া হৈ পৰে।

প্ৰত্যেকটো বিহু উদ্‌যাপনৰ লগত সাঙোৰ খাই আছে ভালেসংখ্যক সুনিৰ্দিষ্ট লোকাচাৰ, ভাববোধ, লোকবিশ্বাস, ৰং-ৰহইচ, খেল-ধেমালি আৰু লোক নৃত্য-গীতৰ অনুষ্ঠান।

এইসমূহ অৰ্থনৈতিক, সামাজিক, ধৰ্মীয় আদি বিভিন্ন দিশৰ অনেক প্ৰয়োজনীয় উদ্দেশ্যৰ সম্পূৰক। কৃষি উৎপাদন বৃদ্ধি, পশুধন লালন-পালন, আধ্যাত্মিক আচৰণ, স্বাস্থ্য ৰক্ষা তথা শৰীৰ চৰ্চা, প্ৰেম-প্ৰীতি, শ্ৰদ্ধা, ভাবৰ আদান-প্ৰদান, গঞা, জাতি আৰু আলহী-অতিথিক সেৱা-যত্ন, বল-শক্তি আহৰণৰ কামনা, পৰিয়াল আৰু গঞা ৰাইজৰ, জাতিৰ মংগল কামনা, সামাজিক বন্ধন, ঐক্য-সংহতি আৰু সম্প্ৰীতি আদিৰ তাৎপৰ্য নিহিত হৈ আছে।

বিহু উদ্‌যাপনৰ কাৰ্যকলাপ তথা লোকাচাৰবোৰত আকৌ বহু যুগ যুগ ধৰি অতি প্ৰাচীন কালৰে পৰা অনেক জনগোষ্ঠী, জাতি-উপজাতিৰ সাংস্কৃতিক উপাদানৰ সু-সমন্বয় ঘটিছে।

আনহাতে, সকলো লেখক-গৱেষকে এই কথাত একমত হৈছে যে অন্য বহুতো লোক উৎসৱৰ দৰে বিহুও মূলতঃ কৃষিভিত্তিক উৎসৱ।

অসমৰ প্ৰধান শস্য শালিধানৰ খেতিৰ লগত জড়িত তিনিটা বিশেষ পৰিৱেশত অনুষ্ঠিত হৈ আহিছে অসমীয়া জাতিৰ তিনিটা বিহু উৎসৱ।

ভাষাতাত্ত্বিক দিশৰ পৰা ‘বিহু’ শব্দৰ উৎস সম্পৰ্কে বিভিন্ন দৃষ্টিকোণেৰে বিশ্লেষণ কৰা পৰিলক্ষিত হৈছে।







ড° মহেশ্বৰ নেওগে লিখিছে— ভাষাবিদে কয়, বিষুৱৎ এই সংস্কৃত শব্দৰ পৰা বিহু শব্দ ওলাইছে। কিছুমান পণ্ডিতে বড়ো ভাষাৰ বৈশৎ শব্দৰ পৰা বিহু শব্দৰ উদ্ভৱ হৈছে বুলি মন্তব্য কৰিছে। চৈয়দ মহিবুল্লাই ‘আমাৰ সংস্কৃতিৰ ৰেহৰূপ’ শীৰ্ষক এটি তত্ত্বগধুৰ প্ৰবন্ধত এনেকৈ লিখিছে যে বিহু উৎসৱ কৃষিজীৱী মানুহৰ উৰ্বৰা বিশ্বাসৰ ওপৰত জন্ম। সম্ভৱতঃ অষ্ট্ৰিক সংস্কৃতিয়ে লুইতৰ পাৰত বিকাশ লাভ কৰাৰ সময়তে এই উৎসৱৰো উৎপত্তি হৈছিল।

আজি এই উৎসৱৰ লগত সৰ্বভাৰতীয় কিছুমান উৎসৱৰ ধাৰণাৰ মিল পোৱা যায়। এইক্ষেত্ৰত উৰিষ্যাৰ পোষ সংক্ৰান্তি, তামিলনাডুৰ পুংগল, কেৰালাৰ বিচু, পঞ্জাবৰ বৈশাখী, উত্তৰ ভাৰতৰ ফাকুৱা, পশ্চিমবংগৰ বৈশাখী উৎসৱ, অবিভক্ত গোৱালপাৰা জিলাৰ বিষমা আৰু পুষণা আদি। মাঘ বিহুত অনুষ্ঠিত গৰু বিহু বৈদিক ধাৰণা সিক্ত যেন লাগিলেও গৰুক মাহ-হালধি, বেঙেনা, কেৰালা, থেকেৰা, জাতিলাউ দি গা ধুওৱা পদ্ধতি অষ্ট্ৰিক জনগোষ্ঠীৰ। সেইদৰে মাঘ বিহুৰ জুইকুৰা অষ্ট্ৰিকসকলৰ পৰা আহিলেও পাছলৈ বৈদিক ধাৰণা আৰু মন্ত্ৰ সংযোজিত হৈছে।

যি কি নহওক, আমি অবিভক্ত গোৱালপাৰা জিলাৰ দেশী জনগোষ্ঠীৰ লোকসকলে উদ্‌যাপন কৰা মাঘ বিহুৰ বিষয়ে আলোকপাত কৰিবলৈ প্ৰয়াস কৰিম।

অসমৰ অন্যান্য জনগোষ্ঠীৰ দৰে এই দেশী জনগোষ্ঠীৰো মাঘ বিহু (যাক দেশী জনগোষ্ঠীয়ে পুষণা বা দোমাসী বুলি কয়) সম্পূৰ্ণৰূপে কৃষিভিত্তিক। কৃষিজীৱী জনসাধাৰণে শালিধানৰ খেতি উৎপাদন, সংৰক্ষণ, শ্ৰীবৃদ্ধি আৰু চপোৱাৰ অনুষ্ঠান বুলি ক’ব পাৰি।

দৰাচলতে পুহ-মাঘৰ সংক্ৰান্তি বা পুষণা বা দোমাসীক এই দেশী জনগোষ্ঠীৰ জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে আবাল-বৃদ্ধ-বনিতা সকলোৱে অতি ধুমধামেৰে বিভিন্ন পদ্ধতিত উদ্‌যাপন কৰে।

আঘোণ মাহৰ শেষত ‘ন’ ধান কটাৰ সময়ত গাঁৱৰ চেঙেৰা সকলোৱে (চেঙেলীয়া ল’ৰাবোৰে) দল বান্ধি ধান, পইচা মাগি ফুৰে। ল’ৰাবোৰে হাতত দাং, লাঠি লৈ আৰু বাঁহেৰে সজা কিছুমান বাদ্যযন্ত্ৰ লৈ সেইবোৰ বজাই গীত গাই গাই গোটেই পুহ মাহটো ঘৰে ঘৰে মাগি ফুৰে। ইয়াক অবিভক্ত গোৱালপাৰা জিলাৰ দেশী ভাষাত ‘শিৰশিৰো’ বা অৰীয়া বা এউৰী বুলি কোৱা হয়।

ইয়াৰ পিছত সংগৃহীত ধান, পইচাৰে দোমাসীৰ (দোমাহী) দিনাখন ল’ৰাবোৰে লগ ভাত বা পুষণা খায়। পথাৰত নৰাৰে সজোৱা ভেলাঘৰত বা মেজিঘৰত ‘পুষণা’ খোৱাৰ পিছত ৰাতিপুৱাৰ আগতে ভেলাঘৰটো পুৰি দিয়ে।

আনহাতে, কিছুমান অঞ্চলত লগভাত বা ‘পুষণা’ খোৱাৰ আগতে চৰণীয়া পথাৰৰ বিৰিণা বনৰ থোপাত ৰাখাল ঠাকুৰক সেৱা আগবঢ়ায়। নতুনকৈ পোৱালি জগোৱা গাইৰ গাখীৰ আনি উক্ত বিৰিণাৰ থোপাত ৰাখাল ঠাকুৰক উদ্দেশ্যে ঢালি দিয়া হয়।

‘পুষণা’ৰ আগৰ দিনা দেশী জনগোষ্ঠীৰ সকলো কৃষিজীৱী ৰাইজে ঘৰৰ জীৱ-জন্তুৰ বিশেষকৈ গৰু, ম’হ, ছাগলী আদিক পৰিষ্কাৰকৈ গা ধুৱাই ‘ন’ পঘাৰে বান্ধি চোতালৰ আগত কুমলীয়া ঘাঁহ বা গছৰ কোমল পাত খাবলৈ দিয়ে। তাৰ পিছত সৰিয়হ তেলেৰে জীৱ-জন্তুবোৰৰ শিং ঘঁহি ঘঁহি চিকচিকীয়া কৰা হয় আৰু জীৱ-জন্তুসমূহ বেমাৰ-আজাৰ বা অপায়-অমংগলৰ পৰা ৰক্ষা পোৱাৰ উদ্দেশ্যে লোহা গৰম কৰি গাত ছাব মাৰি দিয়ে। এই অঞ্চলত গোকেন্দ্ৰিক আচাৰাদি ব’হাগ বিহুৰ পৰিৱৰ্তে পুষণা বা দোমাসীৰ অন্তৰ্গত।

গোকেন্দ্ৰিক আচাৰসমূহৰ ভিতৰত আছে গৰুক গা ধুওৱা, খুৱা আৰু শিঙত তেল ঘঁহা, মালা পিন্ধোৱা আৰু গৰুৰ গাত চিত্ৰ-বিচিত্ৰ ছাব দিয়া। গৰুৰ গাত চিত্ৰ-বিচিত্ৰ ছাব দিয়া আৰু ফোঁট দিয়া অনুষ্ঠানটিক ‘গৰু চিতিওৱা’ বুলি কোৱা হয়। এই ছাব বাঁহৰ চুঙাৰে দিয়া হয়। ৰং হিচাপে বহুতে মেজি পোৰা ছাই ব্যৱহাৰ কৰে যদিও প্ৰকৃততে ইকৰাৰ পৰা উলিওৱা ঘেঁচুলী, পানীলাউৰ কোমল পাত আৰু তেল মিহলাই এই ৰং কৰা হয়। কিছু কিছু অঞ্চলত পিঠাগুড়ি আৰু তেল মিহলাই এই ৰং কৰা হয়। কোনো কোনো অঞ্চলত পিঠাগুড়ি আৰু সৰিয়হৰ ফুলেৰে এই ৰং তৈয়াৰ কৰে। গৰুৰ গাত ফোঁট দিয়াৰ উপৰি বৰঘৰতো দিয়ে আৰু মানুহেও ফোঁট লয়। অবিভক্ত গোৱালপাৰা জিলাৰ পুষণা বা দোমাসীৰ উল্লেখযোগ্য অংগ হ’ল ‘ধুনী’ প্ৰজ্বলন। ই সমূহীয়া অনুষ্ঠান। প্ৰতিখন গাঁৱৰ প্ৰতিখন সমাজে সুকীয়াকৈ ‘ধুনী’ প্ৰজ্বলন কৰে। সংক্ৰান্তিৰ আগদিনা ৰাতি গাঁৱৰ মুৰব্বীজনে স্নান কৰি উঠি এই ‘ধুনী’ জ্বলায়। তাৰ পিছত গোটেই ৰাতি গাঁৱৰ ৰাইজে ধুনীৰ চাৰিওফালে বহি নাম-কীৰ্তন কৰে। ৰাতিপুৱা উঠি গা-পা ধুই গাঁৱে গাঁৱে ঘূৰি ঘূৰি নাম-কীৰ্তন কৰে। নাম-কীৰ্তনৰ ভাষা অবিভক্ত গোৱালপাৰা জিলাৰ গোৱালপাৰীয়া ভাষা দেশী ভাষা ৰাজবংশী ভাষা। ই তিনি-চাৰি দিন ধৰি চলে। চাৰি দিনৰ পিছত ‘ঠগী’ (চিৰা, মাহকড়াই আদি) তোলে। ধুনীৰ ওচৰতে পঞ্চায়ত বহে। ঠগী তোলাৰ আগদিনা সমাজৰ বিভিন্ন দিশৰ পৰ্যালোচনা চলে। কোনোবাই সমাজৰ নিয়ম-নীতি নামানিলে

■ ১১ পৃষ্ঠাত

# নীল আকাশৰ অন্তৰত নীলিমা

নাচিমা য়াচমিন

নীলিমাৰ ফোনৰ স্ক্ৰীনত চিনাকি যেন লগা অচিনাকি নম্বৰ এটা জিলিকি উঠে। ওচৰতে বহি থকা স্বামীৰ ফালে তাই এবাৰ চকু ফুৰালে।

‘একো নহয়, ফোনটো উঠোৱা’— সূচক ইংগিত পাই তাই ফোনটো ৰিচিভ কৰি শব্দহীন হৈ পৰে। এটি চিনাকি কণ্ঠস্বৰ— ‘ভালে আছানে তুমি, নিলু?’

কিয়? কেনেকৈ? তেওঁৰ সুধিবলৈ সাহস কেনেকৈ হ’ব পাৰে তাই ভালে আছে নে নাই বুলি? সেই নিশা প্ৰায় এঘাৰ বজাত তাইক অন্ধকাৰত অকলে এৰি গুচি গৈছিল। দিনৰ পাছত দিন যেতিয়া তাইক অৱহেলা কৰিছিল তেতিয়া জানো এবাৰো খবৰ লৈছিল।


তেওঁ-তাই ভালে আছে নে নাই? যেতিয়া অন্ধকাৰৰ মাজত কুকুৰৰ ভুকভুকনি শুনি ভয়ত তাইৰ প্ৰাণবায়ু ওলাই যোৱাৰ উপক্ৰম হৈছিল, সি সুধিবলৈ সময় পাইছিল নে তাই ভালে আছেনে? তাই সুস্থ শৰীৰে ঘৰলৈ উভতি আহিছিল নে এজাক বনৰীয়া হিংসুক জন্তুৰ লালসাৰ স্বীকাৰ হৈছিল, সি খবৰ লৈছিলনে? লোৱা নাছিল। সেইদিনা সি এবাৰো সোধা নাছিল, তাই ভালে আছে নে নাই। কিন্তু আজি কিয়? কিয় আহিছে তাইৰ খবৰ ল’বলৈ? তাই ভালে আছে নে নাই সুধিবলৈ কিয় আহিছে?

খঙত তাইৰ সৰ্বশৰীৰ জ্বলিছে। কিন্তু সেই সময়তেই তাইৰ উত্তপ্ত শৰীৰত স্পৰ্শ পৰে দেৱদূতজনৰ, যিয়ে তাইক নতুনকৈ জীয়াই উঠিব শিকাইছে, যিয়ে তাইক নিঃস্বাৰ্থভাৱে ভাল পায়, মৰম কৰে যত্ন কৰে।

তাই কল কাটি ব্ল’ক কৰি দিলে। নোৱাৰিলে সেই অসুৰটোৰ মাতযাৰ শুনিব। ঘৃণাৰ অযোগ্য সেই অমানুহজনক তাই এটা সময়ত বলিয়াৰ দৰে বিচাৰিছিল, স্নেহ কৰিছিল। কিন্তু সি, তাৰ বাবে ভালপোৱা আছিল কেৱল এক খেল। তাৰ আগত আৱেগ, আন্তৰিক সম্পৰ্কৰ কোনো মূল্য নাছিল।

মাক-দেউতাকৰ হাজাৰ বুজনি, ককায়েকৰ হাতৰ মাৰ, খং সকলো সহ্য কৰাৰ পাছতো নীলিমাই মনে-প্ৰাণে ভাল পাইছিল ৰকিক। ‘ল’ৰাটো ভাল নহয়, বহুত ছোৱালীৰ লগত তাৰ সম্পৰ্ক আছে, সি কেৱল প্ৰেমৰ নাটক কৰি ছোৱালীবোৰক নিজৰ ফালে আকৰ্ষিত কৰে। অন্য একোৱেই কাম নকৰে সি, দিনৰ দিনটো বুলেটখন লৈ বিকট শব্দ কৰি কলেজৰ আগে-পিছে ঘূৰা-ঘূৰি কৰে।’— এইবোৰ কথা তাইক বুজাই বুজাই মাক-দেউতাক লেৰেজান হৈ পৰিছিল। কিন্তু তাইৰ কণমানি মগজুত এইবোৰ কথা সোমোৱা নাছিল, তাইৰ কাণক ভেদ কৰিব পৰা নাছিল। এই উপদেশবোৰে তাইৰ শৰীৰক বিন্ধিব পৰা নাছিল। ৰকি আৰু তাৰ ভালপোৱাৰ প্ৰতি অগাধ বিশ্বাস আছিল নীলিমাৰ। সেই বিশ্বাসৰ বেৰে তাইক অন্ধ কৰি তুলিছিল।

সকলোৰে কথা আওকাণ কৰি তাই ৰকিৰ লগত দিনৰ দিনটো ঘূৰি ফুৰিছিল বুলেটত উঠি। কলেজৰ ক্লাছবোৰ এৰাই চলিছিল, খুব কম দিনৰ ভিতৰতে তাইৰ পঢ়া-শুনাৰ পৰা মন উঠি পৰিছিল। পৰীক্ষাবোৰৰ ফলাফল তেনেই শোচনীয় হৈ পৰিছিল। এটা ছেমিষ্টাৰত বেক পৰ্যন্ত লাগিছিল। হ’লেও তাই সলনি হোৱাৰ নাম নলৈছিল। তাই যিখন অন্ধকাৰ পৃথিৱীত ভৰি দিছিল, সেইখন পৃথিৱীয়ে এদিন তাইক ধ্বংস কৰি তুলিব বুলি কল্পনাও কৰা নাছিল।



মা-দেউতাই তাইৰ এনে ভয়ংকৰ অধঃপতনত বৰকৈ চিন্তিত হৈ পৰিছিল। তেওঁলোকে ককায়েকক ঘৰলৈ মাতি পঠিয়াইছিল তাইক বুজোৱাৰ উদ্দেশ্যে। সি কৰ্মক্ষেত্ৰৰ পৰা ঘৰলৈ উভতি আহি এই ভয়ংকৰ পৰিণতিৰ পৰা তাইক ৰক্ষা কৰিবলৈ উঠি পৰি চেষ্টা কৰিছিল। কিন্তু তেওঁলোকৰ সকলো চেষ্টাত চেঁচাপানী ঢালি দি নীলিমাই নিজৰ জীৱন ধ্বংসৰ মুখত এৰি দিছিল।

ককায়েকৰ খঙে চূড়ান্ত শিখৰত অৱস্থান পাইছিলগৈ। সি নিজৰ একমাত্ৰ ভনীয়েকৰ গাত হাত পৰ্যন্ত তুলিছিল। তাইক কলেজত যোৱা বন্ধ কৰি দিছিল। হাতৰ ফোনটো কাঢ়ি নিছিল। তাইক ঘৰৰ পৰা ওলোৱা বন্ধ কৰি দিছিল। তাৰ কেৱল এটাই লক্ষ্য ভনীয়েকক সঠিক পথত ওভতাই অনা আৰু সমাজত দেউতাকৰ সন্মান অক্ষুণ্ণ ৰখা।

সেই মতেই ৰকিৰ বিৰুদ্ধে থানাত এজাহাৰ দিছিল, যাৰ ফলত তাক পুলিচে এৰেষ্ট কৰিছিল। এৰাতি থানাত থাকিব লগাও হৈছিল। নীলিমাই ৰকিৰ কাষত যাবলৈ অশেষ চেষ্টা কৰিছিল কিন্তু তাইক পৰিয়ালৰ মানুহে ৰূমত বন্ধ কৰি ৰাখিছিল। কিন্তু ৰকিৰ চকুত জ্বলিছিল প্ৰতিশোধৰ অগ্নি। সি নীলিমাৰ জীৱন ধ্বংস কৰি তাইৰ পৰিয়ালৰ মানুহৰ পৰা প্ৰতিশোধ ল’বই ল’ব।

ছোৱালী মানুহৰ মন বৰ আৱেগিক হয়। সেই সুযোগৰ পূৰ্ণ ব্যৱহাৰ কৰি ৰকিয়ে এদিন সুযোগ বুজি নীলিমাৰ লগত যোগাযোগ কৰিছিল। তাৰ পাছত সি নিজৰ পৰিকল্পনা অনুযায়ী তাইক ভালপোৱাৰ যুক্তি দি কঠিন পদক্ষেপটি ল’বলৈ আৱেগিক কৰি তুলিছিল। ৰকিৰ প্ৰেমত অন্ধ হৈ তায়ো ৰকিৰ কথাত হয়ভৰ দিছিল। সেইমতেই এদিন তাই মাক-দেউতাকক পৰ কৰি ৰকিৰ হাত খামুচি আপোন কৰি ল’বলৈ পৰিকল্পনাত যোগ দিছিল। ৰকিৰ কথামতেই তাই ঘৰৰ পৰা যিমান সম্ভৱ পাৰি টকা-পইচা, আ-অলংকাৰ বেগত ভৰাই লৈছিল। কিন্তু সকলোবোৰ হাতত পোৱাৰ পাছতেই সি নিজৰ প্ৰকৃত স্বৰূপ নীলিমাৰ ওচৰত দাঙি ধৰিছিল। ধনৰ বেগ পোৱাৰ পাছ মুহূৰ্ততেই সি নীলিমাক অন্ধকাৰ পথৰ দাঁতিত অকলশৰে এৰি গুচি গৈছিল। তাইৰ কথা এবাৰো ভবা নাছিল। কিয়নো ভাবিব সি, প্ৰকৃততে সি কেৱল তাইৰ লগত প্ৰেমৰ সম্পৰ্কৰ অভিনয়হে কৰি আছিল অত দিনে।

তাই চিঞৰি চিঞৰি কান্দিছিল, ৰকিক অনুৰোধ কৰিছিল অকলে এৰি নাযাবলৈ। কিন্তু সি পিছলৈ এবাৰ ঘূৰি চাবলৈও প্ৰয়োজনবোধ কৰা নাছিল। পথৰ মাজত বহি হিয়া উজাৰি কান্দিছিল তাই। মাক-দেউতাকৰ কথা নামানি কিমান ডাঙৰ ভুল কৰিছে, সেই সময়ত উপলব্ধি কৰিব পাৰিছিল।

পথৰ কুকুৰবোৰেও যেন তাইৰ কান্দোন শুনি ওচৰ চাপি আহিছিল। সেই সময়ত দেৱদূতজন হৈ আহিছিল আকাশ, তাইক সামৰি ল’বলৈ। সৌ দূৰণিৰ নীল আকাশৰ গভীৰতাৰ দৰেই এইজন আকাশেও তাইক ভালপোৱাৰ গভীৰতা অনুভৱ কৰাইছিল।

অতীতৰ কথাবোৰ তাইক আজি বৰকৈ কঁপাই গ’ল। তাইৰ চকুত টোপনি নাই। সেই কথা আকাশে ঠিকেই ধৰিব পাৰিছে। টোপনিসনা মাতেৰে সি নীলিমাক ক’লে—

ঃ ‘নিলু, টোপনি যোৱা নাই?’

ঃ ‘ওহো, আচ্ছা আকাশ, সেই নিশা যদি আপুনি নাহিলে হয়, মোৰ কি হ’লে হয়? মই চাগৈ বাচি নাথাকিলো হয়, হয়তো কোনোবা হিংস্ৰ জন্তুৰ ভক্ষণৰ স্বীকাৰ হ’লো হয়।’

ঃ ‘অলক্ষণীয় কথাবোৰ নক’বা সোণ। যদি তুমি সেই ৰাতি ওলাই নাহিলা হয় তেন্তে মই তোমাক কেনেকৈ পালো হয় কোৱাচোন? সদায় এটা কথা মনত ৰাখিবা, যি হয় ভালৰ কাৰণেই হয়। অন্যক কষ্ট নিদিবা কেতিয়াও, তেতিয়াহে ভগৱানে তোমাক কষ্ট নিদিয়ে। সদায় মানুহৰ ভাল হোৱাটো বিচাৰিবা তেতিয়াহে ভগৱানে তোমাৰ ভাল কৰিব।’

আকাশৰ হৃদয় গভীৰত নীলিমা কোঁচ-মোচ খাই সৰু পোৱালিটোৰ দৰে সোমাই আছে। সিও তাইক যিমান পাৰে আঁকোৱালি লৈছে।


ঃ ‘মা-দেউতালৈ বৰ মনত পৰিছে আকাশ।’ ৰূমৰ অন্ধকাৰতো নীলিমাৰ চকুত জিলিকি থকা নিয়ৰৰ কণিকাটি আকাশে দেখি পোৱাত বুকুখন যেন মোচৰ খাই উঠিল।

ঃ ‘এতিয়া শুই যোৱা। কথা দিলো এদিন মই সকলো ঠিক কৰি দিম।’

হয়, আকাশে নীলিমাক দিয়া কথা ৰাখিলে। মাক-দেউতাকে যিমানেই খং-অভিমান কৰি নাথাকক কিয়, আকাশৰ নম্ৰতা, ভদ্ৰতাই তেওঁলোকৰ অন্তৰ কোমল কৰিবলৈ বাধ্য কৰিলে। কথাবোৰ ইমানো সহজ নাছিল পিছে। কিন্তু মনত সৎ উদ্দেশ্য আৰু ধৈৰ্য ৰাখিলে সকলো সম্ভৱ। আকাশৰ নেৰানেপেৰা প্ৰচেষ্টাৰ ফলত আজি প্ৰায় এক বছৰৰ মূৰত নীলিমাৰ মা-দেউতাই তাইক লগ কৰিবলৈ ঘৰলৈ আহিছে। হিয়া উজাৰি তাই মাকক সাবটি ধৰি কান্দি অত দিনে মনত পুহি ৰখা বিষাদবিলাক পাতল কৰিলে। আকাশে এটি প্ৰাপ্তিৰ হাঁহি মাৰিলে।

## ধাৰাবাহিক উপন্যাস

# কথকতা




‘ হেঙুলীয়াত ওলমি আছে
অস্তাচলৰ কেনভাছ্
তথাপিও জীৱন জীয়াবলৈ
অপেক্ষাৰত
সুখবোৰ ভগাই ল’ব নোৱাৰা দুখৰ
অনুৰণন
বিচাৰি চলাথ কৰো আপোন
অনুভৱৰ অজুহাত ...’

বহুদিনেই হ’ল পৰাশৰ স’তে অদিতি লগালগি হোৱা নাছিল। আজি হঠাতে গুৱাহাটীলৈ অহা পৰাশৰে অদিতিক ফোন কৰিছিল, উভতি যোৱাৰ পথত হেনো এবাৰ লগ পাব খোজে। অদিতিয়ওে কেবাদিনৰো মূৰকত আজি গাৱঁৰ পৰা আহি ঘৰ সোমাইছিলহি মাথোঁ। পৰাশৰৰ আগ্ৰহ দেখি তাই ভাগৰৰ বুকুতেই ভাগৰক সিকাটি কৰি থৈ পুনৰ ওলাই আহিছে। ততাতৈয়াকৈ হলেও তাই পৰাশৰে ভালপোৱা সাজ এজোৰেহৈ পিন্ধি আহিছে। আচলতে কেতিয়াবা পৰাশৰে ভালপোৱা ধৰণেই নিজক সজাই তাই ভাল পায়। আজিও তেনেকৈয়ে নিজক সজাবলৈ যত্ন কৰি তেওঁৰ প্ৰিয় গুলপীয়া সাজজোৰেই পিন্ধি আহিছে। অৱশ্যে অদিতিয়ে ভালপোৱা ধৰণে পৰাশৰে নিজক কেতিয়াও সজাবলৈ যত্ন নকৰিলে। তাই বিচৰা ধৰণে নহলেও অন্তত পৰিপাটীকৈ থকাৰ কথা কৈ কৈও পৰাশৰক সলনি কৰিব নোৱাৰিলে। তেওঁৰ ফোন পোৱাৰ পিচত অলপো বিলম্ব নকৰি খন্তেকৰ বাবে হলেও লগ পোৱাৰ হেপাঁহেৰে তাই ওলাই আহিছে। তেওঁক লগ পোৱাৰ খন্তেকীয়া সময়খিনিয়েই তাইৰ বাবে বৰ অমূল্য সময়, বহু অপেক্ষাৰ অন্তত যেন প্ৰাপ্তিৰ অনাবিল আনন্দ। আগতে তেওঁক লগ পালে তাই আৱেগ অনুভৱ কৰিছিল, কিন্তু আজিকালি আৱেগিক হৈ পৰে। আজিও চাগে আৱেগিক হৈ পৰিছে। তেওঁক লগ পাবলৈ তাই আজি উধাতু খাই ঢাপলি মেলিছে। আবেলিৰ হেঙুলীয়াৰ সৈতে অদিতিয়ে লগ পোৱাৰ হেপাঁহ বুকুত বান্ধি তাই বৰ খৰখেদাকৈ ওলাই আহিছে।

পৰাশৰে গুৱাহাটীলৈ পৰিবাৰৰ বাবে ঔষধ নিবলৈ বুলি পুৱাই আহিছে হেনো। কিছুদিন আগতে পৰিবাৰৰ অসুখৰ বাবে গুৱাহাটীতে কেবাদিনো থাকিও তাইক কোৱা নাছিল। চিকিৎসা শেষ কৰি ঘৰলৈ উভতি গৈছে। এতিয়া পুনৰ ঔষধ নিবলৈ বুলি পুৱাই ওলাই আহিছে। আচলতে পৰিবাৰৰ অসুখৰ কথা তেওঁ অদিতিক কোৱাই নাছিল। গুৱাহাটীত তাইৰ ঘৰৰ ওচৰতে কেবাদিনো থকাৰ পিচতো তাইক কোৱা নাছিল। আজিহে দুখৰ দিনবোৰৰ কথা ফোনতেই চমুকৈ কলে। লগ পালে সকলো কথা কম বুলি কৈ বিষয়টো সামৰি থলে । দুপৰীয়া ফোন কৰি উভতি যোৱাৰ পৰত আবেলি সময় দীপৰ বিলৰ পাৰতে খন্তেকৰ বাবে এবাৰ লগ পাম বুলি ক’লে। অদিতিয়েও সেই মতেই যথা সময়ত আহি দীপৰ বিলৰ পাৰত নিৰ্জন পৰিৱেশটোত নিৰৱতাৰ স’তে খন্তেক সময় পাৰ কৰিলে। তেওঁ আহি আছে, পাবহি আৰু। তাই অপেক্ষা কৰিছে।

নিৰ্জনতাত বুৰ যাবলৈ ধৰা আবেলিটোক যেন দীপৰৰ বুকুৰ নান্দনিক পৰিৱেশটোৰ স’তে জীপাল কৰি তুলিছে জোৰ পাতি পাতি ঘুৰি ফুৰা ডেকা-গাভৰুৰ অন্তৰঙ্গ আলাপনে। অস্তাচলৰ হেঙুলীয়াৰ আবিৰে ছানি ধৰা জলৰাশিৰ বক্ষত নাৱৰীয়া ককাইহ’তে আপোন মনে এৰি দিছে নিজৰ নাওঁখন। দেশী-বিদেশী চৰাইৰ কলৰৱে মোহনীয় কৰি তুলিছে চৌপাশৰ পৰিৱেশ। অকলশৰীয়া অনুভৱেৰে অদিতিয়ে গাড়ীখন পথৰ কাষতে ৰখাই আপোন মনে বিলখনৰ পাৰলৈ গৈছে। এখোজ-দুখোজকৈ ইফাল-সিফাল কৰি অপেক্ষা কৰিছে পৰাশৰলৈ। ৰূপালী ৰঙৰ আবিৰে ছানি ধৰা অদিতিৰ দেহ-মনৰ কোনোবাখিনিত এতিয়াও যেন যৌৱনৰ অনন্য আকৰে ঠাহ খাই আছে। চঞ্চলতা নাই যদিও পৰাশৰক লগ পোৱাৰ অপেক্ষাই তাইক যেন অতীতত এৰি অহা উন্মাদনাৰে ভৰা যৌৱনলৈ উভতাই লৈ গৈছে। অতীতৰ বহু স্মৃতিয়ে মনৰ মজিয়াত ভুমুকি মাৰিছে। এৰা, অধীৰ আগ্ৰহেৰে পৰাশৰলৈ তাই বাট চাই আছে।

কিছু সময় অপেক্ষাৰ অন্তত পৰাশৰে আহি পিছফালৰ পৰা অদিতিক মাত লগালে। অদিতিয়েও বহু দিনৰ মূৰকত লগ পাই স্বাভাৱিক হাঁহি এটাৰেই তেওঁক সঁহাৰি জনালে।

ঃ আহি পোৱা দেৰিয়েই হ’ল কিজানি! আচলতে এই গুৱাহাটীখনৰ জনঅৰণ্যৰ মাজত গাড়ী চলাবলৈয়ে বৰ অসুবিধা। ভিৰৰ মাজে মাজে বৈ বৈ আহোতে বহু পলমে হ’ল। বেয়া নাপাব।

ঃ নাই, বুজি পাওঁ। এই ভিৰৰ মাজৰ এগৰাকী হৈ অকলশৰীয়া অনুভৱেৰে দিনবোৰ পাৰ কৰিলোঁ। এই জনঅৰণ্যৰ মাজত আমিবোৰ মই হৈ গৈ আছো। দিনবোৰ সলনি হৈছে। তথাপিও ক’ৰবাত কেতিয়াবা কেনেবাকৈ আপোন মানুহ হিচাপে আপোনক লগ পোৱাৰ বাসনা জাগে। খন্তেকৰ বাবে হ’লেও অন্তৰঙ্গতাৰে কটাব বিচাৰো। মুকলিকৈ মনৰ কথাবোৰ পাতিব বিচাৰো। আহিব বুলি কেৰাৰ লগে লগেই নিজেই গাড়ীখন চলাই উধাতু খাই ইয়ালৈ আহিছো। ইমান দিন ধৈৰ্য্য ধৰিছো, আজিও ধৈৰ্য্য ধৰিছো। অপেক্ষাৰ অন্ত হ’ব, আৰু লগ পাই গলো।

ঃ এৰা, কথাবোৰ বুজি পাও। কোনোবাখিনিত নিজেও চাগে একেই অনুভৱ কৰো। অথচ এৰাব নোৱাৰা ব্যস্ততাৰ অজুহাতত ভবা কথাবোৰ নহয়গৈ। ৰূঢ় বাস্তৱৰ সৈতে যুঁজ কৰি থাকোতে থাকোতে সময়বোৰ অতীত হৈ গৈ আছে। এনেকৈয়ে চাগে পোৱা-নোপোৱাৰ মাজেৰে গৈ আছে সময়, গৈ থাকিব জীৱন। আৰু এই জীৱন বাটৰ কোনোবা এটা কেঁকুৰীত হঠাতে আপুনি-মই নোহোৱা হৈ যাম। এয়াই চাগে জীৱনৰ প্ৰকৃত অৰ্থ, প্ৰাপ্তি-অপ্ৰাপ্তিৰ সমাহাৰ।

পৰাশৰৰ কথাবোৰ অদিতিয়ে একান্তমনে শুনি গ’ল। আচলতে আগতে পৰাশৰে কথা খুব কমকৈয়ে কৈছিল। মনৰ মজিয়াত অলেখ ভাৱনাই জুমুৰি ধৰি থাকিলেও তেওঁ ভাষাৰে প্ৰকাশ কৰা নাছিল। সময়ৰ বোকোচাত অদিতিৰ সৈতে সহজ হৈ অহাৰ পিছতহে তাইক লগ পালে কথা ক’বলৈ আৰম্ভ কৰিছে। আৰু আজি ! সেই একেই এমুখ দাড়ি আৰু ৰূপালী ৰঙৰ আবিৰে ছানি ধৰিবলৈ প্ৰয়াস কৰা অপৰিপাটি চুলিৰে পৰাশৰ নামৰ মানুহগৰাকী আগৰ দৰেই আছে। অপৰিপাটি মলিয়ন কাপোৰৰ আঁৰৰ নিভাঁজ ভালপোৱাৰ হৃদয় এখেনেৰে উজ্বলি থকা এইগৰাকী পৰাশৰক লগ পাবলৈয়ে তাই অতপৰে বৈ আছিল। আজি বহু দিনৰ মূৰকত ওচৰত পাই ভৰিৰ পৰা একেবাৰে মূৰলৈকে তাই থৰ লাগি চাইছে।

অদিতিয়ে মৌন হৈ তাৰ ফালে অবাক দৃষ্টিৰে চাই থকা দেখি পৰাশৰে মাত লগালে ঃ কি হ’ল! ইমানকৈ বেঙামেলি চাইছে যে!

অদিতিৰ তৎ আহিল। লগে লগেই তাই উত্তৰ দিলে ঃ নাই, আপোনকে চাইছো। ইমান দিনৰ মূৰকত দেখিছো, মানুহগৰাকী একেবাৰেই সলনি নহ’ল নহয়নে!

ঃ সলনি হ’ব লগা আৰুনো কি আছে। বলা, ডেকা-গাভৰুৰ দৰেই অলপ খোজ কাঢ়ো। অলপ ৰোমান্তিক হোৱাৰ প্ৰয়াস কৰো। আহক আমিও অন্তৰঙ্গতাৰ সৈতে খন্তেক বিলীন হওঁ।

দীপৰ বিলৰ পাৰে পাৰে দুয়ো খোজ কাঢ়িছে। ইটো-সিটো কথা পাতিছে। তাৰ মাজতে হঠাতে পৰাশৰৰ হাতখনলৈ চকু গ’ল অদিতিৰ। কিছুবছৰ আগতে অদিতিয়ে তেওঁক উপহাৰ দিয়া সোণালী ৰঙৰ ঘড়ীটো সুন্দৰকৈ জিলিকি আছে। হঠাতে কোনোবাখিনিত অজান পুলকেৰে তাইৰ মন-প্ৰাণ ভৰি গ’ল। উপহাৰ হিচাপে দিয়া ঘড়ীটো অন্ততঃ তেওঁ ব্যৱহাৰ কৰিছে। সেইখন হাতেৰেই পৰাশৰে সৰুকৈ পেকেট এটা লৈ আছে। অদিতিয়ে কথাৰ মাজতে সুধিয়েই দিলে- ঃ হাতত সেইটো কি আনিছে।

ঃ অ’ , চাওঁকচোন। এইয়া আপুনি যে দিছিল ঘড়ীটো। জানে, সোণালী ৰঙটো আজিও জিলিকি আছে। ই পুৰণি হ’ব জনাই নাই। আৰু জানে, আজিকালি সময়ৰ মূল্য অনুধাৱন কৰিবলৈ শিকি গ’লো। সেয়েহে ঘড়ীটো পিন্ধিবলৈ লৈছো। আৰু আপোনাৰ বাবেও এইয়া, ঘড়ী এটা লৈ আহিছো। পিন্ধিবনে?

পৰাশৰে পিন্ধি অহা ঘড়ীটো দেখুৱাই তাৰ পিছত হাতত থকা সৰু পেকেটটোৰ পৰা ঘড়ীটো উলিয়াই অদিতিৰ হাতত তুলি দিলে।

ঃ পিন্ধিম, কিয় নিপিন্ধিম। আপুনি নিজেই পিন্ধাই দিয়ক।

অদিতিয়ে আগবঢ়াই দিয়া হাতখনত বৰ আগ্ৰহেৰে পৰাশৰে ঘড়ীটো পিন্ধাই দিলে। জীৱনত প্ৰথমবাৰৰ বাবে তাই পৰাশৰ দুহাতৰ স্পৰ্শানুভূতি আজি অনুভৱ কৰিছে। মূহুৰ্তৰ বাবে তাই আকৌ এবাৰ অজানা এক পুলক অনুভৱ কৰিলে। আলফুলে ৰূপালী ৰঙৰ ঘড়ীটো পিন্ধাই দি পৰাশৰে সুধিলে ঃ ভাল লাগিছেনে?

ঃ অ আকৌ, আপুনি দিয়া উপহাৰ বেয়া লগাৰ কথা আহিবই নোৱৰে। তাতে আকৌ নিজেই পিন্ধাই দিছে। ইয়াতকৈ বিমল অনুভূতি আৰু কি থাকিব পাৰে। চাকৰিৰ অৱসৰৰ পিছৰে পৰা অপ্ৰয়োজনীয় বুলি ভাবি ঘড়ী পিন্ধিবলৈ এৰি দিছিলো। এতিয়া আকৌ আপুনি পিন্ধাই দিলে। এতিয়াৰে পৰা ঘড়ীময়ো পিন্ধিম, আপুনিও পিন্ধি থাকিব।

অদিতিয়ে কথাষাৰ কৈ পৰাশৰৰ ফালে চালে। দুয়োৰে চকুৰে চকুৰে পৰিল। পৰাশৰে অনুভৱ কৰিলে অদিতিৰ দুচকুত যেন আজি এটা সুখৰ আবেলি জিলিকি আছে। হেঙুলীয়াই ছানি ধৰিলেও যেন কোনোবাখিনিত সপোনবোৰ সাৰে আছে। যি সপোনৰ মালিতাৰে হয়তো তাই জীয়াব খোজে জীৱনৰ বাকীছোৱা সময়। নিৰৱতা ভংগ কৰি অদিতিয়ে মাত লগালে ঃ ঘড়ীটো আপুনি উপহাৰ দিছে বাবেই মই পিন্ধিম। এতিয়া কওঁক, মই উপহাৰ দিয়া ঘড়ীটোও আপুনি পিন্ধি থাকিবনে?

ঃ অ আকৌ, সেই বাবেই পিন্ধি আহিছো।

■ ১২ পৃষ্ঠাত



# 'প্ৰান্তিক'ৰ

## জন্ম দাতা প্ৰদীপ বৰুৱাৰ সোঁৱৰণত

লীলাধৰ হাজৰিকা

তাহানি উনৈশ শতিকাৰ মাজভাগত কলিকতাৰ পৰা প্ৰকাশিত জোনাকী আলোচনীৰ জন্মলগ্নতে জোনাকীৰ প্ৰথম সম্পাদক চন্দ্ৰকুমাৰ আগৰৱালাই কৈছিল, অসমীয়া আলোচনীৰ বয়স কচুপাতৰ পানীৰ দৰে। হয় অসমত বহুত আলোচনী ওলাল কিন্তু সৰহ দিনলৈ জীয়াই নথকা কথাটোকেই সেই অৰ্থত কোৱা হৈছিল।

ঐতিহাসিক অসম আন্দোলনৰ সময়ত অসমৰ গাঁৱে-ভূঞে বহু আলোচনী প্ৰকাশ পাইছিল। জাতীয় চেতনাৰ দ্বাৰা সেই সময়ত ডেৰশৰো অধিক আলোচনী প্ৰকাশ পাইছিল। আৱেগৰ বশৱৰ্তী হৈ তেনেবোৰ আলোচনী প্ৰকাশ পোৱা বুলি বহুতেই তাৎচিল্যসূচক মন্তব্যও কৰিছিল। সেই সময়তেই ১৯৮১ চনৰ ১ ডিচেম্বৰৰ পৰা ড° ভবেন্দ্ৰনাথ শইকীয়াক মুখ্য সম্পাদক হিচাপে লৈ প্ৰদীপ বৰুৱাই পযেকীয়া আলোচনী 'প্ৰান্তিক'ৰ প্ৰকাশ আৰম্ভ কৰে। উক্ত পযেকীয়া আলোচনীখনৰ সম্পাদক আছিল প্ৰদীপ বৰুৱা নিজেই। প্ৰদীপ বৰুৱা হৈছে সিংহপুৰুষ ৰাধাগোবিন্দ বৰুৱাৰ তৃতীয় তথা কনিষ্ঠ পুত্ৰ। নিজৰ চিন্তা, চেতনা, লিখা-মেলা আৰু কাৰ্যৰে অসম তথা অসমীয়াক স্বাভিমান, মূল্যবোধ আৰু আদৰ্শৰ পথ দেখুৱাই যোৱা অসমৰ বৌদ্ধিক জগতৰ এগৰাকী বিচক্ষণ পুৰুষ। দুকুৰি পাঁচ বছৰ একেৰাহে এটাও সংখ্যা বাদ নপৰাকৈ এখন পযেকীয়া আলোচনী চলাই থকাটো সহজ কথা নহয়।

উক্ত আলোচনীখনে ৰুচিশীল, সংবেদনশীল লেখক-পাঠক এচামৰ সৃষ্টি কৰিব পাৰিছিল। ১৯৩৮ চনৰ ৩ ছেপ্টেম্বৰৰ তাৰিখে ডিব্ৰুগড়ত জন্মগ্ৰহণ কৰা বৰুৱা স্বতন্ত্ৰ ধাৰণাৰ এগৰাকী প্ৰতিনিধি আছিল। তেওঁ কেতিয়াও আপোচ মানি লোৱা নাছিল। চিন্তা-চৰ্চা আৰু আদৰ্শৰ হীন-ডেঢ়ি নোহোৱা কৈ সদায় স্পষ্ট দৃঢ় আৰু নৈতিকভাৱে সচেতন আছিল।


প্ৰান্তিক আলোচনীখনে অসমৰ সামাজিক, ৰাজনৈতিক আৰু সাংস্কৃতিক বাস্তৱকো নিৰ্ভীকভাৱে উন্মোচিত কৰিবলৈ সক্ষম হৈছিল। প্ৰান্তিক আলোচনীখনে অসমৰ সমাজ জীৱনত বৌদ্ধিক আন্দোলনৰ সূচনা কৰিছিল বুলি ক'ব পাৰি। আলোচনীখনত অসমীয়া সমাজ জীৱনৰ সকলো দিশেই আলোচিত হৈছিল।




আলোচনীখনত আৰম্ভণিৰ পৰা ড° ভবেন্দ্ৰনাথ শইকীয়াদেৱৰ সহজ-সৰলভাৱে লেখা শেষ পৃষ্ঠাত উল্লিখিত বিষয়বোৰৰ প্ৰতি পঢ়ুৱৈসকল বিশেষভাৱে আকৃষ্ট হৈ পৰিছিল।

প্ৰদীপ বৰুৱা ১৯৫৬ চনতেই গুৱাহাটীলৈ আহি ডনবস্ক' স্কুলৰ পৰা মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হৈ কটন কলেজত বিজ্ঞান শাখাত নামভৰ্তি কৰে। উল্লেখ্য যে কটন কলেজত পঢ়ি থাকোতে তেখেত কটন কলেজ ছাত্ৰ একতা সভাৰ লঘু ক্ৰীড়া বিভাগৰ সম্পাদক নিৰ্বাচিত হৈছিল। ১৯৬০ চনত স্নাতক ডিগ্ৰী লাভ কৰাৰ পাছত পিতৃ ৰাধাগোবিন্দ বৰুৱাৰ ইংৰাজী কাকত 'দা আছাম ট্ৰিবিউন'ত যোগদান কৰে। ১৯৬৪ চনত যোৰহাটৰ মায়া বৰুৱাৰ লগত বিবাহপাশত আবদ্ধ হয়। সংগীতত বিশেষ ৰাপ থকা প্ৰদীপ বৰুৱাই ভূপেন হাজৰিকাৰ ভাতৃ বলেন হাজৰিকা, অপূৰ্ব কুমাৰ দাস, কল্যাণ বৰা, অনিল বৰুৱা, ৰত্ন ওজা , নিৰোদ চৌধুৰী আদিৰ লগত মধুচয়নিকা নামৰ এটা সাংস্কৃতিক দল গঠন কৰিছিল। তেওঁলোকে বিভিন্ন অনুষ্ঠানত সংগীতানুষ্ঠান পৰিৱেশন কৰিছিল। ১৯৬৭-৬৮ চনত বৰুৱাই উন্নত ছপা প্ৰযুক্তিৰ অধ্যয়নৰ বাবে ছোভিয়েট ইউনিয়নলৈ গৈ প্ৰশিক্ষণ লৈ আহিছিল। অসমীয়া সাহিত্য আৰু সাংবাদিকতাৰ এক নতুন ধাৰাৰ তেখেতে নিৰ্মাণ কৰি থৈ গৈছে। অসমীয়া ভাষা-সাহিত্য আৰু সাংবাদিকতাৰ ক্ষেত্ৰখনলৈ আগবঢ়োৱা অৱদানৰ বাবে প্ৰদীপ বৰুৱাক বিভিন্ন সংস্থা-প্ৰতিষ্ঠানে বিভিন্ন বঁটাৰে সন্মানিত কৰিছিল। আৰম্ভণিৰ পৰা ১৯৯৭ চনলৈ ভবেন্দ্ৰনাথ শইকীয়া


■ ১১ পৃষ্ঠাত









সপ্তম পৃষ্ঠাৰ পৰা ঃ —

# মাঘ বিহু বা পুষণা উদ্‌যাপন

তেওঁৰ ঠগী গ্ৰহণ কৰা নহয়। লোকবিশ্বাস মতে উত্তৰায়ণত পিতামহ ভীষ্মই শৰশয্যাত দেহ ত্যাগ কৰাৰ সময়ত খৰি দিয়াৰ স্মৃতি হিচাপে এই ধুনী পোৰা হয়। কিন্তু লোক পৰম্পৰাৰ সৈতে ধৰ্মীয় কাহিনীৰ বৰ মিল নাই। আদিম যুগত সময়ত প্ৰচণ্ড জাৰৰ পৰা উদ্ধাৰ পোৱাৰ বাবে আদিম মানুহে জীৱ-জন্তু চিকাৰ কৰি পোৰা বস্তুৰে জুইৰ ওচৰত বহি আনন্দ মনেৰে নাচ-গান কৰি ভোজ-ভাত খাইছিল। পুষণা বা দোমাসীৰ এয়াই আৰম্ভণি বা প্ৰতীকী ৰূপ বুলি ক'ব পাৰি। মেজি, ভেলাঘৰ, পিঠা-কড়াই ভোজ ভাতেৰে এই পুষণা বা দোমাসী হ'ল ভোগৰ পুষণা; কাৰণ এই সময়ত মানুহৰ ভঁৰাল ধান আদি শস্যৰে ভৰি থাকে, অভাৱ-অনাটন নাই। সেয়ে পুৰণি পৰম্পৰাটি পৰিৱৰ্তনৰ মাজেৰে এতিয়াও প্ৰচলিত হৈ আছে। ইয়াৰ উপৰি পুষণা বা দোমাসীক কেন্দ্ৰ কৰি এটি অত্যাৱশ্যকীয় অনুষ্ঠানটি হ'ল 'শিৰশিৰো বা উৰিয়া' গোৱা।

দেশী জনগোষ্ঠীৰ চেঙেৰা সকলোৱে (চেঙেলীয়া ল'ৰাবোৰে) ঘৰে ঘৰে গাই ফুৰা 'শিৰশিৰো' বা উৰিয়াবোৰ অতি আকৰ্ষণীয় সুৰযুক্ত। এইবোৰ গীতৰ মাজেদি কৃষিজীৱী ৰাইজৰ ৰং-বিৰঙৰ চিত্ৰ অতি সুন্দৰকৈ প্ৰস্ফুটিত হৈছে।

তলত কেইটামান গীত উল্লেখ কৰা হ'ল—

'উৰিয়া ৰে উৰিয়া
মাও লক্ষী চড়িয়া,
মাও লক্ষী দিলে বৰ
ধান-কুলাতো বাইৰ কৰ।'

'সতীন-ৰতীন বন্দুৰ
কিনি আনবে চম্পাফুল
চম্পা ফুলের বাসতে (সুগন্ধি)
সাগাই আইসে পাছতে
টেঙনা মাছেৰ তিন কাঁটা
জামাই (জোঁৱাই) শালা নেজকাটা নিলাজ

'অৰিয়া ৰে অৰিয়া
হাতীৰ কাণত চড়িয়া
হাতীৰ কাণ ঢলমল কৰে
ঢোপা বাইগন (বেঙেনা) গাছত ধৰে
ঢোপা বাইগন ছিৰি পাত
ৰাখালে (গৰখীয়া) খায় কৰকৰা ভাত
কৰকৰা ভাত খায়াৰে
হিন জল তুলি যায়া ৰে
হিন জল তুলিত বাঘের ভয়
বাঘা-বাঘিনী কয়
অ ৰে ৰাখাল ভাই
তোমাৰ গইলত (গোহালিত) কতো গাই
তাৰে আমি দুদু খাই
দুদু (গাখীৰ) খায়া লৰি চড়ি
ভগৱানক ভাৰসা কৰি ।
বাইগন (বেঙেনা) কৰ কৰা ভাত (কৰ্কৰা ভাত)
'কচু পাতা ঢাপা ঢাপা
তাতে ফেলালুং ছাই
হাতী আসিল, ঘোঁৰা আসিল ফুল মনেৰ ভাই,
ফুল মনেৰ ভাই ৰে
উৰণী কইতৰ (পাৰ)
উৰি উৰি বেৰায় ৰে ঘোপাৰ ভিতৰ
ঘোপ নাই, তোপ নাই
সাত খান পিতল
সাত খান পিতলেৰ
আঠ খান নাও
তাতে চড়িয়া বেৰায়
দুৰ্গাৰ মাও,
দুৰ্গাৰ মাও ৰে হাসিছে
কালা কালা চেঙৰীগুলা (ছোৱালীবোৰে) নাচিছে
আইসো সখী জলে যাই
জলে যাইতে শ্ৰীফল খাই
শ্ৰী ফল খাইতে লাগিল কাঁটা
হসকাও ৰে সতীনেৰ বেটা।'

এই ধৰণে 'শিৰশিৰো' বা অৰিয়া গীতৰ মাজেদি গোটেই পুহ মাহটো ল'ৰাবোৰে চোতালে চোতালে ৰং-ৰহইচ কৰি চাউল বা টকা সংগ্ৰহ কৰি ফুৰে; উদ্দেশ্য দোমাহীত পুষণা খোৱা।

ঠিক তেনেদৰে ডাঙৰৰ দলটোৱে ঢোল-বাদ্য, দোতাৰা, বাঁহী আদি লৈ কিছুমান ল'ৰাক 'ছুকৰী' বনাই গোৱালপাৰীয়া লোকগীত যেনে (দেশী ভাওৱাইয়া, চটকালী আদি গীত) আৰু নৃত্যৰে প্ৰতি ঘৰৰ চোতালে চোতালে গৈ আনন্দৰ জোৱাৰ তুলি চাউল, ধান, টকা মাগি ফুৰে; উদ্দেশ্য একেটাই পুষণা খোৱা। ইয়াৰ উপৰি আন এটি দলে পাহাৰৰ হিংস্ৰ জন্তু বিশেষকৈ বাঘক খেদি পথাৰৰ শইচ বা সন্তান আদিক বাঘৰ আক্ৰমণৰ পৰা ৰক্ষা কৰিবলৈ ঢোল-বাদ্য, দোতাৰা, বাঁহী আদি লৈ 'সোণাৰায়ৰ গীত' পৰিৱেশন কৰি ধান, চাউল বা টকা মাগি ফুৰে। তলত 'সোণাৰায়ৰ গীত' ৰ এটি নমুনা দিয়া হ'ল।

'পয়াৰ
বাঘা দুলদুল কৰে
শুনি ভয় লাগে
পদ
হুমহুম গুমগুম বাঘের ঢাকৰোল
মণ্ডপ ছাড়িয়া বাঘা কৰে আগমন
আগে একলা আইলো বাঘা
শুনো তাৰ কথা
মূলাৰ মতো দাঁত বাঘাৰ
ঢাকেৰ মতো মাথা।
আৰো একনা আইলো বাঘা
নাম তাৰ হই
গোৱালক মাৰিয়া বাঘা
নিজে বেচায় দৈ।
আৰো একনা আইলো বাঘা
নাম তাৰ উমা
ৰাখালক মাৰিয়া বাঘা
নিজে দেয় ধুমা।
আৰো একনা আইলো বাঘা
নাম তাৰ হৰা
চাণ্ডালক মাৰিয়া বাঘা
নিজে মাৰে ঘোঁৰা।
ফকীৰ নোৱায়, (নহয়) বৈষ্ণম নোৱায়
ভীক্ষা কৰি খায়
সোণাৰায়েৰ নামে মাগিয়া বেৰায়।'

এনেদৰে ভিক্ষা, দক্ষিণা মাগি মাগি সোণাৰায়ৰ গীত পৰিৱেশন কৰা দলটিয়ে মাঘ বিহুৰ দিনা অৰ্থাৎ দোমাসীত মাছ পুৰি আৰু মঙহেৰে ভাত খাই পৰম তৃপ্তি লাভ কৰে।

থূলমূলভাৱে অবিভক্ত গোৱালপাৰা জিলাৰ দেশী জনগোষ্ঠীৰ লোকসকলে মাঘ বিহু বা পুষণা বা দোমাসী উদ্‌যাপন কৰা দেখা যায়।

এই পুষণা বা দোমাসী দেশী জনগোষ্ঠীৰ দেশী মুছলমানসকলেও প্ৰাচীন কালৰে পৰা ওতপ্ৰোতভাৱে জড়িত হৈ আছিল যদিও বৰ্তমান ধৰ্মীয় গোড়ামিৰ চাপত পৰি কিছু পৰিমাণে পুষণা বা দোমাসী উদ্‌যাপন কৰাৰ পৰা বিৰত থকা দেখা যায় যদিও এতিয়া আকৌ নতুনকৈ দেশী মুছলমানসকলৰ ভিতৰত জাতীয়তাবাদী ভাবধাৰাৰ উত্থান হোৱাৰ ফলত তেওঁলোকেও সমূহীয়াকৈ পুষণা বা দোমাসী উৎসৱ পালনত উঠি পৰি লাগিছে। তথাপি আধুনিকতাৰ কবলত পৰি পুষণা বা দোমাসীৰ অনুষ্ঠানসমূহ আৰু নৃত্য-গীতসমূহ আগৰ দিনৰ দৰে স্বতঃস্ফূৰ্ত ফল্গুধাৰাৰ দৰে প্ৰবাহিত হৈ অবিভক্ত গোৱালপাৰা জিলা তথা দেশী অধ্যুষিত অঞ্চলসমূহত কোবাই যোৱা পৰিলক্ষিত নহয়। এইক্ষেত্ৰত দেশী জনগোষ্ঠীৰ জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে আবাল-বৃদ্ধ-বনিতাই আগবাঢ়ি আহি জাতীয় উৎসৱ পুষণা বা দোমাসীক পুনৰুজীৱিত কৰাৰ প্ৰয়োজন আহি গৈছে।

১০ পৃষ্ঠাৰ পৰা ঃ —

# প্ৰান্তিকৰ জন্ম দাতা

তেখেতৰ মুখ্য সম্পাদক হৈ থকা সময়ত কাকতখনে পঢ়ুৱৈৰ পৰা বিভিন্ন সন্মান পাইছিল। শইকীয়া অসুস্থ হৈ পৰাত তেখেতক অব্যাহতি দিয়াৰ পাছতো কিছু অতি দক্ষতাৰে কাকতখন চলি আহিছিল। তেখেতক 'অসমীয়া প্ৰতিদিন' গোষ্ঠীৰ সাদিন সাহিত্য সাংবাদিকতা বঁটা, কমল কুমাৰী বৰুৱা বঁটা, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য বঁটা আৰু এন বৰুৱা সোঁৱৰণী জীৱনজোৰা সাধনা বঁটা, অসম জাতীয় বিদ্যালয় সন্মান ২০২৪, ৰাধিকামোহন ভাগৱতী জীৱনজোৰা সাধনা বঁটা, শ্ৰীধৰ বৰুৱা বঁটা, মাজুলীত চিলা নৈ মহোৎসৱত বৰুৱাক সন্মান জনোৱা হৈছিল। অসম জাতীয় বিদ্যালয় ন্যাসে বৰুৱাৰ জীৱনভিত্তিক তথ্যচিত্ৰ এখনো প্ৰস্তুত কৰিছিল। বৰুৱাৰ স্বগতোক্তি আত্মজীৱনীখনে বিশেষ মৰ্যাদা লাভ কৰিবলৈ সক্ষম হৈছিল। তেখেতৰ আন এখন গ্ৰন্থয়ো ৰাইজৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছিল।

স্বাধীনচিতীয়াভাৱে 'প্ৰান্তিক' আলোচনীখনক তেখেতে নিজৰ একমাত্ৰ কন্যাতকৈও বেছি ভাল পাইছিল। প্ৰদীপ বৰুৱাই তেখেতৰ স্বগতোক্তিত লিখি থৈ গৈছে। প্ৰান্তিকেই মোৰ কৰ্ম জীৱনৰ শেষ কথা। ইয়াৰ বাদে আন কোনো প্ৰাপ্তিৰ বাবে মোৰ কোনো হেঁপাহ নাই। প্ৰান্তিক মোৰ বাবে আমৃত্যু তপস্যা হৈ থাকিব। এই কথাখিনিয়ে প্ৰদীপ বৰুৱাৰ হৃদয়ৰ পৰা নিৰ্গত হোৱা কথা। এনেদৰে এখন আলোচনীকেই জীৱনৰ সৰ্বোচ্চ দিয়া মহান পুৰুষ বাৰু কেইজন আছে অসমত?

এই কথাও তেখেতে স্বীকাৰ কৰি গৈছিল প্ৰান্তিকক ড° ভবেন্দ্ৰনাথ শইকীয়াই প্ৰজ্ঞাৰ পৰশ দি গৈছিল। প্ৰান্তিক এনে এখন আলোচনী আছিল, য'ত অকল ভাল গল্প, কবিতা, উপন্যাস অথবা অইন লেখাও প্ৰকাশ পোৱা এখন উচ্চ মানৰ আলোচনী আছিল। সততাই মানুহক কিমান ওপৰলৈ নিব পাৰে সেয়া প্ৰদীপ বৰুৱাৰ প্ৰান্তিকেই এটা উদাহৰণ। কোনো ধৰণৰ বিজ্ঞাপন নোহোৱাকৈও নীৰৱে কৰা সৃষ্টিক যে মানুহে ভাল পাব পাৰে তাৰেই নিদৰ্শন প্ৰান্তিক। প্ৰদীপ বৰুৱাৰ মৃত্যুৰ সময়ত এগৰাকী মন্ত্ৰীৰ বাহিৰে কোনো চৰকাৰী লোকে এগৰাকী সৎ আৰু নিষ্ঠাৱান লোকে নিজ প্ৰচেষ্টাত ৪৫ বছৰ ধৰি প্ৰকাশ কৰি থকা আলোচনীখনৰ স্ৰষ্টাক শেষ শ্ৰদ্ধা জনাবলৈও নাহিল। নিজ আদৰ্শত অটল হৈ কাৰো পক্ষ নোলোৱাকৈ এক ঐতিহাসিক কাম কৰা বাবেই চাগৈ চৰকাৰী পক্ষৰ সময় নহ'ল।

প্ৰান্তিক প্ৰদীপ বৰুৱাৰ বাবে আছিল তপস্যাসদৃশ কাম। প্ৰদীপ বৰুৱাৰ দৰে এগৰাকী বিচক্ষণ, সহানুভূতিশীল সম্পাদক থকা বাবেই আজি প্ৰান্তিক আলোচনীখনে শ শ নবীন লেখক-লেখিকাৰ পৰা আৰম্ভ কৰি গৱেষক, পণ্ডিত, বিজ্ঞানী, কবি, প্ৰবন্ধকাৰৰ সৃষ্টি হৈছে। প্ৰান্তিকৰ চিঠি-পত্ৰই যি মাদকতা আৰু জ্ঞানৰ সঁফুৰা দিয়ে সেই মাদকতা কোনো এখন আলোচনীয়ে আজিলৈকে দিব পৰা নাই। প্ৰদীপ বৰুৱাৰ দৰে প্ৰেৰণাদায়ক সম্পাদক অতি বিৰল। সকলোৰে লগত থকা তেওঁৰ আন্তৰিকতা অতিকৈ বিৰল।

আমি পূৰ্বে উল্লেখ কৰিছো ঐতিহাসিক অসম আন্দোলনৰ সময়তেই প্ৰান্তিক আলোচনীৰ জন্ম হৈছিল। ১৯৮০ চনত আমি জনচেতনা নামৰ এখন আলোচনীৰ সম্পাদক আছিলো। আমি কৰা এক সমীক্ষা মতে সেই সময়ত অসমত ২৫২খন সৰু-বৰ আলোচনী প্ৰকাশ পাইছিল। আন্দোলনৰ পৰিসমাপ্তি ঘটাৰ লগে লগে ২৫২ খনৰ পৰা মাত্ৰ ৬৩ খন আলোচনীহে জীয়াই আছিল। আমি সম্পাদনা কৰা মাহেকীয়া আলোচনীখনো মাত্ৰ এবছৰহে জীয়াই আছিল। প্ৰান্তিক যি গতিৰে আগবাঢ়িছিল আজিও কিন্তু স্থবিৰ হৈ পৰা নাই। প্ৰান্তিকে চাগৈ আজিও অসমীয়া আলোচনীৰ ধাৰা অব্যাহত ৰাখিবলৈ সক্ষম হৈ আছে আৰু থাকিব।

প্ৰদীপ বৰুৱালৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলো। প্ৰদীপ বৰুৱাৰ মানস পুত্ৰ প্ৰান্তিক জীয়াই ৰখাত সকলোৰে ইতিবাচক সঁহাৰি থকা উচিত। তেনে কৰিলে চাগৈ সম্পাদকগৰাকীক প্ৰকৃত শ্ৰদ্ধা জনোৱা হ'ব।

নৱম পৃষ্ঠাৰ পৰা ঃ —

# কথকতা

এতিয়াৰে পৰা সদায়ে পিঙ্কিম আৰু জীৱনৰ বাকীছোৱা সময়ৰ স'তে মিলিবলৈ চেষ্ট কৰিম। আৰু এই ঘড়ীটোত সময় চাই চায়েই অতীত-বৰ্তমান আৰু অনাগত ভৱিষ্যতৰ কথাবোৰ সামৰি এটা বিশেষ কাম হাতত লম। কিন্তু তাৰ আগতে আপুনিও ক'ব লাগিব যে সেই কামটো নিজেও কৰিব।

ঃ কি কথা, কি কাম! পাৰিলে নিশ্চয় কৰিম। কওঁক।

ঃ আগতে কথা দিয়ক।

ঃ কথা দিলো, কওঁক।

ঃ আমি পৰস্পৰে যে কথা পাতিছিলো, নিজৰ নিজৰ জীৱনি লিখাৰ কথা, আপুনি যে মোক বৰকৈ জোৰ কৰি আছে। এতিয়া কওঁক, মই লিখিবলৈ আৰম্ভ কৰিম। আৰু আপুনি নিজেও লিখিব লাগিব। কওঁক লিখিবনে?

পৰাশৰৰ উচাহ আৰু সদিচ্ছা দেখি অদিতিৰ মন-প্ৰাণ ভৰি গ'ল। মুহূৰ্তৰ ভিতৰতে পৰাশৰৰ হাতখন খামুচি ধৰি তাই আবেগেৰে কৈ উঠিল ঃ অ, আপুনি যেতিয়াই লিখিবলৈ আৰম্ভ কৰিব তেতিয়াই ময়ো আৰম্ভ কৰিম। আৰু এই ঘড়ী দুটাই হ'ব আমাৰ জীৱন আৰু সময়ৰ মাপকাঠি। সঁচাই আমি নিজৰ নিজৰ জীৱনি লিখিম।

অদিতিয়ে বৰ উচাহেৰে কথাবোৰ এফালৰ পৰা কৈ গ'ল। সিঁহতে ইফাল-সিফাল কৰি বৰ মধুৰতাৰে দীপৰৰ বুকুত কিছুসময় পাৰ কৰি মনৰ কথাবোৰ পাতিলে। লাহে লাহে চৌদিশৰ হেঙুলীয়াবোৰ যেন নাইকীয়া হ'বলৈ ধৰিছে। ফিৰ্-ফিৰিয়া বতাহ এজাকে সিহঁতৰ দেহ-মন চুই গল। অদিতিয়ে পৰাশৰৰ হাতখন খামুচিয়েই ধৰি থাকিল। অৱশ্যে পৰাশৰেও সঁহাৰি জনাইছে।

ঃ এৰা, জীৱনমুখী চিন্তাৰে আমি একোখন জীৱনী লিখি উলিয়াম। য'ত জীৱনৰ ভাল-বেয়া, হৰ্ষ-বিষাদ, পোৱা-নোপোৱা সকলোৰে সমাহাৰ ঘটিব। অকপটে স্বীকাৰ কৰিম সকলো কথা। আৰু হেৰাই যোৱা সম্ভাৱনাবোৰ।

ঃ অ, আমি সফল হম। ওচৰত থাকি মনৰ দূৰত্বত থকাতকৈ আমি দূৰৈত থাকিও হৃদয়ৰ বান্ধোনেৰে ওচৰত থাকিম। সুখে-দুখে কেতিয়াবা ক'ৰবাত কেনেবাকৈ খন্তেকৰ বাবে হ'লেও লগ হম। মনৰ কথা পাতিম।

পৰাশৰৰ কথা শুনি এইবাৰ অদিতিয়ে একো উত্তৰ নিদিলে। উদাস মনেৰে দীপৰৰ বুকুলৈ চাই চাই পৰাশৰৰ খোজৰ স'তে খোজ মিলাই আগুৱাই গৈ থাকিল। কিছু সময় মৌনতাৰে পাৰ হ'ল। আঁচলতে পৰাশৰে মনৰ কথাবোৰ ভাষাৰে স্পষ্টকৈ প্ৰকাশ কৰিছে। অদিতিয়েও জানে, এই কথাবোৰ তাই বুজে। অথচ পৰাশৰৰ এনেবোৰ কথাই তাইৰ হৃদয়ৰ মণিকোঠাৰ কোনোবাখিনিত হেন্দোলনি তোলে। যিয়ে অজানা বিষৰ অনুভৱ কৰায়।

ঃ কি হ'ল আকৌ? মোৰ কথাৰ কোনোবাখিনিত দুখ পালে নেকি? পৰাশৰে মৌনতা ভংগ কৰি মাত লগালে।

ঃ নাই, নাই তেনে একো নহয়। অদিতিয়ে কথাযাৰ কৈ তলমূৰ কৰিলে।

ঃ চাওঁক, মই বুজি পাওঁ। আপোনাৰ মনৰ সকলোবোৰ কথাই বুজিবলৈ প্ৰয়াস কৰি আহিছো। কিন্তু অপ্ৰিয় হ'লেও সঁচা, আমি পৰস্পৰে পৰস্পৰক একান্তভাৱেই বিচাৰিলেও সেয়া সম্ভৱ নহয়। পোৱত যিদৰে তৃপ্তি আছে, নোপোৱটো অতৃপ্তি আছে। প্ৰাপ্তিত সুখানুভূতি আছে বাবেই অপ্ৰাপ্তিত দুখানুভূতিও আছে। তাৰ মাজেৰেই অহা-যোৱা কৰি আছে জীৱনবোৰ। আপুনি মই আহিছো যি বাটেৰে, যামগৈও সেই বাটেৰে। ক'ৰবাত কেতিয়াবা কেনেবাকৈ খন্তেকৰ বাবেও হ'লেও লগ পাম বুলি কোৱা কথাষাৰে চাগে দুখ দিলে!

পৰাশৰৰ কথাবোৰ তাই শুনি থাকিল যদিও ওপৰ মুখকৈ চাব পৰা নাই। আচলতে তাই কান্দিছে। দুচকুৰে ধাৰাষাৰে বৈ অহা বানভঙা প্লাৱনক তাই অলেখ চেষ্টা কৰিও বাধা দি ৰাখিব পৰা নাই। পৰাশৰৰ প্ৰতি তাই দুৰ্বলতা অনুভৱ কৰে সঁচা, কিন্তু এইদৰে দুৰ্বলতাৰ বৰ্হিঃ প্ৰকাশ ঘটাব বুলি কেতিয়াও ভবাই নাছিল। কোনোবা এটা মূহুৰ্তত পৰাশৰৰ ধৰি থকা হাতখন তাই এৰি দিছিল। আচলতে তাইৰ হৃদয়ত যথেষ্ট দুখ আৰু আবেগে খুন্দা মাৰিছে। বহু সময় তেনেদৰে থকা বাবেই পৰাশৰে পুনৰ মাত লগালে- ঃ দুখ পোৱাকৈ কোৱাৰ মানসিকতা মোৰ একেবাৰেই নাছিল। আপোনাক দুখ দিয়াৰ কথা কেতিয়াও ভাবিব নোৱাৰো। বহুদিন ধৰি মোৰ পৰিবাৰৰ অসুখ হৈ বিচনাতে আছে। বহু চিকিৎসা কৰিও সুফল পোৱা নাই যদিও ভাগৰিও পৰা নাই। দৰৱ শেষ হোৱা বাবেই গুৱাহাটিলৈ আহিছিলো। লগ পোৱাৰ ইচ্ছাৰে ব্যস্ততাৰ মাজতো মাতষাৰ শুনাৰ বাবেই আপোনালৈ ফোন কৰো , দুখৰ মাজতো এবাৰ লগ পাবলৈ, মুখখন চাবলৈ ঢপলয়াই আহোঁ। কিহৰ বাবে? কওঁক কিহৰ বাবে?

অদিতিয়ে আৰু ৰব নোৱাৰিলে। দুহাতেৰে মুখ ঢাকি তাই হুকহুকাই কান্দি উঠিল। কিছুসময় পিছত উচুপনি বন্ধ হল যদিও তাই মুখখন ঢাকিয়েই থাকিল। পৰাশৰেও বাধা নিদিলে। মনৰ দুখ পাতল কৰাৰ বাবে, দুখৰ বোজা আতঁৰাবৰ বাবে নাৰীৰ কান্দোন এটা মাধ্যম। সেয়েহে সি একো নকৈ মনে মনে ওচৰতে ঠিয় দি থাকিল। কিছু সময় পিছত অদিতিয়ে স্বাভাৱিক অৱস্থালৈ ঘূৰি আহি মাত লগালে ঃ বেয়া নাপাব, এনেকৈ নিজৰ দুৰ্বলতাখিনি আপোনাৰ ওচৰত নাওঠ কৰি হয়তো দিব নালাগিছিল। আচলতে কি জানে, সুখ-দুখৰ সময়বোৰত আপোনাৰ কথা বাৰুকৈয়ে মনলৈ আহে। আপোনাৰ জীৱন নামৰ কিতাপখনৰ পৃ ষ্ঠাবোৰ পূৰণ কৰিবলৈ মই নামৰ মানুহগৰাকী কোনো নহলেও কোনোবা মূহুৰ্তত কেনেবাকৈ হলেও মধুৰ সান্নিধ্যৰে নিজক ভৰাই তুলিব পাৰিছো। এই সান্নিধ্যৰে আপোনাক হয়তো একোৱেই দিব নোৱাৰিলো, স্বাৰ্থপৰৰ দৰে কেৱল নিজকেহে ভৰাই তুলিলো। আৰু কি জানে, মোৰ জীৱনীখনত হয়তো আপোনাৰ এনে সান্নিধ্যৰ বহু কথাই ঠাই পাব। লিখিবলৈ চেষ্টা কৰিম।

ঃ এৰা, আমি সচাঁকৈয়ে জীৱনী লিখিম। আজিৰ পৰাই আৰম্ভ কৰিম। সন্ধিয়া নামি আহিলেই, বলক যাওগৈ। মই ঘৰ পাওগৈ মানে নিশা হবগৈ। আৰু শুনক, আপুনি নাৰী বাবেই কান্দিছে। মই পুৰুষ, সেয়েহে কান্দিব নোৱাৰো।

পৰাশৰে কথাষাৰ কৈ দীঘলকৈ হুমুনিয়াহ কাঢ়িলে। অদিতিয়ে কোনো উত্তৰ নিদি তেওঁৰ খোজৰ সতে খোজ মিলাই বিলখনৰ পাৰৰ ফালে আগবাঢ়িল। কিছু সময় পিছত দুয়ো পথৰ ওপৰত উঠিলগৈ। পথৰ কাষতে ৰাখি থোৱা নিজৰ নিজৰ গাড়ীৰ ফালে সিহঁত আগবাঢ়িল। পৰাশৰে অদিতিৰ সেমেকি থকা দুচকুলৈ চাই হাতখন আগবঢ়াই দি কলে ঃ আকৌ কৰবাত কেতিয়াবা কেনেবাকৈ অপ্ৰত্যাশিতভাৱেই লগ হম। লগ পালেই অন্তৰংগ হবলৈ প্ৰয়াস কৰিম। মনত পৰিলেই ফোন কৰিম। অস্তাচলত খোজ থলেও জী থকা এই জীৱন নামৰ সময়খিনিৰ আধৰুৱাকৈ অত-তত সিঁচৰতি হৈ পৰি ৰোৱা প্ৰেমগাঁথা বোকোচাত অহৰহ কঢ়িয়াই ফুৰিম। স্মৃতিবোৰৰ হৃদয়ানুভূতিৰে আত্মহাৰা হম। আজিলৈ বিদায়।

অদিতিয়ে পৰাশৰৰ হাতখন শেষবাৰৰ বাবে আকৌ এবাৰ স্পৰ্শ কৰিলে। বিদায়ৰ শেষ মূহুৰ্ত আহি পালে। তাই থোকাথুকি মাতেৰেই কলে ঃ অহা আহি আছে, যোৱা গৈ আছে। আমিও যিদৰে এদিন অকলেই আহিছিলো, তেনেকৈয়ে এদিন অকলেই যামগৈয়ো। লগ পাম দিয়ক, কৰবাত কেতিয়াবা কেনেবাকৈ।

ঃ আপুনিয়েই দেখোন কৈছিল, জন্মৰ পৰা মৃত্যুৰ মাজৰ সময়খিনিয়েই হেনো জীৱন। আৰু এই মনোৰম জীৱনটোক আমি কিদৰে গ্ৰহণ কৰো সেয়া আমাৰ নিজৰ নিজৰ কথা। সকলো মানুহৰেই জীৱনত ঘাত-প্ৰতিঘাত আছিল, আছে আৰু মৃত্যু পৰ্যন্ত থাকিব। এনেকৈয়ে চলি থাকে জীৱন। তাৰ মাজতেই আমি দুখানুভূতিবোৰক সিকাটি কৰি থৈ সুখানুভূতিখিনি বিচাৰি লব লাগিব। আৰু এই জীৱনটোক লৈয়ে আমিও একোখন জীৱনী লিখি থৈ যাম। এ পি জে আব্দুল কালামৰ ভাষাৰে এই পৃথিৱীৰ বুকুত জন্মৰ পৰা মৃত্যুলৈকে সকলো মানুহেই অবিৰতভাৱে খোজ কাঢ়ে। আৰু মৃত্যুৰ পিছত কিমান মানুহৰ সেই খোজৰ চিন এই ধৰাৰ বুকুত চিৰকালৰ বাবে ৰৈ যায়! আমি এনেভাৱে ধৰাৰ বুকুত খোজ কঢ়া উচিত যাতে কেনেবাকৈ হলেও আমাৰ খোজ চিন ৰৈ যায়। কালামদৰে নিজৰ কৰ্মৰাজীৰেই তেওঁৰ খোজৰ চিন সৰ্বকালৰ বাবে এই ধৰাৰ বুকুত ৰাখি থৈ গৈছে। আপোনাৰ অথবা মোৰ খোজৰ চিন ৰৈ যোৱাকৈ আমি একোৱেই কৰা নাই। আপুনি প্ৰবন্ধপাতি লিখিছে, মানুহে পঢ়িছে। ময়ো গল্প- কবিতা লিখিছো, মানুহে পঢ়িছে। কিন্তু সেইখিনিৰে আমাৰ খোজৰ চিন নতুনৰ বাবে ৰাখি থৈ যাব পাৰিমনে! নোৱাৰো। কিন্তু শেষবাৰৰ বাবে আমি জীৱনী লিখাৰ চেষ্টা কৰিম। আজিৰ পৰাই, হবনে !

ঃ হব। অদিতিয়ে লগে লগেই উত্তৰ দিলে।

ঃ আজিৰ পৰাই আৰম্ভ কৰিম। আৰু নাম কি ৰাখিম!

ঃ অলপ ভাবিব লাগিব। আগতে লিখা আৰম্ভ কৰি লওঁ।

লাহে লাহে দুয়ো দুয়োৰে বাহনত বহিলগৈ। মূহুৰ্তৰ ভিতৰতে এইবাৰ বহাৰ পৰাই পৰাশৰে অদিতিৰ ফালে চাই চিঞৰ মাৰি কলে ঃ কথকতা ।

ঃ উম, বঢ়িয়া। কথকতা- জীৱন জাঁজী নৈ।

ঃ উম, সুন্দৰ। কথকতা- নৈপৰীয়া জীৱনৰ।

নোপোৱাৰ মাজতো, বিচ্ছেদৰ মাজতো, হেঁকুওৱাৰ মাজতো কোনোবাখিনিত প্ৰাপ্তিৰ বিমল আনন্দৰে ভৰি পৰিল উভয়ৰে মন-প্ৰাণ। আকৌ কেতিয়াবা কৰবাত কেনেবাকৈ লগ পোৱাৰ আত্মিক উপলব্ধিৰে দুয়ো দুয়োৰে পৰা হাত জোকাৰি বিদায় লৈ ঘৰমুৱা হল। তেতিয়ালৈ চৌদিশে এন্ধাৰ নামি আহিছিল। পৰাশৰে এন্ধাৰৰ মাজে মাজে উভতনি যাত্ৰা আৰম্ভ কৰিলে। গতানুগতিক হলেও সি সদায়ে নতুন প্ৰভাতৰ আশা কৰে। আৰু অদিতি! তায়ো ঘৰৰ মানুহ ঘৰলৈ বুলি বাট পোনালে। এন্ধাৰ নাশি লাহে লাহে জোনাকৰ ৰূপোৱালী মাদকতাৰে ধৰাৰ বুকুখন যেন নকৈ জীপাল হবলৈ ধৰিলে। জীৱনৰ অস্তাচলৰ এক যেন বুজাব নোৱাৰা প্ৰেমানুভূতি বোকোচাত কঢ়িয়াই সিহঁতে বিদায় জনালে পৰস্পৰে পৰস্পৰক।

আৰু তেতিয়াৰে পৰাই আদিতি আৰু পৰাশৰৰ মন-মগজুত বাঁহ সাজিলে এটা শব্দই। কথকতা......!

—ঃ সমাপ্ত ঃ—

চতুৰ্থ পৃষ্ঠাৰ পৰা ঃ —

# বিকাশৰ গতি-সাংস্কৃতিক শূন্যতা

অসমৰ সাংস্কৃতিক আইকন জুবিন গাৰ্গৰ সংগীতে ধৰ্ম-জাতিৰ সীমা অতিক্ৰম কৰি সকলোকে একত্ৰিত কৰিছিল। তেওঁৰ অকাল মৃত্যুৱে কেৱল সাংস্কৃতিক ক্ষেত্ৰখনতে নহয়, ৰাজনৈতিক আৰু সামাজিক জীৱনতো গভীৰ প্ৰভাৱ পেলাইছে। তেওঁৰ মৃত্যুৰ ৰহস্যৰ তদন্ত আৰু জনতাৰ প্ৰতিবাদ বৰ্ষটোৰ উল্লেখযোগ্য ঘটনা আছিল। জুবিনৰ গীতে অসমৰ আৱেগক প্ৰকাশ কৰিছিল আৰু তেওঁৰ অনুপস্থিতিয়ে এক গভীৰ শূন্যতাৰ সৃষ্টি কৰিছে।

নৱেম্বৰ মাহত অসমৰ আন এক সাংস্কৃতিক ৰত্ন, প্ৰখ্যাত বাঁহীবাদক দীপক শৰ্মাৰ মৃত্যুৱে ৰাজ্যখনক আৰু শোকাচ্ছন্ন কৰি তুলিছে। দীপক শৰ্মাৰ বাঁহীৰ সুৰে অসমৰ লোকসংগীতক আন্তৰ্জাতিক মঞ্চত প্ৰতিষ্ঠা কৰিছিল।

ডিচেম্বৰ মাহত আছাম ট্ৰিবিউনৰ সম্পাদক আৰু পদ্মশ্ৰী বঁটাপ্ৰাপক প্ৰফুল্ল গোবিন্দ বৰুৱাৰ মৃত্যুৱে সাংবাদিকতাৰ জগতখনত গভীৰ শোকৰ সৃষ্টি কৰিছে। প্ৰফুল্ল গোবিন্দ বৰুৱাই দশকৰ পিছত দশক ধৰি অসমৰ সাংবাদিকতাক নীতি আৰু সততাৰে পৰিচালিত কৰিছিল। তেওঁৰ নেতৃত্বত আছাম ট্ৰিবিউনে উত্তৰ-পূৱৰ সৰ্ববৃহৎ আৰু বিশ্বাসযোগ্য কাকত হিচাপে স্থান লাভ কৰিছিল। সাহিত্য, শিক্ষা আৰু সমাজসেৱাতো তেওঁৰ অৱদান অপৰিসীম আছিল।

তদুপৰি ৰাজীৱ শদিয়া, গায়ত্ৰী হাজৰিকা, অনুভৱ তুলসী, জ্ঞানদা কাকতি তথা চৈয়দ ছাদুল্লাৰ দৰে ব্যক্তিৰ মৃত্যুৱে অসমৰ সাংস্কৃতিক আৰু বৌদ্ধিক জগতখনত গভীৰ শূন্যতাৰ সৃষ্টি কৰিছে। তেওঁলোকৰ অনুপস্থিতিয়ে ৰাজ্যখনক শোকাচ্ছন্ন কৰিলেও তেওঁলোকৰ অৱদান চিৰকাল জীৱন্ত হৈ ৰ'ব। এই শোকৰ মাজতো অসমে তেওঁলোকৰ পৰা পোৱা প্ৰেৰণাৰে আগবাঢ়ি যাব।

২০২৫ চনটো আছিল বিভিন্ন ক্ষেত্ৰত অগ্ৰগতি আৰু শোকৰ মিশ্ৰণ। অন্তৰ্ভুক্তিমূলক বিকাশ, পৰিৱেশ সংৰক্ষণ আৰু সাংস্কৃতিক ঐতিহ্যৰ প্ৰতি সজাগতাৰে ৰাজ্যখনে নতুন দিগন্তৰ ফালে আগবাঢ়িছে। অসম এতিয়া কেৱল উত্তৰ-পূৱৰে নহয় সমগ্ৰ ভাৰতৰ বিকাশৰ গুৰুত্বপূৰ্ণ অংশীদাৰ হৈ উঠিছে। অসমৰ ভৱিষ্যৎ উজ্জ্বল আৰু সম্ভাৱনাপূৰ্ণ।

পঞ্চম পৃষ্ঠাৰ পৰা ঃ —

# বহিঃৰাজ্যৰ সামগ্ৰীৰ ওপৰত অসমৰ নিৰ্ভৰশীলতা

নিৰ্ধাৰিত সৰ্বোচ্চ খুচুৰা মূল্যত বস্তু কিনিবলৈ বাধ্য। ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ গঢ়ি তুলিবলৈ যিধৰণৰ মানসিকতা, মূলধন আৰু সাহৰ প্ৰয়োজন, সেয়া আমাৰ সমাজত এতিয়াও সঠিকভাৱে গঢ় লৈ উঠা নাই। ইয়াৰ পৰিৱৰ্তে অতি সহজে লাভ অৰ্জন কৰিব পৰা দালালি ব্যৱসায়, ঠিকা বা এজেন্সি ব্যৱসায়ৰ প্ৰতিহে মানুহৰ আগ্ৰহ বেছি। কিন্তু কেৱল বস্তু বেচা-কিনা কৰি এখন সমাজ কেতিয়াও ধনী হ'ব নোৱাৰে, যদিহে সেই সমাজে বস্তু উৎপাদন নকৰে। উৎপাদন প্ৰক্ৰিয়াৰ লগত কেঁচামাল যোগান ধৰোতা, শ্ৰমিক, মেৰামতি কৰোতা আদি বহুতো আনুষংগিক জীৱিকা জড়িত হৈ থাকে, যিবোৰ উদ্যোগবিহীনতাৰ বাবে অসমত গঢ় লৈ উঠা নাই, ফলত অৰ্থনৈতিক বিকাশৰ ধাৰা স্তব্ধ হৈ পৰিছে।

অসমৰ অৰ্থনীতিৰ আন এক অত্যন্ত উদ্বেগজনক দিশ হৈছে আমাৰ শ্ৰম বজাৰখনৰ ওপৰত বহিঃৰাজ্যৰ শ্ৰমিকৰ একচেটিয়া আধিপত্য আৰু আমাৰ স্থানীয় লোকৰ কৰ্মবিমুখতা বা শ্ৰমৰ মৰ্যাদা বুজি নোপোৱা মানসিকতা। আপুনি যদি মন কৰে, দেখিব যে অসমৰ বেছিভাগ নিৰ্মাণ কাৰ্য, কাঠমিস্ত্ৰীৰ কাম, ৰাজমিস্ত্ৰী, প্লাম্বাৰ, ইলেক্ট্ৰিচিয়ান, চেলুন, আনকি ৰাস্তাৰ কাষৰ ভেলপুৰী বা পানীপুৰীৰ দোকানখনো বহিঃৰাজ্যৰ পৰা অহা লোকৰ দ্বাৰা পৰিচালিত হয়। আমাৰ স্থানীয় ডেকাসকলে এইবোৰ কাম কৰাটো সন্মান হানিৰ কাৰণ বুলি ভাবে আৰু তাৰ পৰিৱৰ্তে ঘৰত বহি থকাটো বা অতি সামান্য দৰমহাৰ চৰকাৰী চাকৰি এটাৰ বাবে বছৰৰ পাছত বছৰ অপেক্ষা কৰি থকাটো শ্ৰেয় বুলি গণ্য কৰে। ইয়াৰ ফলত কেৱল যে আমি আমাৰ মানৱ সম্পদৰ অপচয় কৰিছো তেনে নহয়, বৰঞ্চ আমাৰ অৰ্থনীতিৰ এটা বিশাল আৰু গুৰুত্বপূৰ্ণ অংশ আমি স্বেচ্ছাই বহিৰাগতৰ হাতত তুলি দিছো। এই শ্ৰমিক আৰু ক্ষুদ্ৰ ব্যৱসায়ীসকলে অসমত হাড়ভগা পৰিশ্ৰম কৰি যি ধন উপাৰ্জন কৰে, তাৰ সৰহভাগেই তেওঁলোকে নিজৰ ৰাজ্যলৈ বা নিজৰ ঘৰলৈ পঠিয়াই দিয়ে। এই প্ৰক্ৰিয়াটোক অৰ্থনীতিত 'কেপিটেল ড্ৰেইন' বা মূলধনৰ বহিৰ্গমন বুলি কোৱা হয়। অৰ্থাৎ অসমৰ টকা অসমত নাথাকে, ই নদীৰ পানী সাগৰলৈ যোৱাৰ দৰে বাহিৰলৈ গুচি যায়। যেতিয়া এখন ঠাইৰ উপাৰ্জিত ধন সেই ঠাইতে পুনৰ বিনিয়োগ নহয়, তেতিয়া সেই ঠাইৰ অৰ্থনৈতিক বিকাশ স্থবিৰ হৈ পৰে। আমাৰ এলেহুৱা মানসিকতা আৰু কায়িক শ্ৰমৰ প্ৰতি থকা অনীহাই আমাক নিজৰ ঘৰতে পৰবাসীত পৰিণত কৰিছে। আমি কাম নিবিচাৰো, আমি কেৱল আৰাম আৰু সহজ টকা বিচাৰো— এই বিষাক্ত মানসিকতাই আমাক অৰ্থনৈতিকভাৱে পংগু কৰি পেলাইছে আৰু ভৱিষ্যতে ই আমাৰ অস্তিত্বৰ বাবেও সংকট মাতি আনিব।

ভৌগোলিক অৱস্থান আৰু দুৰ্বল পৰিবহণ ব্যৱস্থাই অসমৰ এই পৰনিৰ্ভৰশীলতাক এক বিপজ্জনক আৰু স্পৰ্শকাতৰ পৰ্যায়লৈ ঠেলি দিছে, যাৰ ফলত আমি সঘনাই কৃত্ৰিম নাটনি আৰু মূল্যবৃদ্ধিৰ বলি হ'বলগীয়া হয়। অসম আৰু উত্তৰ-পূব ভাৰতক মূল ভূখণ্ডৰ সৈতে সংযোগ কৰা পথটো অতি ঠেক, যাক 'চিকেন নেক' বুলি কোৱা হয়। যিহেতু আমি আমাৰ প্ৰায় সকলো অত্যাৱশ্যকীয় সামগ্ৰী-খাদ্যৰ পৰা ঔষধলৈকে— এই পথটোৰ ওপৰতে নিৰ্ভৰশীল, সেয়েহে ৰাজনৈতিক আন্দোলন, প্ৰাকৃতিক দুৰ্যোগ, বানপানী বা কোনো ধৰণৰ পথ অৱৰোধ হ'লেই অসমৰ বজাৰত হাহাকাৰ লাগে। আলু, পিঁয়াজ, দাইল, তেল আদিৰ যোগান সামান্য ব্যাহত হ'লেই আমাৰ হাতত এনে কোনো বিকল্প ভঁৰাল বা 'বাফাৰ ষ্টক' নাথাকে যাৰ দ্বাৰা আমি দীৰ্ঘদিন চলাব পাৰো। এই পৰিস্থিতিৰ সুযোগ লৈ একাংশ অসাধু ব্যৱসায়ীয়ে বস্তুৰ দাম আকাশলংঘী কৰি তোলে আৰু সাধাৰণ ৰাইজক হাৰাশাস্তি কৰে। পৰিবহণ খৰচ বেছি হোৱা বাবে অসমত বস্তুৰ দাম ভাৰতৰ আন ঠাইৰ তুলনাত সদায় বেছি হয়। আমি যদি নিজৰ প্ৰয়োজনীয় সামগ্ৰীখিনি অন্ততঃ আংশিকভাৱেও ৰাজ্যৰ ভিতৰতে উৎপাদন কৰিব পাৰিলোহেঁতেন, তেন্তে এই পৰিবহণজনিত সমস্যা আৰু বহিঃৰাজ্যৰ যোগান শৃংখলৰ ওপৰত আমাৰ নিৰ্ভৰশীলতা বহু পৰিমাণে কমিলেহেঁতেন। আন্তঃৰাজ্যিক পৰিবহণৰ বাবে আমি যি অতিৰিক্ত মূল্য ভৰিবলগীয়া হয়, সেয়া আমাৰ অৰ্থনীতিৰ বাবে এক অপৰিকল্পিত বোজা। পেট্ৰ'ল-ডিজেলৰ দাম বাঢ়িলে আমাৰ বজাৰত বস্তুৰ দাম বাঢ়ে, কিন্তু আমাৰ আয় নাবাঢ়ে। এই অসমতাৰ মূল কাৰণটোৱেই হ'ল আমাৰ নিজস্ব উৎপাদনহীনতা। আমি কেৱল এখন বজাৰ হৈ থকাৰ বাবে, আমাৰ ভৌগোলিক দুৰ্বলতাৰ সুযোগ লৈ বৃহৎ কোম্পানীবোৰে আমাক শোষণ কৰি আছে আৰু আমি অসহায়ভাৱে সেয়া মানি লৈছো।

অৰ্থনীতিৰ এটা সৰল সত্য হ'ল 'মানি চাৰ্কুলেচন' বা টকাৰ আৱৰ্তন, যিটো আমাৰ ৰাজ্যত অতি দুৰ্বল আৰু আমাৰ দৰিদ্ৰতাৰ অন্যতম মূল কাৰণ। যেতিয়া আমি স্থানীয়ভাৱে উৎপাদিত বস্তু কিনো, ধৰক এজন থলুৱা খেতিয়কৰ পৰা লাউ বা বেঙেনা কিনো, তেতিয়া সেই টকাটো আমাৰ ওচৰ-চুবুৰীয়াৰ পকেটলৈ যায়; তেওঁ আকৌ সেই টকাৰে স্থানীয় দোকানৰ পৰা কিবা কিনে আৰু এইদৰে টকাটো সমাজখনৰ ভিতৰতে ঘূৰি থাকে আৰু সমাজখন সমৃদ্ধ হয়। কিন্তু যেতিয়া আমি ব্ৰেণ্ডেড কোম্পানীৰ বা বহিঃৰাজ্যৰ সামগ্ৰী কিনো, তেতিয়া টকাটো নিমিষতে ৰাজ্যৰ বাহিৰলৈ উৰা মাৰে আৰু কেতিয়াও ঘূৰি নাহে। অসমৰ বেংকবোৰৰ 'চি-ডি ৰেচিঅ' বা ঋণ আৰু আমানতৰ অনুপাত চালেই এই কথাটো স্পষ্ট হৈ পৰে। অসমৰ মানুহে বেংকত যি টকা জমা থয়, সেই টকা বেংকবোৰে অসমত ঋণ হিচাপে বিনিয়োগ কৰিবলৈ সুযোগ নাপায়, কাৰণ ইয়াত ঔদ্যোগিক ঋণ লোৱা মানুহ নাই বা তেনে পৰিৱেশ নাই। ফলত অসমৰ মানুহৰ কষ্টৰ জমানো টকাখিনি বেংকে মুম্বাই, গুজৰাট বা দিল্লীৰ উদ্যোগত বিনিয়োগ কৰে। ই এক চৰম বিড়ম্বনা যে আমাৰ ধনেৰেই আন ৰাজ্যৰ উন্নয়ন হৈ আছে, অথচ আমি পুঁজিৰ অভাৱত ভুগি আছো। উৎসৱ-পাৰ্বণৰ সময়ত অসমত কোটি কোটি টকাৰ লেনদেন হয়; কিন্তু তাৰ সিংহভাগ টকাই বাহিৰলৈ গুচি যায়। দুৰ্গা পূজা বা বিহুৰ বজাৰত আমি যি কাপোৰ বা সামগ্ৰী কিনো, সেয়া আমাৰ তাঁতী বা শিল্পীয়ে বনোৱা নহয়, বৰঞ্চ চুৰাট বা লুধিয়ানাৰ মিলত বনোৱা হয়। গতিকে উৎসৱৰ আনন্দখিনি আমাৰ হ'লেও অৰ্থনৈতিক লাভখিনি কিন্তু বহিঃৰাজ্যৰ ব্যৱসায়ীয়ে লৈ যায়। এই ধৰণৰ একমুখী অৰ্থনৈতিক প্ৰবাহে এখন ৰাজ্যক কেতিয়াও শক্তিশালী হ'বলৈ নিদিয়ে।

নিৰ্মাণ খণ্ড বা 'ৰিয়েল ইষ্টেট' খণ্ডতো যিকোনো অৰ্থনীতিৰ বাবে এক চালিকাশক্তি স্বৰূপ, কিন্তু অসমৰ ক্ষেত্ৰত এই খণ্ডটোও পৰনিৰ্ভৰশীলতাৰ এক জ্বলন্ত উদাহৰণ। ঘৰ এটা সাজিবলৈ প্ৰয়োজন হোৱা প্ৰায় প্ৰতিটো সামগ্ৰী লো বা ৰড, চিমেণ্ট, টাইলছ, মাৰ্বল, বৈদ্যুতিক তাঁৰ, ছুইচ বৰ্ড, পানীৰ পাইপ, ৰং— সকলোবোৰেই ৰাজ্যৰ বাহিৰৰ পৰা আহে। যদিও আজিকালি কিছুমান চিমেণ্ট কাৰখানা অসমত গঢ়ি উঠিছে, তথাপি কেঁচামালৰ বাবে আৰু মালিকীস্বত্বৰ ক্ষেত্ৰত বাহিৰৰ প্ৰভাৱ স্পষ্ট। অৰ্থাৎ এজন অসমীয়া মানুহে গোটেই জীৱনৰ সঞ্চিত ধনেৰে যেতিয়া ঘৰ এটা সাজে, তেতিয়া তেওঁৰ সেই কষ্টৰ ধনৰ প্ৰায় আশী শতাংশই ৰাজ্যৰ বাহিৰৰ কোম্পানীবোৰৰ একাউণ্টলৈ গুচি যায়। কেৱল সেয়াই নহয়, ঘৰটো সাজিবলৈ অহা মিস্ত্ৰী বা শ্ৰমিকজাকো প্ৰায়ে বাহিৰৰ পৰা অহা। ইয়াৰ অৰ্থ হ'ল, আমাৰ নিৰ্মাণ খণ্ডই আমাৰ অৰ্থনীতিত যিমান জোৱাৰ আনিব লাগিছিল, সিমান আনিব পৰা নাই। থলুৱাভাৱে পোৱা বাঁহ, কাঠ বা বেতৰ দৰে সামগ্ৰীৰ ব্যৱহাৰ আধুনিক নিৰ্মাণকাৰ্যত কমি যোৱাৰ লগে লগে আমাৰ পৰম্পৰাগত নিৰ্মাণ শৈলী আৰু তাৰ লগত জড়িত অৰ্থনীতিও ধ্বংস হৈ গৈছে। আমি আধুনিকতাৰ নামত যিবোৰ সামগ্ৰী ব্যৱহাৰ কৰিবলৈ লৈছো, সেইবোৰে আমাক সম্পূৰ্ণৰূপে বহুজাতিক কোম্পানীবোৰৰ ওপৰত নিৰ্ভৰশীল কৰি তুলিছে। ইয়াৰ ফলত আমাৰ টকাৰ বহিৰ্গমন দ্ৰুততৰ হৈছে আৰু স্থানীয় সম্পদৰ ব্যৱহাৰ কমি গৈছে। এই ধাৰা অব্যাহত থাকিলে আমি কেৱল সুদৃশ্য অট্টালিকাৰ গৰাকী হ'ম হয়, কিন্তু অৰ্থনৈতিকভাৱে দেউলীয়া হৈ পৰিম।

এই সমস্যাৰ গভীৰতা কেৱল অৰ্থনীতিৰ মাজতে আবদ্ধ নহয়, ইয়াৰ শিপা আমাৰ শিক্ষা ব্যৱস্থা আৰু সামাজিক মূল্যবোধৰ লগত গভীৰভাৱে জড়িত হৈ আছে। আমাৰ শিক্ষা ব্যৱস্থাই ছাত্ৰ-ছাত্ৰীক কেৱল ডিগ্ৰীধাৰী কৰি গঢ়ি তোলে, কিন্তু কৰ্মমুখী বা উদ্যোগী কৰি গঢ়ি তুলিব নোৱাৰে। স্কুল-কলেজত আমি এনে কিছুমান বিষয় পঢ়ো যাৰ লগত বাস্তৱ জগতৰ অৰ্থনৈতিক কাম-কাজৰ বিশেষ সম্পৰ্ক নাই। আমাৰ ডেকা ল'ৰা-ছোৱালীয়ে হাতে-কামে কাম কৰিবলৈ লাজ পায় বা নাজানে। কাৰিকৰী শিক্ষা বা 'স্কিল ডেভেলপমেণ্ট'ৰ প্ৰতি আমাৰ সমাজৰ যি নেতিবাচক দৃষ্টিভংগী, সেয়া সলনি নহ'লে আমি কেতিয়াও স্বাৱলম্বী হ'ব নোৱাৰিম। আনহাতে, সমাজেও কেৱল চৰকাৰী চাকৰি কৰাজনকহে 'সফল' বুলি স্বীকৃতি দিয়ে আৰু এজন সফল খেতিয়ক বা ব্যৱসায়ীক যথাযোগ্য সন্মান নিদিয়ে। এই সামাজিক মানসিকতাই নতুন প্ৰজন্মক উৎপাদনমুখী কামৰ পৰা আঁতৰাই ৰাখে। যিখন সমাজত সৃষ্টিশীলতা আৰু শ্ৰমৰ মৰ্যাদা নাই, সেইখন সমাজ পৰনিৰ্ভৰশীল হ'বলৈ বাধ্য। আমি আমাৰ সন্তানক 'চাকৰি বিচাৰিবলৈ' শিকাওঁ, 'কাম সৃষ্টি কৰিবলৈ' নিশিকাওঁ। এই মানসিকতাই আমাক বহিঃৰাজ্যৰ ব্যৱসায়ীৰ বাবে এক সহজ বজাৰত পৰিণত কৰিছে, য'ত তেওঁলোকে নিজৰ ইচ্ছা মতে সামগ্ৰী বিক্ৰী কৰিব পাৰে। আমাৰ বৌদ্ধিক মহলেও এই বিষয়টোৰ ওপৰত যিমান গুৰুত্ব দিব লাগিছিল, সিমান দিয়া নাই। কেৱল সাহিত্য-সংস্কৃতিৰ চৰ্চাই এটা জাতিক জীয়াই ৰাখিব নোৱাৰে, যদিহে সেই জাতিৰ পেটৰ ভাতমুঠিৰ বাবে আনৰ ওচৰত হাত পাতিব লগা হয়।

অৱশেষত এই কথা স্বীকাৰ কৰিবই লাগিব যে বহিঃৰাজ্যৰ সামগ্ৰীৰ ওপৰত অসমৰ এই বিপজ্জনক নিৰ্ভৰশীলতা হ্ৰাস কৰিবলৈ হ'লে এক আমূল পৰিৱৰ্তনৰ প্ৰয়োজন, যিটো কেৱল চৰকাৰী নীতি বা ৰাজনৈতিক ভাষণৰ দ্বাৰাই সম্ভৱ নহয়, ইয়াৰ বাবে প্ৰয়োজন এক সৰ্বাত্মক সামাজিক জাগৰণৰ। আৱেগিক জাতীয়তাবাদৰ শ্ল'গান দিলেই অৰ্থনৈতিক স্বাৱলম্বিতা নাহে; ইয়াৰ বাবে লাগে কঠোৰ বাস্তৱবাদী পৰিকল্পনা আৰু নিৰলস পৰিশ্ৰম। আমি বুজিব লাগিব যে বিশ্বায়নৰ যুগত আমি দুৱাৰ-খিৰিকী বন্ধ কৰি জীয়াই থাকিব নোৱাৰো; কিন্তু আমি আনৰ বজাৰ হোৱাৰ পৰিৱৰ্তে বিশ্ব বজাৰৰ অংশীদাৰ হ'ব পাৰিব লাগিব। আমাৰ থলুৱা সামগ্ৰীসমূহক আধুনিক প্ৰযুক্তি আৰু পেকেজিং ব্যৱহাৰ কৰি বিশ্বমানৰ কৰি তুলিব লাগিব। কৃষি আৰু খাদ্য প্ৰক্ৰিয়াকৰণ উদ্যোগক সৰ্বাধিক অগ্ৰাধিকাৰ দি আমাৰ 'গ্ৰীন অৰ্থনীতি'ক শক্তিশালী কৰিব লাগিব। অসমৰ প্ৰতিটো পৰিয়ালে যদি সিদ্ধান্ত লয় যে তেওঁলোকে দৈনন্দিন ব্যৱহাৰৰ অন্ততঃ কিছু অংশ স্থানীয় সামগ্ৰী ব্যৱহাৰ কৰিব, তেন্তে এক বিৰাট পৰিৱৰ্তন আহিব পাৰে। চৰকাৰে কেৱল হিতাধিকাৰী সৃষ্টি কৰাৰ পৰিৱৰ্তে আন্তঃগাঁথনি উন্নয়ন, কম সুতত ঋণ প্ৰদান আৰু বজাৰ সৃষ্টিত গুৰুত্ব দিলেহে দীৰ্ঘম্যাদী সুফল পোৱা যাব। স্থানীয় উদ্যোগীসকলক উৎসাহিত কৰিবলৈ সমাজৰ দৃষ্টিভংগী সলনি হোৱাটো জৰুৰী, যাতে ব্যৱসায় কৰাটো এটা সন্মানীয় পেছা হিচাপে বিবেচিত হয়। যেতিয়ালৈকে আমি নিজৰ প্ৰয়োজনীয় জোতাযোৰৰ পৰা খোৱা চাউলমুঠিলৈকে আনৰ ওপৰত নিৰ্ভৰ কৰি থাকিম, তেতিয়ালৈকে আমাৰ অৰ্থনৈতিক মেৰুদণ্ড পোন নহয়। পৰনিৰ্ভৰশীলতাৰ শিকলি ছিঙি উৎপাদনমুখী সংস্কৃতি গঢ়ি তোলাই হ'ল অসমৰ ভৱিষ্যৎ সুৰক্ষাৰ একমাত্ৰ বিকল্প পথ। সময় সমাগত, এতিয়া সিদ্ধান্ত লোৱাৰ পাল-আমি কেৱল ক্ৰেতা হৈয়েই থাকিম নে নিৰ্মাতা হ'বলৈ আগবাঢ়িম, সেয়া আমাৰ হাততেই আছে।

# ৰামপুৰত আৱাহন গোষ্ঠীৰ সাধাৰণ সভা



**ৰামপুৰ ঃ** ১৯৮০ ইং বৰ্ষতে প্ৰতিষ্ঠা হোৱা দক্ষিণ কামৰূপৰ অন্যতম অগ্ৰণী সাহিত্য-সংস্কৃতিৰ অনুষ্ঠান ছয়গাঁও আৱাহন গোষ্ঠীৰ এখন সাধাৰণ সভা যোৱা দেওবাৰে ৰামপুৰত অনুষ্ঠিত হৈ যায়। গোষ্ঠীৰ সহকাৰী সম্পাদক, ৰামপুৰ নিবাসী দীনেশ কলিতাৰ বাসগৃহ চৌহদত আয়োজিত এই সভাখনত সভাপতিত্ব কৰে গোষ্ঠীৰ স্থায়ী সভাপতি যোগেন কলিতাই। সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে সাধাৰণ সম্পাদক দিলীপ কুমাৰ শৰ্মাই। সভাই আগন্তুক ব'হাগ মাহৰ প্ৰথম দেওবাৰটোত ক্ৰমান্বয়ে পাহৰণিৰ গৰ্ভলৈ যাব খোজা হুদু গুদু, কুকুৰা যুঁজকে ধৰি বিভিন্ন খেলা-ধূলাৰ লগতে ঝেজেৰা নাচ, থকা দিয়াকে ধৰি বিভিন্ন লোককৃষ্টি আয়োজন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে আৰু ইয়াৰ প্ৰস্তুতিৰ বাবে এখন পাঁচজনীয়া কমিটিক দায়িত্ব অৰ্পণ কৰে। সভাত গোষ্ঠীৰ উপ-সভাপতি অপূৰ্ব গোস্বামী, সদস্য তথা লোক-সংস্কৃতিৰ সাধক সুকুমাৰ মেধি, গোষ্ঠীৰ নবীন সদস্য তথা জ্যেষ্ঠ সাংবাদিক বিমল শৰ্মাই এই সম্পৰ্কে গঠনমূলক পৰ্যালোচনা আগবঢ়ায়। সাধাৰণ সভাখনত শুক্লেশ্বৰ কলিতা, জয়ন্ত কলিতা, বনমালী দাস, ধীৰেশ্বৰ দাস, খগেন চন্দ্ৰ ডেকা, শৈলেন কলিতা, ৰাজকুমাৰ চৌধুৰী, মীনাক্ষী চৌধুৰী, চন্দনা কলিতা, শেৱালী চৌধুৰী, ময়ুখ প্ৰতীম কলিতাকে ধৰি বহুসংখ্যক সদস্য আৰু স্থানীয় ৰাইজে অংশগ্ৰহণ কৰে। সভাৰ সামৰণিত আজি অসমীয়াৰ পৰম্পৰাগত 'ন-খোৱা' কাৰ্য দীনেশ কলিতাৰ আতিথ্যত সম্পন্ন হয়।



প্ৰথম পৃষ্ঠাৰ পৰা ঃ —

## বিধানসভাত ১৫ সমষ্টিত

চুক্তি হোৱাৰ কথা অৱগত কৰি কি দৰে ভৱিষ্যতৰ দিনত সামাজিক ৰাজনৈতিকভাৱে আগবাই যাব পাৰি তাৰ ওপৰত কয়। সভাত প্ৰমোদ বড়োৱে পুনৰ কয় যে বিটিআৰ চুক্তি কেৱল এখন কাগজৰ দলিল নহয়, এইটো আমাৰ শান্তি, উন্নয়ন আৰু ভৱিষ্যৎ প্ৰজন্মৰ সুৰক্ষাৰ আধাৰ। সকলো জাতি-জনগোষ্ঠীৰ সহযোগ আৰু বিশ্বাসৰ জৰিয়তে আমি এক শান্তিপূৰ্ণ, উন্নত আৰু সমৃদ্ধ বিটিআৰ গঢ়ি তুলিমা শেষত শান্তি, সম্প্ৰীতি আৰু সমবিকাশৰ শপত লৈ বিটিআৰ চুক্তিৰ উদ্দেশ্য সফল কৰিবলৈ সকলোকে একত্ৰিত হৈ আগবঢ়াৰ আহ্বান জনায়া সভাৰ অন্তত সাংবাদিকৰ সৈতে বাৰ্তালাপত বিটিআৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে বিটিআৰ চুক্তি ১০০ শতাংশই ৰূপায়ণ কৰিলেহে অঞ্চলখনত স্থায়ী শান্তি প্ৰতিষ্ঠা হ'ব। চুক্তিৰ সকলো ধাৰা সময়মতে কাৰ্যকৰী কৰিলে উন্নয়নৰ পথ সুগম হ'ব আৰু নতুন প্ৰজন্মক পুনৰ ৰাজপথলৈ নামিব লগা নহ'ব। উন্নয়ন, শিক্ষা, স্বাস্থ্য, নিয়োগ আৰু সামাজিক স্থিৰতাৰ বাবে চুক্তিৰ সম্পূৰ্ণ বাস্তৱায়ন অতি জৰুৰী বুলি মন্তব্য কৰে। বিটিআৰৰ ১৫ টা সমষ্টিতেই আগন্তুক নিৰ্বাচনত অংশগ্ৰহণ কৰিবলৈ সম্পূৰ্ণৰূপে সাজু হৈ আছো এই কাৰ্যসূচীত জিলা উপ-সভাপতি দীপাংকৰ ৰাভা সাধাৰণ সম্পাদকদ্বয় ক্ৰমে বানেশ্বৰ বড়ো, গণেশ নাথ, মুজিব আলী আহমেদ প্ৰমুখ্যে কৰি যুৱ মহিলা আদি ভাতৃ-ভগ্নী সংগঠনৰ দলীয় কৰ্মকৰ্তাসকলে অংশগ্ৰহণ কৰে।

## আৰোগ্য যোজনাৰ অন্তৰ্ভুক্ত

প্ৰদান কৰা বৈধ স্থায়ী বাসিন্দাৰ প্ৰমাণপত্ৰ আৰু অ'বিচি প্ৰমাণপত্ৰ আছে, তেওঁলোকক তিনিচুকীয়া জিলাৰ নিয়োগ বিনিময় কেন্দ্ৰত নাম পঞ্জীয়ন কৰাৰ বাবে অনুমতি প্ৰদান কৰে। কেবিনেটে ডিব্ৰুগড় জিলাৰ মৰাণ ৰাজহ চক্ৰৰ অন্তৰ্গত টিলৈবাৰী বঙালী গাঁও আৰু টিলৈবাৰী নেপালী গাঁওসমূহত অৱস্থিত গো-চৰণীয়া সংৰক্ষিত ভূমি (ভিজিআৰ) সংৰক্ষণমুক্ত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। কেবিনেটে নগৰ আৰু উপকণ্ঠ অঞ্চলত অৱস্থিত শ্ৰমিক লাইনসমূহত বসবাস কৰা চাহ বাগিচাৰ শ্ৰমিকসকলৰ বাবে ভূমি বন্দোবস্ত প্ৰিমিয়াম শিথিল আৰু যুক্তিসংগত কৰাৰ প্ৰস্তাৱত অনুমোদন জনায়। ৰাজ্যিক মন্ত্ৰীসভাই পশুপালন আৰু পশু চিকিৎসা বিভাগ আৰু সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ অধীনত আৰআইডিএফ আঁচনিৰ অন্তৰ্গত অনুমোদিত ২৭ খন প্ৰকল্পৰ বাবে নাবাৰ্ডৰ পৰা ঋণ গ্ৰহণ কৰাৰ প্ৰস্তাৱতো অনুমোদন জনায়।

## অবৈধ বাংলাদেশীৰ নাম

ভাৰাক্ৰান্ত এখন ৰাজ্য। অবৈধ বাংলাদেশীয়ে অসমৰ ভোটাৰ তালিকাত নাম সন্নিবিষ্ট কৰিছে। অসম আন্দোলনৰ সময়ৰ পৰাই অসমৰ ৰাইজ আৰু ছাত্ৰ সন্থাই এই বিষয়টো উত্থাপন কৰি আহিছে। বহুতো সমষ্টিত জনপ্ৰতিনিধি কোন হ'ব সেয়া সন্দেহযুক্ত বাংলাদেশীৰ ভোটে নিৰ্ধাৰণ কৰাৰ উপক্ৰম হৈছে। তেনে প্ৰেক্ষাপটত অসমত ভোটাৰ তালিকাৰ বিশেষ সংশোধনৰ প্ৰয়োজন আছে। সদৌ অসম ছাত্ৰ সন্থাই স্পষ্টভাৱে অসমত ভোটাৰ তালিকাৰ বিশেষ সংশোধনীৰ পোষকতা কৰে। অসমৰ ভোটাৰ তালিকাৰপৰা অবৈধ বাংলাদেশীৰ নাম কৰ্তন কৰিবলৈ সকলো কঠোৰ, আইনগত ব্যৱস্থা গ্ৰহণ কৰিব লাগে। কিন্তু শেহতীয়াকৈ ভোটাৰ তালিকাৰ বিশেষ সংশোধনৰ সময়ত বিভিন্ন স্থানত খিলঞ্জীয়া লোকে জাননী লাভ কৰা পৰিলক্ষিত হৈছে। বহুকেইখন জিলাত যথেষ্ট সংখ্যক খিলঞ্জীয়া মুছলমান পৰিয়াললৈ জাননী জাৰি কৰা হৈছে। এনে ঘটনাই খিলঞ্জীয়া মানুহৰ মাজত অসন্তোষ সৃষ্টি কৰাৰ লগতে ভোটাধিকাৰ হেৰুৱাৰ পাৰে বুলি সংশয়ৰ জন্ম দিছে। নিৰ্বাচন আয়োগলৈ ছাত্ৰ সন্থাৰ স্পষ্ট দাবী বিশেষ সংশোধনী প্ৰক্ৰিয়াটো আগবঢ়াই নিওঁতে নিৰ্বাচন আয়োগ আৰু অধিক সংবেদনশীল, দায়িত্বশীল হ'ব লাগে। যিসকল খিলঞ্জীয়া মুছলমান লোকলৈ জাননী জাৰি কৰা হৈছে তেওঁলোক কোনো সমস্যাৰ সন্মুখীন নোহোৱাকৈ অগ্ৰাধিকাৰৰ ভিত্তিত বিষয়টোৰ স্থায়ী সমাধান কৰিব লাগে।

# ১১ কোটি ব্যয়সাপেক্ষে পাটাছাৰকুছিত ৯ টা পথৰ কামৰ শুভাৰম্ভ মন্ত্ৰী ৰঞ্জিত দাসৰ



**অসম ভূমি সেৱা, পাঠশালা ঃ** পাটাছাৰকুছি সমষ্টিত যোৱা মঙলবাৰে ৯ টাকৈ পথৰ কামৰ আৰম্ভ কৰে মন্ত্ৰী তথা পাটাছাৰকুছি সমষ্টিৰ বিধায়ক ৰঞ্জিত কুমাৰ দাসে। উল্লেখ্য যে সমষ্টি উন্নয়ন পুঁজিৰ ১১ কোটি টকা ব্যয়েৰে নিৰ্মাণ হ'বলগীয়া সমষ্টিটোৰ ৯ টাকৈ পথৰ আৰম্ভ কৰি মন্ত্ৰীগৰাকীয়ে সংবাদমাধ্যমৰ আগত কয় যে আমাৰ চৰকাৰৰ দিনত এয়া আধাৰশিলা নহয়, এয়া কামৰ আৰম্ভ। ভোগালীত আৰম্ভ কৰা এই কামবোৰ ৰঙালীত যাতে শেষ হয় তাৰ বাবে ইতিমধ্যে বিভাগক ব্যৱস্থা গ্ৰহণৰ বাবে নিৰ্দেশ প্ৰদান কৰিছো। সমষ্টিৰ উন্নয়নক অগ্ৰাধিকাৰ দিয়াৰ কথা উল্লেখ কৰি মন্ত্ৰীত্বৰ কাৰ্যকালত কৰা কামক লৈ যথেষ্ট সন্তুষ্ট বুলি ব্যক্ত কৰে মন্ত্ৰীগৰাকীয়ে। উক্তদিনা কামৰ আৰম্ভ কৰা পথসমূহ হৈছে বৰসাদেৰী গাঁৱৰ পৰা টুপ্ৰাই পানবাৰীলৈ বাঘাপাৰা সংযোগী পথ, বুঢ়াগোসাঁইঘৰ সত্ৰৰ পৰা ত্ৰিনাথ মন্দিৰ সংযোগী পথসহ সন্নঞ্জযাসী গোসাঁইঘৰৰ পৰা হুদুখাটা নাওশালী পথ, পি.এ. পথৰ পৰা দৈশিংৰী মহাপুৰুষীয়া সত্ৰ হৈ ৭০৬/২ নং দৈশিংৰী এল.পি. স্কুললৈ সংযোগী পথ, অকয়া মিলৰ চ'কৰ পৰা নৱজ্যোতি উচ্চ বিদ্যালয় হৈ খাটনিয়াৰপাৰা চুবালৈ পথ, ২৮ নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা পালহা ৰাইচ মিললৈ যোৱা পথ, নিজ সৰিহ ধৰমতলা মিলন এল.পি. স্কুল হৈ নিজ সৰিহ গাঁৱৰ পৰা ধৰ্মতলালৈ যোৱা পথৰ উন্নীতকৰণ, ডেকাপাৰা ৰেল গেটৰ পৰা জালিখাটা গাঁৱলৈ পথ, বৰকলা শিৱ মন্দিৰৰ পৰা বৰুৱাপাৰা কালী মন্দিৰ চ'কলৈ ১ আৰু ২ নং সংযোগী পথ আৰু নলনা-বেলনা PMGSY পথৰ পৰা বৰগুনৰী বড়ো চুবাহৈ চিগনেচাৰ পথ। মন্ত্ৰীগৰাকীৰ সৈতে বজালী বিজেপিৰ সভাপতি মুকুট কলিতা, বিজেপি নেতা ৰঞ্জিত শালৈ আদিকে ধৰি কেবাগৰাকীও উপস্থিত থাকে।

# বালিসত্ৰত শতচণ্ডী যজ্ঞৰ ৰূপালী জয়ন্তী উদ্‌যাপনৰ প্ৰস্তুতি

**ৰঙিয়া ঃ** ৰঙিয়া সমজিলাৰ অন্তৰ্গত বালিসত্ৰৰ সৰুলাছিত প্ৰতিবছৰে বিশ্বশান্তি আৰু প্ৰাণীজগতৰ মংগলাৰ্থে আয়োজিত হৈ অহা দেৱীমা শতচণ্ডীৰ মহাযজ্ঞভাগিয়ে এইবেলি ৰূপালী জয়ন্তীত ভৰি দিলে। সৰুলাছিস্থিত মানসা মন্দিৰ প্ৰাংগণত অহা পহিলা এপ্ৰিলৰ পৰা পাঁচদিনীয়াকৈ আয়োজিত হ'বলগীয়া শতচণ্ডী যজ্ঞৰ ৰূপালী জয়ন্তী মহোৎসৱখন সুচাৰুৰূপে পৰিচালনা কৰিবলৈ উদ্যোক্তাসকলে ইতিমধ্যে ব্যাপক প্ৰস্তুতি চলোৱা পৰিলক্ষিত হৈছে। মহোৎসৱ উদ্‌যাপনৰ লগত সংগতি ৰাখি এখন স্মৰণিকা প্ৰকাশৰো সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। স্মৰণিকাখনত প্ৰকাশৰ বাবে ইচ্ছুক লেখক-লেখিকাৰ পৰা মূলতঃ এই যজ্ঞৰ প্ৰতিষ্ঠাৰ ইতিবৃত্ত, বিগত বছৰসমূহৰ বিভিন্ন তথ্যপাতি সম্বলিত লিখনি তথা দেৱী চণ্ডীমাৰ মাহাত্ম্য আৰু ইয়াৰ লগত সংগতি ৰাখি লিখা লিখনি অহা ১০ মাৰ্চৰ আগত স্মৰণিকা সম্পাদনা সমিতিৰ সভাপতি চন্দন কুমাৰ দাস (৮৩৯৯০-৫৩৪৯১) অথবা সম্পাদক হেমন্ত কলিতা (৯১০১২-৬৪২৫৬)ৰ লগত যোগাযোগ কৰি অথবা hemantarangia921@gmail.com লৈ ডিটিপি পেজমেকাৰত পিমডি ফাইল কৰি পঠোৱাৰ বাবে আহ্বান জনোৱা হৈছে। উল্লেখ্য যে যজ্ঞভাগি সুচাৰুৰূপে পৰিচালনা কৰাৰ নিমিত্তে আয়োজিত ৰাজহুৱা সভাত স্থানীয় বিধায়ক ভবেশ কলিতাক সভাপতি, দশৰথ ডেকাক কাৰ্যকৰী সভাপতি, হৰেণ কলিতা, জগদীশ বৰুৱা আৰু বিপুল কাকতিক উপ-সভাপতিত্ৰয়, তিলক ডেকাক সাধাৰণ সম্পাদক, বিমল কলিতা,পৰেশ কলিতা আৰু পংকজ দাসক সহকাৰী সম্পাদক হিচাপে লৈ অঞ্চলটোৰ কেইবাগৰাকী সমাজকৰ্মী আৰু বিশিষ্ট ব্যক্তিক বিভিন্ন উপ-সমিতিৰ গুৰুত্বপূৰ্ণ বিভাগত দায়িত্ব দি এখন শক্তিশালী পৰিচালনা সমিতি গঠন কৰা হয়। অতি জাগ্ৰত এই বাৰ্ষিক যজ্ঞভাগি সুকলমে পৰিচালনা কৰাৰ ক্ষেত্ৰত সমাজৰ সৰ্বস্তৰৰ ৰাইজৰ সহায় সহযোগিতা আৰু উপস্থিতি উদ্যোক্তাসকলে আন্তৰিকতাৰে কামনা কৰিছে।

# উপৰহালীত ৫১৬ সংখ্যক চিলাৰায় দিৱস

**অসম ভূমি সেৱা, আজাৰা ঃ** পলাশবাৰীৰ উপৰহালী আঞ্চলিক কোচ ৰাজবংশী সন্মিলনীৰ উদ্যোগত অহা ১ ফেব্ৰুৱাৰীত উপৰহালী শ্ৰীশ্ৰীভাঙৰা গোপাল গোসাঁই ঘৰ প্ৰাংগণত দিনজোৰা কাৰ্যসূচীৰে ৫১৬ সংখ্যক মহাবীৰ চিলাৰায় দিৱসৰ ব্যাপক প্ৰস্তুতি চলোৱা হৈছে বুলি সন্মিলনীৰ সভাপতি যতীন তালুকদাৰ আৰু সাধাৰণ সম্পাদক গোলাপ চন্দ্ৰ তালুকদাৰে জানিবলৈ দিছে। কাৰ্যসূচী অনুসৰি উক্ত দিনা পুৱা ৯ বজাত পতাকা উত্তোলন কৰিব উপৰহালী আঞ্চলিক কোচ ৰাজবংশী সন্মিলনীৰ সভাপতি যতীন তালুকদাৰে। ৯.৩০ বজাত মহাবীৰ চিলাৰায় প্ৰতিচ্ছবিত মাল্যদান কৰিব সদৌ অসম কোচ ৰাজবংশী সন্মিলনীৰ প্ৰাক্তন কাৰ্যকৰী সভাপতি নৃপেন্দ্ৰ নাৰায়ণ ঠাকুৰীয়াই, বন্তি প্ৰজ্বলন কৰিব ক্ৰমে উপৰহালী ৰাইজ গয়হৰ সভাপতি অজিত ঠাকুৰীয়া, সৰপাৰা ৰাইজ গয়হৰৰ সভাপতি অজিত দাসে, পুষ্পাঞ্জলি প্ৰদান কৰিব ক্ৰমে উপৰহালী ৰাইজ গয়হৰৰ সাধাৰণ সম্পাদক পৱিত্ৰ কুমাৰ তালুকদাৰ, সৰপাৰা ৰাইজ গয়হৰৰ সাধাৰণ সম্পাদক দীনেশ ডেকা, কামৰূপ জিলা কোচ ৰাজবংশী সন্মিলনীৰ উপ-সভাপতি বৈকুণ্ঠ ঠাকুৰীয়া আৰু উপৰহালী গাঁও পঞ্চায়ত আঞ্চলিক সদস্য বেণুধৰ তালুকদাৰে। ১০ বজাত শোভাযাত্ৰা উদ্বোধন কৰিব উপৰহালী ৰাইজ গয়হৰৰ উপদেষ্টা গজিন ঠাকুৰীয়াই। ১১ বজাত মহাবীৰ চিলাৰায়ৰ প্ৰতিচ্ছবিৰ ওপৰত ষষ্ঠ শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ চিত্ৰাংকণ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। দিনৰ ১২ বজাত কামৰূপ জিলা ভিত্তিত ষষ্ঠ শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ মহাবীৰ চিলাৰায় জীৱনৰ ওপৰত ৰচনা প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। দুপৰীয়া ২ বজাত উপৰহালী আঞ্চলিক কোচ ৰাজবংশী সন্মিলনীৰ সভাপতি যতীন তালুকদাৰৰ সভাপতিত্বত এখন মুকলি সভা অনুষ্ঠিত হ'ব। সভাত মুখ্য অতিথি হিচাপে পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়া, নিৰ্দিষ্ট বক্তা হিচাপে প্ৰাক্তন অধ্যক্ষ, শিক্ষাবিদ ড° শৈলেন্দ্ৰ নাৰায়ণ ঠাকুৰীয়া, উপৰহালী ৰাইজ গয়হৰ প্ৰাক্তন সাধাৰণ সম্পাদক দীপক তালুকদাৰ আৰু অৱসৰপ্ৰাপ্ত অধ্যাপক চক্ৰ তালুকদাৰে উপস্থিত থাকিব। আবেলি ৪ বজাত বঁটা বিতৰণী সভাৰ পিছতে শলাগৰ শৰাই আগবঢ়াব উপৰহালী আঞ্চলিক কোচ ৰাজবংশী সন্মিলনীৰ সাধাৰণ সম্পাদক গোলাপ চন্দ্ৰ তালুকদাৰে। শেষত অসম সংগীতৰে অনুষ্ঠানৰ সামৰণি পৰিব। উল্লেখ্য যে মহাবীৰ চিলাৰায় জীৱনৰ ওপৰত অনুষ্ঠিত হ'বলগীয়া ৰচনা পাণ্ডুলিপি অহা ২৫ জানুৱাৰীৰ ভিতৰত সন্মিলনীৰ সভাপতি-সম্পাদকৰ হাতত অথবা ৮৮২২০-২৪৫৬৬, ৯৯৫৭১-৩৩০২৮ নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে উদ্যোক্তাসকলে। সেয়েহে উক্ত দিনাৰ সমূহ কাৰ্যসূচীত ৰাইজৰ সহায়-সহযোগিতা তথা উপস্থিতি আন্তৰিকতাৰে কামনা কৰিছে উদ্যোক্তাসকলে।

## কামৰূপ জিলা সাহিত্য সভাৰ সভাপতি সদ্যপ্ৰয়াত ড° গণেশ্বৰ চহৰীয়াৰ স্মৃতিচাৰণ

# ৰণদিয়া সাহিত্য সভাৰ তৃতীয় বিশেষ বাৰ্ষিক অধিৱেশন



**অসম ভূমি সেৱা, ৰঙিয়া ঃ** ৰঙিয়াৰ ৰণদিয়া (শতদল) সাহিত্য সভাৰ তৃতীয় বিশেষ বাৰ্ষিক অধিৱেশনৰ লগতে কামৰূপ জিলা সাহিত্য সভাৰ সদ্যপ্ৰয়াত সভাপতি ড° গণেশ্বৰ চহৰীয়াৰ স্মৃতিচাৰণ সভা অলপতে দিনযোৰা কাৰ্যসূচীৰে ৰঙিয়া সমজিলাৰ তুলসীবাৰীস্থিত তুলসীবাৰী বহুমুখী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হৈ যায়। বিস্তৃত কাৰ্যসূচী অনুসৰি পুৱা অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰে শাখা সভাখনৰ সভাপতি পংকজ পল্লৱ শৰ্মাই। গছপুলি ৰোপণ কৰে অৱসৰপ্ৰাপ্ত অধ্যক্ষ কামিনী ভূএঞাঁ, বিদ্যালয় পৰিচালনা আক উন্নয়ন সমিতিৰ উপ-সভাপতি দুলু দাস, সমাজসেৱক দুলু ভূএঞা আৰু জ্যেষ্ঠ অধিবক্তা হিৰণ্য চৌধুৰীয়ে। সম্পাদক চৈয়দ মোস্তাফা আহমেদ আৰু পত্ৰিকা সম্পাদক ফাৰুক হুছেইনে আঁতধৰা অনুষ্ঠানত বন্তি প্ৰজ্জ্বলন কৰি স্মৃতিতৰ্পণ কৰে কামৰূপ জিলা সাহিত্য সভাৰ সাংগঠনিক সম্পাদক জয়ন্ত জিত কলিতাই। সদ্যপ্ৰয়াত কামৰূপ জিলা সাহিত্য সভাৰ সভাপতি ড° গণেশ্বৰ চহৰীয়াৰ স্মৃতিচাৰণ কৰে বিশিষ্ট সাহিত্য সংগঠক, লেখক তথা কামৰূপ জিলা সাহিত্য সভাৰ যুৱ সংসদৰ আহ্বায়ক হেমন্ত কলিতাই। অনুষ্ঠানত প্ৰয়াত ড° গণেশ্বৰ চহৰীয়া, সুধাকণ্ঠ ড° ভূপেন হাজৰিকা আৰু প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে সহঃ শিক্ষক, তুলসীবাৰী বহুমুখী উঃ মাঃ বিদ্যালয়ৰ সহকাৰী শিক্ষক দিলীপ লহকৰ, অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ যতিন চন্দ্ৰ ডেকা, ক্ৰীড়া সংগঠক বীৰেণ কলিতা প্ৰমুখ্যে সভাত অংশগ্ৰহণ কৰা বিশিষ্ট ব্যক্তিসকলে। সকলোৱে সমস্বৰে চিৰ চেনেহী মোৰ ভাষা জননী শীৰ্ষক আৰম্ভণি গীত পৰিৱেশন কৰাৰ লগে লগে পংকজ পল্লৱ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত হয় মুকলি সভা। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক চৈয়দ মোস্তাফা আহমেদে। সভাত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰে কামৰূপ জিলা সাহিত্য সভাৰ উপ-সভাপতি ৰমেশ চন্দ্ৰ মেধিয়ে। আমন্ত্ৰিত অতিথিৰূপে অংশগ্ৰহণ কৰে জিলা সাহিত্য সভাৰ সাংগঠনিক সম্পাদক দশৰথ ডেকা আৰু জয়ন্ত জিত কলিতা, যুৱ সংসদৰ আহ্বায়ক হেমন্ত কলিতা, জ্যেষ্ঠ অধিবক্তা হিৰণ্য চৌধুৰী, অধ্যক্ষ গীতাৰাণী ডেকা আৰু বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি লিটন কলিতাই। বিদ্যালয়খনৰ ছাত্ৰী কৰিস্মিতা কলিতাই জুবিন সংগীত পৰিৱেশন কৰে। শিক্ষয়িত্ৰী ৰীতা পাচনী আৰু ছাত্ৰী ৰেচমা চুলতানাই কবিতা আবৃত্তি কৰি সভাসদক আপ্লুত কৰে। সভাত শাখাটিৰ সক্ৰিয় সদস্য তথা অসম সাহিত্য সভাৰ আজীৱন সভ্য খৰ্গেশ্বৰ কলিতাৰ উপন্যাস বোবাদ্বীপ উন্মোচন কৰা হয়। কামৰূপ জিলা পৰিষদৰ অধ্যক্ষ নিপন ভূএঞা, কামৰূপ জিলা সাহিত্য সভাৰ প্ৰকাশন উপ-সমিতিৰ সহযোগী আহ্বায়ক তথা শিক্ষক জয়ন্ত কুমাৰ শৰ্মা, শাখা সভাখনৰ প্ৰাক্তন সম্পাদক উজ্জ্বল ডেকা, উপ-সভাপতি তথা অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী সবিতা বৰ্মন মজুমদাৰ, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী অনুপমা দেৱী, অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী ৰীণা কলিতা মহন্ত, অমিয়া তালুকদাৰ, মনালিছা গোস্বামী, মামনি লহকৰ, ৰীতা পাচনী, চম্পাৱতী দাস, ৰঙিয়াৰ আই টি আই (প্ৰা.) সঞ্চালক ধ্ৰুৱজ্যোতি কলিতা, অধ্যক্ষ ডিজৱান আহমেদ, অৰ্ণৱ বিশ্বাস,জিতু নমঃশূদ্ৰ সমন্বিতে বিদ্যালয়খনৰ শিক্ষক শিক্ষয়িত্ৰী, কৰ্মচাৰীবৃন্দ তথা বহুসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা সভাখনত সমজুৱাক আদৰণি আৰু কৃতজ্ঞতা জ্ঞাপন কৰে পিএমশ্ৰী তুলসীবাৰী বহুমুখী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ গীতাৰাণী ডেকাই। অধিৱেশন আৰু স্মৃতিচাৰণ সভাৰ সকলো কাৰ্যসূচী সফলভাৱে ৰূপায়ণ কৰাত সহযোগিতা আগবঢ়োৱা আৰু উপস্থিত সভাসদক শলাগৰ শৰাই আগবঢ়াই সাহিত্য সংগঠক তথা প্ৰতিষ্ঠাপক সম্পাদক হেমন্ত কলিতাই।

## দখলা কলনিত শ্ৰীশ্ৰী লক্ষ্মী পূজাৰ প্ৰস্তুতি

**আজাৰা ঃ** পলাশবাৰী সমষ্টিৰ দখলা কলনি বৰকুকুৰীয়া ৰাইজ গয়ৰহৰ উদ্যোগত বিগত বছৰবোৰৰ দৰে এইবেলিও মাঘ মাহৰ পূৰ্ণিমা অৰ্থাৎ অহা ১ ফেব্ৰুৱাৰীত দিনজোৰা কাৰ্যসূচীৰে ৰাজহুৱা মন্দিৰ প্ৰাংগণত শ্ৰীশ্ৰীলক্ষ্মী পূজা উদ্‌যাপন কৰাৰ ব্যাপক প্ৰস্তুতি চলাইছে বুলি ৰাইজ গয়ৰহৰ পৰিচালনা সমিতিৰ সভাপতি ৰঞ্জিত কলিতা (ৰাণা) আৰু সাধাৰণ সম্পাদক ৰবীন কলিতাই জানিবলৈ দিছে। কাৰ্যসূচী অনুসৰি উক্ত দিনা পুৱা ৯ বজাত প্ৰতিমা স্থাপন, ১০ বজাত পূজা আৰম্ভ, দুপৰীয়া ১২.৩০ বজাত পুষ্পাঞ্জলি প্ৰদান আৰু প্ৰসাদ বিতৰণ, ১.৩০ বজাৰ পৰা ৰাইজৰ ভোজন আৰু নিমন্ত্ৰিত অতিথিৰ অভ্যৰ্থনা অনুষ্ঠান অনুষ্ঠিত হ'ব। আনহাতে, সন্ধিয়া ৬ বজাৰ পৰা দৰঙৰ বাঘৰবাৰীৰ নৱমিলন মহিলা নাগাৰা নামদলৰ পাঠিকা জোনালী ডেকা আৰু সংগীবৃন্দৰ নাম পৰিৱেশন কৰা হ'ব। সেয়েহে পূজাৰ সমূহ কাৰ্যসূচীত অঞ্চলটোৰ ৰাইজৰ সহায়-সহযোগিতা তথা উপস্থিতি আন্তৰিকতাৰে কামনা কৰিছে ৰাইজ গয়ৰহৰ পৰিচালনা সমিতিয়ে।

# আনন্দৰাম বৰুৱা একাডেমি শিক্ষা সংসদৰ অধিৱেশন



**অসম ভূমি সেৱা, পাঠশালা ঃ** অসমৰ অন্যতম শৈক্ষিক গোষ্ঠী আনন্দৰাম বৰুৱা একাডেমি শিক্ষা সংসদৰ নৱম বাৰ্ষিক অধিৱেশন আৰু প্ৰতিনিধি সভাখন যোৱা ২৪ জানুৱাৰীত পাঠশালাত অনুষ্ঠিত হয়। আনন্দৰাম বৰুৱা একাডেমি শিক্ষা সংসদৰ অধ্যক্ষ তথা পৰিচালন সঞ্চালক ড° ৰণজিৎ ডেকাৰ সভাপতিত্বত অনুষ্ঠিত তথা অসমৰ বিভিন্ন প্ৰান্তৰ ডেৰ শতাধিক বিদ্যালয়ৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰা সভাখন উদ্বোধন কৰে শালবাৰী মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপক ত্ৰিদিৱ ৰঞ্জন ঠাকুৰীয়াই। ইয়াৰ পূৰ্বে পুৱা পতাকা উত্তোলন কৰে আনন্দৰাম বৰুৱা একাডেমি শিক্ষা সংসদৰ সভাপতি অমূল্য কলিতাই, বন্তি প্ৰজ্বলন কৰে আনন্দৰাম বৰুৱা একাডেমি ডিগ্ৰী কলেজৰ পৰীক্ষা নিয়ন্ত্ৰক জয়ন্ত দাসে। ডিগ্ৰী কলেজৰ উপাধ্যক্ষ হিমাংশু বৰুৱাৰ উপস্থিতিত শিক্ষা সংসদৰ মুখ্য সচিব উৎপল মেধিয়ে আঁতধৰা অনুষ্ঠানত শিক্ষা সংসদৰ বিভিন্ন নতুন নতুন পৰিকল্পনা সন্দৰ্ভত আলোচনা কৰাৰ লগতে আগন্তুক শিক্ষাবৰ্ষৰ প্ৰথম আভ্যন্তৰীণ পৰীক্ষাৰ আগতেই আনন্দৰাম বৰুৱা একাডেমি শিক্ষা সংসদৰ পূৰ্ণাংগ জিলা সমিতিসমূহ গঠন কৰা হ'ব বুলি ঘোষণা কৰা হয়। আনহাতে, চৰকাৰী বিদ্যালয়সমূহৰ গুণোৎসৱৰ লেখীয়াকৈ আগন্তুক শিক্ষাবৰ্ষত আনন্দৰাম বৰুৱা একাডেমি শিক্ষা সংসদৰ দ্বাৰা পৰিচালিত বিদ্যালয়সমূহৰ বাবে 'আমাৰ বিদ্যালয়ৰ দিন' শীৰ্ষক এক অভিলাষী আঁচনি গ্ৰহণ কৰা হৈছে। এই আঁচনিৰ লাভ ল'বলৈ বিদ্যালয়সমূহে নূন্যতম এমাহ আগতে নিৰ্ধাৰিত দিনৰ বাবে সংসদত আবেদন কৰিব লাগিব। উক্ত দিনত সংসদৰ তিনিজনীয়া প্ৰতিনিধি দলে নিৰ্দিষ্ট বিদ্যালয়লৈ গৈ সকলো দিশ চালিজাৰি চাই গ্ৰেড প্ৰদান কৰিব আৰু এ, বি আৰু চি গ্ৰেড পোৱা বিদ্যালয়সমূহক সংসদে বিশেষভাৱে পুৰস্কৃত কৰিব। ইপিনে ২০২৬-২৭ শিক্ষাবৰ্ষত আনন্দৰাম বৰুৱা একাডেমি শিক্ষা সংসদৰ দ্বাৰা পৰিচালিত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে 'আনন্দৰাম বৰুৱা একাডেমিলৈ যাওঁ ব'লক' শীৰ্ষক এক শিক্ষামূলক ভ্ৰমণৰ কাৰ্যসূচী লোৱা হৈছে। এই কাৰ্যসূচীত অংশগ্ৰহণ কৰা বিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীয়ে ভৱিষ্যতে উচ্চ শিক্ষাৰ বাবে আনন্দৰাম বৰুৱা একাডেমিত নামভৰ্তি কৰিলে বিশেষ বৃত্তিৰ দ্বাৰা উপকৃত হ'ব। ইয়াৰোপৰি আগন্তুক শিক্ষাবৰ্ষৰ গ্ৰীষ্ম বন্ধত প্ৰতিটো বিষয়ৰ তিনিদিনীয়া বিনামূলীয়া শিক্ষক প্ৰশিক্ষণ আনন্দৰাম বৰুৱা একাডেমিত কেন্দ্ৰীয়ভাৱে অনুষ্ঠিত হ'ব বুলি উক্ত অধিৱেশনত ঘোষণা কৰাৰ লগতে শিক্ষা সংসদৰ দ্বাৰা পৰিচালিত বিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীৰ বাবে 'আনন্দৰাম বৰুৱা বৃত্তি' পৰীক্ষা, আগন্তুক শিক্ষাবৰ্ষৰ পৰা 'বিজ্ঞান দিৱস'ৰ দিনা 'বিজ্ঞান মেলা', বিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ক্ৰীড়া আৰু সাংস্কৃতিক সমাৰোহ অনুষ্ঠিত কৰা হ'ব। প্ৰাৰম্ভিক পৰ্যায়ত এই সমাৰোহ জিলা আৰু চূড়ান্ত পৰ্যায়ত এই সমাৰোহ কেন্দ্ৰীয়ভাৱে আনন্দৰাম বৰুৱা একাডেমিত অনুষ্ঠিত হ'ব।

**Printed by Prafulla Gogoi, Seven Stars Publications Pvt. Ltd. and published by Raghabendra Narayan Dutta Baruah , Seven Stars Publications Pvt. Ltd. on behalf of Raghabendra Narayan Dutta Baruah and printed at Seven Stars Publications Pvt. Ltd. at A.T. Road, Adabari, Near Bus Stand (Out Gate) Guwahati-781014 and published at 6, College Hostel Road, Panbazar, Guwahati-781001. Tel: 0361-2674555, E-mail: sspplghy@gmail.com**

**Editor: Raghabendra Narayan Dutta Baruah**